● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জটিল কামবোৰ সহজ হৈ থাকোতে আৰু মহৎ কামবোৰ সৰু হৈ থাকোতেই কৰক। হেজাৰ মাইলজোৰা যাত্ৰাও এটা খোজৰ পৰাই আৰম্ভ হয়।

লাও যি
*চীনা দাৰ্শনিক*



www.dainikagradoot.in

৭ ভাৰতৰ শত্ৰু মাছুদৰ গ্ৰেপ্তাৰ বিচাৰিলে পাকিস্তানে
১৫ আজিৰে পৰা গুৱাহাটীত খেলো ইণ্ডিয়া বক্সিং
৪ দুদিন অগা-পিছাকৈ ইউনাইটেড কিংডমৰ ৰাষ্ট্ৰ প্ৰধান আৰু চৰকাৰৰ মুৰব্বীৰ নতুন মুখ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৩৬ তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২৯ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৫ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 15 September 2022 মূল্য ঃ ৯.০০ টকা

**বিধানসভাৰ অম্ল মধুৰ**

## মই নোট কৰি আছো ঃ কথাৰ মাজতে মন্ত্ৰী

**পঞ্চায়তীৰাজ** ব্যৱস্থাৰ ওপৰত শাসকীয় বিধায়ক ৰূপেশ গোৱালাই বক্তব্য প্ৰদান কৰি আছে। তেনেতে কংগ্ৰেছ বিধায়িকা নন্দিতা দাসৰ চকুত পৰিল যে সদনত উপস্থিত নাই বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। লগে লগে তেওঁ অধ্যক্ষৰ আসনত থকা ধিঙৰ বিধায়ক আমিনুল ইছলামক ক'লে, 'ছাৰ, সদনত বিভাগীয় মন্ত্ৰী উপস্থিত নাই।' তেতিয়া অধ্যক্ষৰ আসনৰ পৰাই ইছলামে ক'লে, 'কোনোবা মন্ত্ৰীক দায়িত্ব দি গৈছে নেকি? অন্য কোনো আঠ পৃষ্ঠাত চাওক

## পীযুষ-অখিলে প'জ দিব, ফটো তুলিব বিধায়কে

**সদনত** পঞ্চায়তীৰাজ ব্যৱস্থাৰ ওপৰত বক্তব্য প্ৰদান কৰিবলৈ গৈ জবকাৰ্ড হিতাধিকাৰীসকলে দুঘণ্টাহে কাম কৰা বুলি উল্লেখ কৰে বিধায়ক অখিল গগৈয়ে। এই মন্তব্যত গৰজি উঠিল সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকা। 'বিধায়ক গগৈয়ে জবকাৰ্ডধাৰীসকলক অপমান কৰিছে, এই মন্তব্য উঠাই ল'ব লাগে।' দুয়োৰে মাজতে তীব্ৰ বাক-বিতণ্ডা। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বুজনি দিছে যদিও দুয়োৰে বাক্-বিতণ্ডাত উত্তপ্ত সদন। আঠ পৃষ্ঠাত চাওক



*শৰতৰ আগমনৰ বতৰা দিলে কহুৱাই, ঢকুৱাখনাত বুধবাৰে।*

■ ঐতিহাসিক আখ্যা দি কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন ■ তালিকাত নাম নাই অসমৰ ছয় জনগোষ্ঠীৰ ■ চত্তিছগড়-হিমাচল প্ৰদেশ-কৰ্ণাটক-তামিলনাডু-উত্তৰ প্ৰদেশৰ দাবীক বিবেচনা

## পাঁচ ৰাজ্যৰ জনগোষ্ঠীক জনজাতিকৰণ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে আজি চত্তিছগড়, হিমাচল প্ৰদেশ, কৰ্ণাটক, তামিলনাডু আৰু উত্তৰ প্ৰদেশৰ কে'বাটাও জনগোষ্ঠীক অনুসূচিত জনজাতিৰ শ্ৰেণীভুক্ত কৰিবলৈ প্ৰস্তাৱত অনুমোদন জনায়। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী অৰ্জুন মুণ্ডাই দিল্লীত এক সংবাদমেলত সদৰী কৰা অনুসৰি, দীৰ্ঘদিন ধৰি বিবেচনা হৈ থকা উল্লেখিত পাঁচখন ৰাজ্যৰ বিভিন্ন জনজাতি সম্পৰ্কিত বিষয়ত আজি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। তামিলনাডুত কেন্দ্ৰীয় কেবিনেটে কুৰিবিক্কাৰন আৰু নাৰিকৰাৱণ সম্প্ৰদায়ক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্তিকৰণৰ বাবে কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা মন্ত্ৰণালয়ৰ প্ৰস্তাৱত অনুমোদন জনায়। আনহাতে, কৰ্ণাটকত কেন্দ্ৰীয় কেবিনেটে বেটা-কুৰবা সম্প্ৰদায়ক জনজাতিৰ মৰ্যাদা দিয়ে। একেদৰে চত্তিছগড়ৰ ১২ টা সম্প্ৰদায়ক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা হয়। অনুসূচিত জনজাতি নিৰ্দেশ, ১৯৫০ৰ সংশোধনী বিধেয়ক সংসদত উত্থাপন কৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সিদ্ধান্তসমূহে সংশ্লিষ্ট সম্প্ৰদায়সমূহৰ দীৰ্ঘদিনীয়া দাবীক ন্যায় প্ৰদান কৰি নতুন আশাৰ ৰেঙনি আনিলে বুলি কোৱা হৈছে। মন্ত্ৰী মুণ্ডাই কয় যে সংবিধান (অনুসূচিত জনজাতি) আঠ পৃষ্ঠাত চাওক

■ দিল্লী-দিছপুৰৰ বঞ্চনাৰ বিৰুদ্ধে গৰজি উঠিল ছয় জনগোষ্ঠী ■ ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কেৱল আভুৱা ■ বিজেপি চৰকাৰৰ বিৰুদ্ধে শীঘ্ৰেই ৰাজ্যজুৰি কঠোৰ আন্দোলনৰ ঘোষণা

# দিল্লীৰে যোগাযোগেই কৰা নাই দিছপুৰে

**স্তব্ধ আহোম-মৰাণ-মটক-চুতীয়া-কোচ ৰাজবংশী-চাহ জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত কেন্দ্ৰীয় চৰকাৰৰ স'তে যোগাযোগ কাৰ্যতঃ বন্ধ কৰিছে অসম চৰকাৰে। আহোম, মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে ২০১৯ তে ৰাজ্য চৰকাৰে গঠন কৰা মন্ত্ৰীগোটেও আজিলৈকে যুগুতাব পৰা নাই জনজাতিকৰণৰ প্ৰস্তাৱ সম্বলিত প্ৰতিবেদন। অসম বিধানসভাত আজি ৰাজ্য চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোক লৈ অনীহা প্ৰকাশ কৰাৰ দিনটোতে কেন্দ্ৰীয় চৰকাৰে পাঁচখনকৈ ৰাজ্যৰ কে'বাটাও জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে দেশৰ কে'বাখনো ৰাজ্যৰ বহুকেইটা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে জনোৱা অনুমোদনৰ তালিকাত অন্তৰ্ভুক্ত নহ'ল অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী। স্বাভাৱিকতে ছয় জনগোষ্ঠীক বঞ্চিত কৰাৰ বিষয়টোক লৈ আজি ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ৰাজ্যৰ বিজেপি চৰকাৰখনৰ বিৰুদ্ধে আজি গৰজি উঠিছে ছয় জনগোষ্ঠীয় সংগঠনৰ নেতৃত্ব। উল্লেখ্য যে প্ৰতিটো নিৰ্বাচনৰ পূৰ্বে সজীৱ হোৱা ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোক লৈ ক্ৰমাৎ গা এৰা দিছে ৰাজ্য চৰকাৰে। এক কথাত সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিছে আহোম, মৰাণ, মটক, চুতীয়া, ১০ পৃষ্ঠাত চাওক



*জনজাতিকৰণৰ দাবীত চুতীয়া সংগঠনৰ অৱস্থান ধৰ্মঘট, চচলত বুধবাৰে।*

**বিৰোধীৰ সমালোচনাৰ বলি হৈ অধ্যক্ষই ক'লে**

## ইয়াত ময়েই একমাত্ৰ কোৱালিফাইড টিচাৰ ঃ দাবী দৈমাৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** 'সদনত ময়েই একমাত্ৰ কোৱালিফাইড টিচাৰ। মই নিশিকালে মেট্ৰিক ফেইল কৰাৰ দৰে আপোনালোকেও ফেইল কৰিব।' বিৰোধী কংগ্ৰেছৰ বিধায়ক এজনক সতৰ্ক বাণী শুনাবলৈ গৈ ক্ষুৰধাৰ সমালোচনাৰ বলি হৈ আজি সদনত নিজকে ১০ পৃষ্ঠাত চাওক

■ ৪০,২৮৭ প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত ৮১৮২ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫ জনতকৈ কম ■ চৰকাৰী বিদ্যালয়ত বৃদ্ধি শিক্ষাৰ্থী

## বন্ধ-একত্ৰীকৰণৰ দিশে ৰাজ্যৰ আঠ সহস্ৰাধিক প্ৰাথমিক বিদ্যালয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱা হেতুকে স্থায়ীভাৱে বন্ধ, একত্ৰীকৰণ অথবা চামিলকৰণৰ দিশে অগ্ৰসৰ হৈছে ৰাজ্যৰ ৮১৮২ খন প্ৰাথমিক বিদ্যালয়। উল্লেখ্য যে ৰাজ্যৰ ভিন্ন জিলাত অৱস্থিত এই ৮১৮২ খন প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫ জনতকৈ কম। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে ইতিপূৰ্বে প্ৰতিখন জিলাৰে প্ৰাথমিক শিক্ষা বিষয়ালৈ সৰ্বনিম্ন ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছিল। শিক্ষা বিভাগৰ পূৰ্বৰ নিৰ্দেশনাত স্পষ্ট উল্লেখ আছিল যে ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা প্ৰাথমিক বিদ্যালয় হয় বন্ধ কৰি দিব লাগে অথবা নিকটৱৰ্তী অঞ্চলত থকা আন বিদ্যালয়ৰ স'তে একত্ৰীকৰণ বা চামিল কৰিব লাগে। সেই সূত্ৰেই ৰাজ্যখনত ২৫ জনতকৈ কম ১০ পৃষ্ঠাত চাওক

## এক-দুঘণ্টাহে কাম কৰে জবকাৰ্ড হিতাধিকাৰীয়ে

### বিধায়কৰ বক্তব্যক লৈ উত্তপ্ত বিধানসভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰিপূৰক মঞ্জুৰি কৰ্তনৰ বাবে বিৰোধীয়ে অনা প্ৰস্তাৱত আজি বিধানসভাত হোৱা আলোচনাত অংশগ্ৰহণ কৰি বিধায়ক অখিল গগৈয়ে জবকাৰ্ড হিতাধিকাৰীসকলে এঘণ্টা-দুঘণ্টা ১০ পৃষ্ঠাত চাওক

■ পাঁচ মিনিটত প্ৰশ্নোত্তৰ ■ অধ্যক্ষ দৈমাৰীৰ আঁকোৰ-গোঁজ স্থিতিক লৈ বিধানসভাত পুনৰ হুলস্থূল ■ সদন ত্যাগ কৰিলে ক্ষুব্ধ কংগ্ৰেছে

## মাৰ্শ্বালে টানি-আঁজুৰি সদনৰ পৰা উলিয়াই দিলে নিলম্বিত অখিলক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** প্ৰশ্নোত্তৰ কালছোৱাত পৰিপূৰক প্ৰশ্ন উত্থাপন কৰিব নিদিয়াৰ প্ৰসংগত আজি ক্ৰমাগতভাৱে দ্বিতীয় দিনাও বিৰোধীৰ প্ৰতিবাদত উত্তাল হ'ল বিধানসভাৰ মজিয়া। পৰিস্থিতি এনে পৰ্যায়ত উপনীত হয় যে এফালে বিধানসভাৰ অধ্যক্ষৰ আঁকোৰ-গোঁজ স্থিতি আৰু আনফালে বিৰোধী কংগ্ৰেছেও নিজৰ দাবীত অটল থকাক লৈ বহু সময় ধৰি অচল হৈ পৰে



বিধানসভাৰ কাম-কাজ। মূৰকত দ্বিতীয়দিনাও সদন ত্যাগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছে। ইফালে, নিৰ্দলীয় বিধায়ক অখিল গগৈয়েও আৰম্ভণিৰে পৰাই পৰিপূৰক প্ৰশ্ন উত্থাপনৰ সুযোগ দিয়াৰ দাবীত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাত প্ৰশ্নোত্তৰ কালছোৱাৰ বাবে গগৈক সদনৰ পৰা নিলম্বন কৰা হয়। তিনিজনকৈ মাৰ্শ্বালে টানি-আঁজুৰি সদনৰ মজিয়াৰ পৰা বাহিৰ কৰি দিয়ে বিধায়ক গগৈক। বিধানসভাৰ কাৰ্য ১০ পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত পুনৰ ডাইনী সন্দেহত বৃদ্ধক আক্ৰমণ

### জীৱন ৰক্ষাৰ্থে থানাত আশ্ৰয়, গাঁওবুঢ়া ধৃত

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ প্ৰত্যন্ত অঞ্চলৰ এখন গাঁৱত পুনৰ এক ডাইনী কাণ্ডই জোকাৰি গৈছে। গোসাঁইগাঁৱৰ ভিতৰুৱা অঞ্চল বল্লমঝোৰা গাঁৱত এজন বৃদ্ধক ডাইনী অপবাদ দি উদণ্ড যুৱকৰ এটি দলে শাৰীৰিক নিৰ্যাতন চলোৱাই আক্ৰমণ কৰে। অৱশেষত জীৱন ৰক্ষাৰ্থে গোসাঁইগাঁও আৰক্ষী থানাত আহি আশ্ৰয় গ্ৰহণ কৰে ভুক্তভোগী ৰবিৰাম নাৰ্জাৰীয়ে। গোসাঁইগাঁও মহকুমাৰ অধীনস্থ শিঙিমাৰী গাঁৱৰ নিকটৱৰ্তী বল্লমঝোৰা গাঁৱত পৰহি এই ঘটনা ১০ পৃষ্ঠাত চাওক

## নাতিয়েকৰ সৎকাৰ কৰি নৈত সলিল সমাধি ককাকৰ

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁৱৰ মিকিৰগাঁও লাঠৈবড়ীত নাতিয়েকৰ সৎকাৰ কৰি সোণাই নৈত গা ধুবলৈ গৈ এজন লোকৰ সলিল সমাধি ঘটে। আজি অঞ্চলটোৰ ১০ পৃষ্ঠাত চাওক

সমাজবাদ নামানো ■ বিধানসভাত মুখ্যমন্ত্ৰীৰ ভাষ্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়া চিপিআইএমৰ

## ভাৰতৰ সংবিধানেই নহয়, বিজেপিৰ সংবিধানো উলংঘা কৰিছে হিমন্ত বিশ্বই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** সমাজবাদক বিশ্বাস নকৰে বুলি কৈ ভাৰতৰ সংবিধানকে অৱমাননা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই অভিযোগ চি পি আই (এম)ৰ অসম ৰাজ্যিক সমিতিৰ। অসম বিধানসভাত যোৱা সোমবাৰে মুখ্যমন্ত্ৰীয়ে বিৰোধী বিধায়ক অখিল গগৈক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে সমাজবাদ, লেলিনবাদক বিশ্বাস নকৰে বুলি ঘোষণা কৰিছিল। সমাজবাদত বিশ্বাস নথকা বাবেই ৰাজ্যৰ বিজেপি চৰকাৰখনে উদ্যোগ খণ্ডৰ বিকাশৰ বাবে নতুনকৈ কোনো চৰকাৰী উদ্যোগ স্থাপন নকৰে বুলিও বিৰোধীক প্ৰত্যুত্তৰ দিছিল। মুখ্যমন্ত্ৰীৰ এই ১০ পৃষ্ঠাত চাওক

## জনজাতিকৰণৰ দাবীত চুতীয়া সন্মিলনীৰ অৱস্থান ধৰ্মঘট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** জন্মস্বত্ব প্ৰাপ্য অধিকাৰ জনজাতিকৰণ আৰু স্বায়ত্তশাসন বিচাৰি আজি চুতীয়া জনগোষ্ঠীৰ কে'বাটাও সংগঠনৰ প্ৰতিবাদত উত্তাল হৈ পৰে চচলৰ ধৰ্ণস্থলী। সদৌ চুতীয়া জাতি সন্মিলন, চুতীয়া জাতি যুৱ সন্মিলন আৰু চুতীয়া ১০ পৃষ্ঠাত চাওক

কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয় উদ্বোধন ■ ২০১৬ৰ ভিতৰত ৰাজ্যত ১৬খন মেডিকেল কলেজ গঢ় লৈ উঠিব ঃ মুখ্যমন্ত্ৰী

## প্ৰতিজন নাগৰিকৰ বাবে আধুনিক স্বাস্থ্যসেৱা উপলব্ধ কৰিছে চৰকাৰে

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৪ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ জখলাবন্ধাত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়খন উদ্বোধন কৰে। ১৬.২৫ কোটি টকা ব্যয়ৰে নিৰ্মিত এই অত্যাধুনিক চিকিৎসালয়খন চিকিৎসা বিজ্ঞানৰ শেহতীয়া প্ৰযুক্তিৰে সু-সজ্জিত। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ১০ পৃষ্ঠাত চাওক





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৪° |
| ডিব্ৰুগড় | ৩১° | ২৪° |
| দিল্লী | ৩২° | ২৫° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২৩° | ১৮° |

*১৪ ছেপ্টেম্বৰ, ২০২২*

**চেঙা তেল**



*তেওঁ আমাৰ সন্মুখতে এনে গৰম ভাষণ দিয়ে নে বাহিৰতো দিয়েবা!*



■ সোঁৱে-বাঁৱে ধন সংগ্ৰহ কৰি সম্পত্তিৰ পাহাৰ ■ বৈদ্যুতিন মাধ্যমৰ সাংবাদিকো গ্ৰেপ্তাৰ সন্ধান নাই দুজনৰ

## ঠিকাভিত্তিক নিযুক্তিৰ নামত কোটি কোটি সংগ্ৰহ প্ৰৱঞ্চক চক্ৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যত ঠিকাভিত্তিক চাকৰিৰ নামত চলি থকা বৃহৎ দালাল চক্ৰৰ তৎপৰতাৰ ইখনৰ পাছত সিখন দুৱাৰ খোল খাইছে। সমান্তৰালভাৱে ইয়াৰ বিস্তাৰিত ৰূপো ক্ৰমে পোহৰলৈ আহিছে। এই চক্ৰৰ কবলত পৰি সৰ্বস্ব হেৰুৱাইছে বহু লোকে। বিশেষকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহু নিবনুৱা যুৱক-যুৱতীয়ে একমাত্ৰ চৰকাৰী চাকৰিৰ আশাত বন্দী হৈ দালাল চক্ৰৰ জৰিয়তে ১০ পৃষ্ঠাত চাওক

## প্ৰধানমন্ত্ৰীৰ আৱাস লাভ কৰা ২৩ হেজাৰ পৰিয়ালক ভূমি প্ৰদান চৰকাৰৰ

### বাগিচাৰ মাটিতে নিৰ্মাণ হ'ব শ্ৰমিকৰ ঘৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ পাহাৰ-ভৈয়াম, বিটিআৰ, চৰ অঞ্চল, চাহ বাগিচা য'তেই নহওক কিয় দৰিদ্ৰ জনতাৰ বাবে চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণ কৰিব। আজি বিধানসভাত এইদৰে কয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। বিশেষকৈ চাহ বাগিচাত যদি সংশ্লিষ্ট কোনো মালিক বা পৰিচালকে ঘৰ নিৰ্মাণ কৰিব নিদিয়ে, ছয় পৃষ্ঠাত চাওক

■ ছমৰীয়াৰ পুঠিমাৰী-শালমাৰা আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ত অঘটন

## মধ্যাহ্ন ভোজনৰ খাদ্যত বিষক্ৰিয়া হৈ হঠাৎ অসুস্থ ৩১ গৰাকীকৈ ছাত্ৰ-ছাত্ৰী

**অগ্ৰদূত বাৰ্তা**
**বকো/ সোণতলী, ১৪ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ এখন বিদ্যালয়ত আজি মধ্যাহ্ন ভোজন গ্ৰহণৰ পাছতে ৩১ গৰাকী ছাত্ৰ-ছাত্ৰী অসুস্থ হৈ পৰাত বিদ্যালয়খনত হুৱা দুৱা লাগে। পুঠিমাৰী-শালমাৰা আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ত দাইল, কণী, আলু আদিৰে আহাৰ প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰা হয়। আজি প্ৰায় ২৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়খনত ৰান্ধনীয়ে মধ্যাহ্ন ভোজনৰ বাবে খাদ্য প্ৰস্তুত কৰে। এই আহাৰ গ্ৰহণৰ পাছতে বহু ছাত্ৰ-ছাত্ৰীৰে মূৰৰ বিষ, পেটৰ ১০ পৃষ্ঠাত চাওক



প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈকে থাকিব ■ কলা-বিজ্ঞান-বাণিজ্য শাখাসহ কলেজ

## সকলো বিদ্যালয় থাকিব একেটা চৌহদতে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** এফালৰ পৰা বিদ্যালয় বন্ধ, একত্ৰীকৰণ আদিৰ সমান্তৰালকৈ এইবাৰ ৰাজ্য চৰকাৰে শিক্ষা খণ্ডত 'স্কুল কেম্পাছ' আৰু 'কলেজ কেম্পাছ' খুলিবলৈ সিদ্ধান্ত লৈছে। ৰাজ্য চৰকাৰৰ নতুন পৰিকল্পনা অনুসৰি, প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি এম ই, হাইস্কুল, উচ্চতৰ মাধ্যমিক বিদ্যালয়ক একেটা চৌহদতে স্থাপন কৰা হ'ব। লগতে থাকিব ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেলৰ সুবিধাও। ইয়াৰ ফলত এটা চৌহদত থাকিয়ে কোনো ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক পৰ্যায়ৰ পৰা মাধ্যমিক পৰ্যায়লৈ অধ্যয়নৰ সুযোগ পাব। আকৌ মহাবিদ্যালয় চৌহদতো উচ্চতৰ মাধ্যমিক খণ্ডৰ পৰা আৰম্ভ কৰি স্নাতক পৰ্যায়লৈকে কলা, বিজ্ঞান, বাণিজ্য সকলো শাখাৰে পাঠদানৰ সুযোগ থাকিব। লগতে থাকিব হোষ্টেলো। একেটা চৌহদত থাকিয়ে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পছন্দৰ পাঠ্যক্ৰম অধ্যয়নৰ সুযোগ পাব। ৰাজ্য চৰকাৰৰ প্ৰস্তাৱিত স্কুল কেম্পাছ আৰু কলেজ কেম্পাছৰ এই ধাৰণাৰ বিষয়ে আজি ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৫ ছেপ্টেম্বৰ, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

**নামৰূপত কংগ্ৰেছ আৰু আছুৰ পৃথক পৃথক প্ৰতিবাদ**

## বিজেপি চৰকাৰৰ চৰম প্ৰতাৰণাৰ বলি হৈছে নামৰূপ সাৰ কাৰখানা

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ১৪ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰে নিৰ্বিনিয়োজন নীতিৰ আধাৰত ৰাজহুৱা খণ্ডৰ উদ্যোগ ব্যক্তিগত খণ্ডক গতাই দিয়াৰ আওতাত নামৰূপস্থ উত্তৰ-পূবৰ একমাত্ৰ সাৰ কাৰখানা ব্ৰহ্মপুত্ৰ ভেলি ফাৰ্টিলাইজাৰ ক'ৰ্পৰেছন লিমিটেড অৰ্থাৎ নামৰূপ সাৰ *ছয় পৃষ্ঠাত চাওক*



**তামাৰহাটৰ উজানপেটলা গাঁৱৰ কাহিনী**

## মৃতদেহৰ অন্তিম সংকাৰৰ মাজেৰে দাঙি ধৰিলে মানৱতাৰ নিদৰ্শন

অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ১৪ ছেপ্টেম্বৰ ঃ** যি সময়ত ৰাজ্যত ব্ৰাহ্মণ আৰু কোচ ৰাজবংশী লোকৰ মৃতদেহ সংকাৰক কেন্দ্ৰ কৰি ব্ৰাহ্মণ আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকৰ মাজত চৰম মতনৈক্য চলি আছে তেনে সময়তে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত উজানপেটলা গাঁৱত আজি এগৰাকী ব্ৰাহ্মণ লোকৰ মৃতদেহ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকে হিন্দু ধৰ্মীয় পৰম্পৰা মতে সংকাৰ কৰি মানৱতাৰ নিদৰ্শন দাঙি ধৰিছে। ঘটনাৰ বিৱৰণি মতে, ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত উজানপেটলা গাঁৱৰ বাসিন্দা ৰোহিনী কান্ত দেৱ শৰ্মা নামৰ ব্যক্তিগৰাকী বহু দিন ধৰি বেমাৰত ভুগি থকাৰ অন্তত আজি নিজ ঘৰতে শেষ নিশ্বাস ত্যাগ কৰে । অঞ্চলটোৰ মানুহৰ ঘৰত পূজা-পাৰ্বণ কৰি সহজ সৰলভাৱে জীৱন নিৰ্বাহ কৰা ব্ৰাহ্মণগৰাকীৰ নিজা গাঁওখনত নিজৰ কোনো আত্মীয়-স্বজন নাইবা আন কোনো ব্ৰাহ্মণ পৰিয়াল নাই। ফলত ব্ৰাহ্মণগৰাকীৰ মৃত্যু হোৱাত গাঁওখনৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে হিন্দু ধৰ্মীয় নীতি অনুসৰি ব্ৰাহ্মণগৰাকীৰ মৃতদেহ স্থানীয় শ্মশান ঘাটলৈ নি অন্তিম সংকাৰ সম্পন্ন কৰে।

**অসমৰ মাটি অৰুণাচলীক গতাই দিব খোজা অসম চৰকাৰৰ চক্ৰান্তৰ বিৰুদ্ধে সৰৱ ৰাইজ**

# গোগামুখত কৃষক মুক্তিৰ প্ৰতিবাদ

**ধেমাজি, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ মাটি অৰুণাচলীক গতাই দিব খোজা চক্ৰান্তৰ বিৰুদ্ধে গণ আন্দোলন কৃষক মুক্তি সংগ্ৰাম সমিতিৰ। আজি গোগামুখ আঞ্চলিক আৰু বৰদলনি আঞ্চলিক সমিতিৰ উদ্যোগত গোগামুখ ৰাজপথেৰে সমদল উলিয়াই গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। 'অসমৰ মাটি অৰুণাচলীক কোনোপধ্যে এৰি দিয়া নহ'ব, অৰুণাচলীৰ আগ্ৰাসন ৰোধ কৰক, অৰুণাচলী চৰকাৰ হুচিয়াৰ, অসম চৰকাৰৰ কাম নাই, ৰণোজ পেগু বিক্ৰী গ'ল' আদি ধ্বনিৰে আকাশ-বতাহ উত্তাল কৰি তোলে ৰাজহ চক্ৰ কাৰ্যালয়। উল্লেখ্য যে ইতিমধ্যে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ধেমাজিত অসম-অৰুণাচল সীমান্ত পৰিদৰ্শন কৰিবলৈ অহাৰ সময়তে দুখন ৰাজ্যৰ জনতাৰ মাজত তয়াময়া ৰণ হৈছিল সীমা সমস্যাক লৈ। এই ক্ষেত্ৰত অসমৰ জনতাক আওকাণ কৰি চলে-বলে কৌশলে অসমৰ মাটি অৰুণাচলীক গতাই দিব খোজা অভিসন্ধিৰ বিৰুদ্ধে সৰৱ হৈ উঠে কৃষক মুক্ত সংগ্ৰাম সমিতিয়ে। শ শ জনতাই গণ আন্দোলনত ভাগ লোৱা দেখা যায় প্ৰতিবাদৰ সময়ত। মন কৰিবলগীয়া যে দিনৰ ১১ বজাৰ পৰা আৰম্ভ হোৱা গণ আন্দোলনত ছঘন্টা ধৰি প্ৰতিবাদ অব্যাহত ৰাখে। আন্দোলনকাৰীৰ দাবী আৰু ভাষ্য মানি নোলোৱাৰ অভিযোগত গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ সন্মুখতে বহি *ছয় পৃষ্ঠাত চাওক*

**তেজপুৰত তৃতীয় লিংগৰ সজাগতা কাৰ্যসূচী**

## মোৰ পৰিচয় মোৰ অধিকাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে দেশৰ উত্তৰ-পূৰ্বাঞ্চল তথা ৰাজ্যতো তৃতীয় লিংগৰ লোকসকলক সমাজত হেয় জ্ঞান কৰি থকাৰ সময়তে বৰ্তমান এই তৃতীয় লিংগৰ লোকসকলে বিভিন্ন গঠনমূলক চিন্তাৰে কামত লিপ্ত হৈ স্বাৱলম্বী হোৱা দেখা গৈছে। এই বিষয়ে সাথী আৰু আমানা নামৰ বেচৰকাৰী সংস্থাই তৃতীয় লিংগৰ লোকসকলৰ সমস্যা সমাধানৰ বাবে তেজপুৰত 'মোৰ পৰিচয় মোৰ অধিকাৰ', নামেৰে এক কাৰ্যসূচী *ছয় পৃষ্ঠাত চাওক*

## লক্ষীপুৰত বন্যহস্তীৰ উপদ্ৰৱত বহু কৃষকৰ ধান খেতি বিনষ্ট ঃ হুমুনিয়াহ ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** গোৱালপাৰাৰ লক্ষীপুৰত অব্যাহত আছে বন্যহস্তীৰ উপদ্ৰৱ। এপযেক ধৰি বনৰীয়া হাতীজাকে ধাননি খেতিত চলাইছে তাণ্ডৱ। দিনে-নিশাই ধাননি পথাৰত নামি লহপহীয়াকৈ বাঢ়ি অহা উন্নতজাতৰ শালি ধান খেতি খাই তহিলং কৰিছে হাতীজাকে। বিশেষকৈ লক্ষীপুৰ বনাঞ্চলৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ ধান খেতিত প্ৰতিনিয়ত *ছয় পৃষ্ঠাত*



## জেহাদীৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান চলি থাকিব ঃ জিপি সিং

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৪ ছেপ্টেম্বৰ ঃ** জেহাদী কাৰ্যকলাপ নাশ কৰা সন্দৰ্ভত আজি গোৱালপাৰাত উপস্থিত হৈ অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ বিশেষ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে জিলাৰ আৰক্ষী অধীক্ষকৰ লগতে জেহাদী সম্পৰ্কে ৰুজু হোৱা গোচৰৰ তদন্তকাৰী বিষয়াসকলৰ স'তে এক আলোচনাত মিলিত হয়। আৰক্ষী সঞ্চালক প্ৰধানজনে প্ৰথমে দুধনৈ থানাত উপস্থিত হৈ জেহাদী সম্পৰ্কে ৰুজু হোৱা গোচৰৰ সবিশেষ আলোচনা কৰি কিদৰে গোচৰসমূহ আগুৱাই লৈ যাব লাগিব সেই সম্পৰ্কে পৰামৰ্শ দিয়ে। পাছত তেওঁ গোৱালপাৰাত উপস্থিত হৈ আৰক্ষী অধীক্ষকৰ স'তে আলোচনাত মিলিত হয়। পাছত তেওঁ সংবাদ মাধ্যমৰ আগত কয় যে জেহাদী সম্পৰ্কে অসম আৰক্ষীয়ে যেতিয়ালৈকে খবৰ আৰু তথ্য পাই থাকিব তেতিয়ালৈকে অভিযানো অব্যাহত থাকিব। গোৱালপাৰাত ধৰা পৰা জেহাদীসকলৰ পৰিকল্পনা আৰু ৰাজ্যৰ আন প্ৰান্তত ধৰা পৰা জেহাদীসকলৰ পৰিকল্পনাৰ মিল আছে নে নাই সেই সম্পৰ্কে অসম আৰক্ষীৰ তদন্ত অব্যাহত আছে বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে, ৰাজ্যত ইতিমধ্যে চাকৰিৰ প্ৰলোভন দি গ্ৰেপ্তাৰ হোৱা লোকসকল দালাল নহয়, তেওঁলোকক প্ৰৱঞ্চক বুলি আখ্যা দিয়ে আৰক্ষী বিষয়াজনে। তেওঁ কয় যে ইতিমধ্যে চাকৰি দিয়াৰ নামত প্ৰৱঞ্চনা কৰা সাতজন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু গ্ৰেপ্তাৰ হোৱা প্ৰৱঞ্চকসকলে ক'ত ক'ত কেনেদৰে প্ৰৱঞ্চনাৰ জাল মেলিছে এই সম্পৰ্কত আৰক্ষীৰ তীব্ৰ তদন্ত প্ৰক্ৰিয়া চলি আছে। তেনে কাৰ্যৰ স'তে জড়িত থকা কোনো লোকক ৰেহাই দিয়া নহ'ব বুলি তেওঁ মন্তব্য কৰে।

## ৰজাদিনীয়া পুখুৰী, ৰাজহুৱা পুখুৰী সংৰক্ষণ তথা সৌন্দৰ্যবৰ্ধন সময়ৰ দাবী



**বিমান শইকীয়া**

**মেলামাটি, ১৪ ছেপ্টেম্বৰ ঃ** সম্প্ৰতি সমগ্ৰ বিশ্বতে পানীৰ সমস্যাই দেশ তথা জনগণক ভাৰাক্ৰান্ত কৰিছে। এহাতেদি পানীৰ অভাৱত ৰাইজৰ হাহাকাৰ আৰু আনহাতেদি প্ৰবল বানপানীৰ সমস্যাই জনসাধাৰণক হাৰাশাস্তি কৰিছে। তাৰ মাজতে বিশুদ্ধ খোৱাপানীৰ অভাৱত জনজীৱনত তৃষ্ণা দূৰ কৰিবলগীয়া হৈছে দূষিত আৰু বীজাণুযুক্ত পানী সেৱন কৰি। আটাইতকৈ ভয়ানক সমস্যাৰ সৃষ্টি হৈছে পানীত অত্যধিক পৰিমাণে থকা আৰ্চেনিক, আইৰন, ফ্লৰাইড আদি মানুহৰ *ছয় পৃষ্ঠাত চাওক*

**অসম-অৰুণাচল সীমা সমস্যা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ স্থিতিক লৈও সমালোচনা**

## লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ক পুতলা চিকিৎসা মহাবিদ্যালয় আখ্যা লুৰিণৰ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** 'লখিমপুৰ চিকিৎসা মহাবিদ্যালয় জিলাখনৰ প্ৰয়োজন সাপেক্ষে যেনেদৰে গঢ় লৈ উঠিব লাগিছিল তেনেদৰে কোনো ধৰণৰ জিলাবাসীৰ অভাৱ দূৰ কৰিব সাধাৰণভাৱে প্ৰয়োজনীয় অভাৱসমূহকে পূৰ্ণ কৰাত চৰম ব্যৰ্থতাৰহে *ছয় পৃষ্ঠাত চাওক*




## বৰপথাৰ আৰক্ষী থানাৰ পৰাই নোহোৱা হ'ল জব্দকৃত গাড়ীৰ সামগ্ৰী ঃ বিপাঙত গাড়ীৰ গৰাকী

অগ্ৰদূত বাৰ্তা

**বৰপথাৰ, ১৪ ছেপ্টেম্বৰ ঃ** পৰিবহণ বিভাগে জব্দ কৰা এখন গাড়ীৰ পৰা গাড়ীখনৰ বহুকেইপদ সামগ্ৰী অন্তৰ্ধান হোৱাৰ এক ঘটনা পোহৰলৈ আহিছে। প্ৰাপ্ত খবৰ অনুসৰি গোলাঘাট জিলাৰ পৰিবহণ বিভাগে চলিত বৰ্ষৰ ২৬ আগষ্টত কাগজ-পত্ৰ নবীকৰণৰ ম্যাদ উকলি যোৱাৰ বাবে ধনশিৰি মহকুমাৰ নাওজানৰ এখন টাটা মেজিক জব্দ কৰিছিল। এ এছ-০৫ চি-৩৫৩০ নম্বৰৰ টাটা মেজিকখন জব্দ কৰি জিলা পৰিবহণ বিভাগে নাওজান বা সৰুপথাৰ আৰক্ষী থানাৰ পৰিৱৰ্তে কিন্তু ৰহস্যজনকভাৱে বৰপথাৰ আৰক্ষী থানালৈ লৈ আহে। ইয়াৰ পাছত গাড়ীখনৰ গৰাকী পৰিৰ্থ বৰাই ১৩ ছেপ্টেম্বৰত গোলাঘাট জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত গৈ ৭২ হেজাৰ ৬০ টকাৰ কৰ পৰিশোধ কৰে। পৰিবহণ বিভাগে কৰ পোৱাৰ পাছত গাড়ীখন বৰপথাৰ আৰক্ষী থানাৰ পৰা লৈ যাবলৈ কয় স্বত্বাধিকাৰীগৰাকীক। সিমানলৈকে সকলো ঠিকেই *ছয় পৃষ্ঠাত চাওক*

## হোজাইত পুখুৰীত সলিল সমাধি এজনৰ

অগ্ৰদূত বাৰ্তা

হোজাই, ১৪ ছেপ্টেম্বৰ ঃ আজি হোজাইৰ যোগীজান কছাৰীবস্তিত সংঘটিত হয় এক শোকাবহ ঘটনা। নিজ পুখুৰীত মাছ মাৰি থকা অৱস্থাত সংঘটিত হয় এই ঘটনা। পুখুৰীত মাছ মাৰি থাকোতে এজন লোকৰ সলিল সমাধি ঘটে। মৃত লোকজনৰ নাম বাবলু কেম্পৰাই। ঘটনাস্থলিত এছডিআৰএফ বাহিনীয়ে অভিযান চলায় পুখুৰীৰ পৰা উদ্ধাৰ কৰে বাবুল কেম্পৰাইৰ মৃতদেহ।

## মঙলদৈত ছশ টকা উৎকোচ লৈ সহকাৰী বিডিঅ' পৰিল আৰক্ষীৰ জালত



অগ্ৰদূত বাৰ্তা

মঙলদৈ, ১৪ ছেপ্টেম্বৰ ঃ উৎকোচ লোৱা অৱস্থাত এইবাৰ হাতে-লোটে আৰক্ষীৰ জালত পৰিল পূৱ মঙলদৈ উন্নয়ন খণ্ডৰ সহকাৰী বিডিঅ' সুজিত ঠাকুৰীয়া। দৰঙৰ ধূলা পঞ্চায়তৰো সচিবৰ দায়িত্বত থকা ঠাকুৰীয়াক আজি বিয়লি এটা আঁচনিৰ বাবদ বিল পৰিশোধৰ বিনিময়ত এজন লোকৰ পৰা উৎকোচ লোৱা অৱস্থাত গ্ৰেপ্তাৰ কৰে অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাই। ঠাকুৰীয়াৰ ঘৰ ছয়গাঁৱত। ঠাকুৰীয়াক পূৱ মঙলদৈ উন্নয়ন খণ্ডৰ কাৰ্যালয়ত জেৰাৰ লগতে কাৰ্যালয়ৰ নথি পত্ৰ পৰীক্ষা কৰি আছে আৰক্ষীৰ দলটোৱে।

**পূৰ্বৰ দৰে নাই আয়োজন কমিটীৰ প্ৰতিমাৰ অৰ্ডাৰ**

## জামুগুৰিহাটত দিনে নিশাই প্ৰতিমা নিৰ্মাণত ব্যস্ত মৃৎ শিল্পী



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৪ ছেপ্টেম্বৰ ঃ** শৰতৰ আগমনৰ লগে লগেই ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে জামুগুৰিহাটতো ব্যস্ততা বাঢ়িছে মৃৎ শিল্পীসকলৰ। পূজাৰ বতৰত এতিয়া প্ৰতিমা নিৰ্মাণত ব্যস্ত মৃৎ শিল্পীসকল। বিগত দুটা বছৰৰ পাছত কভি'ড সৃষ্ট পৰিবেশৰ পৰা মুক্ত হৈ সমাগত বিশ্বকৰ্মা আৰু দুৰ্গোৎসৱৰ বাবে মৃৎ শিল্পীসকলে দহোবনকাটি কৰি প্ৰতিমা নিৰ্মাণত ব্যস্ত আছে যদিও পূৰ্বৰ দৰে কিন্তু পূজা কমিটীসমূহৰ পৰা প্ৰতিমাৰ অৰ্ডাৰ লাভ নকৰাত চিন্তিত হৈ পৰিছে মৃৎ শিল্পীসকল। জামুগুৰিহাটৰ 'মা মনসা' মৃৎ শিল্পালয়ৰ মৃৎ শিল্পী নিৰঞ্জন দাসে জানিবলৈ দিয়া মতে, বিগত সময়ত তেওঁলোকে প্ৰতিটো দুৰ্গোৎসৱতে ৪০-৫০ খন দুৰ্গা প্ৰতিমাৰ আগতীয়াকৈ অৰ্ডাৰ লাভ কৰে যদিও এইবেলি ১৫ খন দুৰ্গা প্ৰতিমাৰো এতিয়ালৈকে অৰ্ডাৰ লাভ কৰা নাই। হয়তো মূল্যবৃদ্ধিকে আদি কৰি বিভিন্ন কাৰকে পূজা আয়োজন কমিটীসমূহক প্ৰভাৱান্বিত কৰা বুলি তেওঁ মত ব্যক্ত কৰিছে। ইফালে *ছয় পৃষ্ঠাত চাওক*

## ডিগবৈত আটক হোৱা তিনি যুৱকৰে আলফা (স্বাঃ)ৰ নাই কোনো যোগসূত্ৰ

**ডিগবৈ, ১৪ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ বৰডুমচা, পেঙেৰী, ডিগবৈ থানাৰ আৰক্ষী আৰু ভাৰতীয় সেনাৰ যৌথ অভিযানত ১৩ ছেপ্টেম্বৰত আলফা (স্বাঃ)ৰ সদস্য ৰূপম অসমৰে স'তে যোগসূত্ৰ ৰক্ষা কৰি অহাৰ সন্দেহত আটক হোৱা তিনি যুৱকৰ সন্দৰ্ভত আলফা (স্বাঃ)ৰ তৰফৰ পৰা প্ৰেছ বিবৃতি প্ৰকাশ কৰে। আলফা (স্বাঃ)ৰ প্ৰচাৰ বিভাগৰ সদস্য কেপ্তেইন ৰুমেল অসম স্বাক্ষৰিত প্ৰেছ বিবৃতিত আটকাধীন তিনি যুৱক ক্ৰমে বৰডুমচা ৰতনি পথাৰ গাঁৱৰ নিবাসী দ্বীপেন মৰাণৰ পুত্ৰ হৰকান্ত মৰাণ (২৪), মিহলি ৰিতুপথাৰ গাঁৱৰ নিবাসী মুহিধৰ দহোটীয়াৰ পুত্ৰ কলিয়া দহোটীয়া (৩৬) আৰু বৰডুমচাৰ নিবাসী পুলিন ফুকনৰ পুত্ৰ দিপ্লৱ ফুকন (২৭)ৰে আলফা (স্বাঃ) ৰ কোনো যোগসূত্ৰ নাই বুলি স্পষ্ট ভাষাৰে প্ৰকাশ কৰে। প্ৰশাসনৰ তৰফৰ পৰা আলফা (স্বাঃ) সংগঠনৰ বিষয়া মেজৰ ৰূপম অসমৰ স'তে যোগাযোগ থকা বুলি প্ৰচাৰ চলোৱাটো সম্পূৰ্ণ ভিত্তিহীন বুলি বিবৃতিত প্ৰকাশ কৰে ।

## ডাম্পাৰে মহটিয়ালে এজনক

অগ্ৰদূত বাৰ্তা

দুমুনিচকী, ১৪ ছেপ্টেম্বৰ ঃ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত বেজেৰাত ভয়ংকৰ পথ দুৰ্ঘটনা। ডাম্পাৰে মহটিয়ালে এজন লোকক। বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত শালমাৰা নিবাসী কামাখ্যা শৰ্মা নামৰ লোকজনে আজি দিনৰ ভাগত নিজৰ চাইকেলখন লৈ বেজেৰাত বজাৰ কৰিবলৈ আহে। কিন্তু বজাৰ কৰি প্ৰায় ২-৩০ বজাত গৃহাভিমুখে ৰাওনা হোৱাৰ *ছয় পৃষ্ঠাত চাওক*

**পশ্চিম যোৰহাটৰ যুৱকে নিৰ্মাণ কৰিছে বিগ বাজেটৰ 'আভিত্য'**

## অসমৰ প্ৰথমখন ছুপাৰহিৰো চিনেমা মুক্তিৰ দিশত

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১৪ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ পৰা প্ৰথমবাৰৰ বাবে নিৰ্মাণ কৰা বিগ বাজেটৰ ছুপাৰহিৰো চিনেমা 'আভিত্য' এতিয়া মুক্তিৰ দিশত। অসমৰ ভিতৰতে প্ৰথমবাৰৰ বাবে নিৰ্মাণ হোৱা ছুপাৰহিৰো চিনেমাখনক লৈ আশাবাদী নিৰ্মাতা অৰিন্দম শৰ্মা। নিৰ্মাতাজনৰ স'তে হোৱা এক সাক্ষাৎকাৰত তেওঁ কাকতৰ সাংবাদিকক জনায় যে 'আভিত্য' প্ৰথম নিৰ্মাণ কৰিছে। মুম্বাইৰ ফিল্ম ইনষ্টিটিউটত ফিল্ম মেকিং বিষয়ত অধ্যয়নৰত অৱস্থাত থাকোতেই এখন চিনেমা নিৰ্মাণৰ সপোন দেখিছিল। ২০১৮ৰ পৰা এই চিনেমাখনৰ কাম-কাজ আৰম্ভ কৰিছিল। অৰিন্দম শৰ্মাই চিনেমাখনৰ কাহিনী, সংলাপৰ লগতে পৰিচালনাৰ লগতো জড়িত হৈ আছে। চিনেমাখনৰ সকলো দৃশ্যগ্ৰহণৰ কাম যোৰহাট জিলাতে হৈ উঠিছে। মানুহে *ছয় পৃষ্ঠাত চাওক*

## ধৰ্মপ্ৰাণা মহিলা চৰিফা বড়াৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰথম ডক্টৰেট ময়িদুল ইছলাম বড়াৰ ভতিজা বোৱাৰী তথা অৱসৰপ্ৰাপ্ত ডাক তাঁৰ বিভাগৰ মুৰব্বী বিষয়া মৰহুম জেহিদুৰ ৰহমান বড়াৰ পত্নী চৰিফা বড়া (৭৬)ৰ আজি পুৱা ৭-৩০ বজাত শিৱসাগৰ নগৰৰ ড° এম আই বড়া পথৰ নিজা বাসভৱনত মৃত্যু হয়। আমগুৰিৰ প্ৰখ্যাত কনজান হাজীৰ জীয়ৰী আৰু সুলেখিকা চায়েৰা ইছলাম বড়াৰ মাতৃ ধৰ্মপ্ৰাণা মহিলা চৰিফা বড়াৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। এই মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ সকলো দোকান-পোহাৰ স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে। অঞ্চলটোৰ সকলোৰে মাজত জনপ্ৰিয় বৰ্ষীয়ান মহিলাগৰাকী কিছুদিনৰ পূৰ্বে হৃদৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছিল। দুদিনৰ পূৰ্বে কিছু সুস্থ হৈ নিজৰ ঘৰলৈ উভতি অহাৰ পাছতেই আজি পুৱা আকস্মিকভাৱে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ আৰু তিনিগৰাকী জীয়ৰীৰ স'তে এটা বৃহৎ পৰিয়াল ইহ সংসাৰত এৰি যায়। আজি বিয়লি ৩-৩০ বজাত স্থানীয় দৰবাৰ কবৰস্থানত গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। চৰিফা বড়াৰ মৃত্যুত উজনি অসম মুছলিম কল্যাণ পৰিষদ, জেঙনিকটিয়া জুম্মা মছজিদ পৰিচালনা সমিতি, অৰুণোদয় সাহিত্য সভা, বৰ্ণালী সংঘ, ড° ময়িদুল ইছলাম বড়া স্মৃতি ৰক্ষা সমিতি, আমগুৰি জুম্মা মছজিদ পৰিচালনা সমিতি, সৃজনী শাখা সাহিত্য সভা, তৰুণ সংঘ ৰিডিং ক্লাব, বাঘ হাজৰিকা জাগৰণ মঞ্চ, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসমীয়া যুৱ মঞ্চ, খিলঞ্জীয়া মুছলমান সাহিত্য চৰ্চা মঞ্চকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

**নতুন চিন্তা আৰু সু-পৰিকল্পনাৰে সমাজখনক আগুৱাই নিবলৈ সংকল্পবদ্ধ-সম্পাদক প্ৰধান তুতুল বৰঠাকুৰ**

## মৰিগাঁৱত অসম ব্ৰাহ্মণ সমাজৰ যুটীয়া কাৰ্যকৰী সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** অসম ব্ৰাহ্মণ সমাজৰ ন-পুৰণি যুটীয়া কাৰ্যকৰী সভাখন এদিনীয়া কাৰ্যসূচীৰে আজি মৰিগাঁৱৰ পছতীয়াস্থিত শ্ৰীশ্ৰী বিষ্ণু মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হৈ যায়। আজি পুৱাৰ ভাগত পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে অসম ব্ৰাহ্মণ সমাজৰ বিদায়ী সভাপতি সুনীল কুমাৰ গোস্বামীয়ে। পতাকা উত্তোলন কাৰ্যসূচীৰ লগতে স্মৃতি তৰ্পণ কৰে মৰিগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি পোৱাল চন্দ্ৰ গোস্বামীয়ে। কাৰ্যসূচীত বিদায়ী ৰাজ্যিক সভাপতি সুনীল কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত যুটীয়া কাৰ্যকৰী সভাত ৰঙিয়াত যোৱা ২৩ আৰু ২৪ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত দশম দ্বি-বাৰ্ষিক অধিৱেশনত অসম ব্ৰাহ্মণ সমাজৰ নৱ-নিৰ্বাচিত সমিতিখনক আজি পুৰণা সমিতিয়ে দায়িত্বভাৰ অৰ্পণ কৰে। আজিৰ সভাত অসম ব্ৰাহ্মণ সমাজৰ সভাপতি হিচাপে অধ্যাপক খগেন গোস্বামী, কাৰ্যকৰী সভাপতি অমূল্য শৰ্মা আৰু *ছয় পৃষ্ঠাত চাওক*

## ছটা দাবী পূৰণেৰে টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিবাদ, বিক্ষোভ কাৰ্যসূচী টংলাৰ ৰাজপথত

**মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা লেই লেই-ছেই ছেই, প্ৰমোদ বড়ো লেই লেই-ছেই ছেই প্ৰতিবাদী ধ্বনিৰে আকাশ- বতাহ মুখৰিত ঃ জংগী আন্দোলনৰ হুংকাৰ**

অগ্ৰদূত বাৰ্তা

**টংলা, ১৪ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্যতম টংলা আঞ্চলিক ছাত্ৰ সন্থাই আজি বৃহত্তৰ টংলা অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ লগতে সমস্যাসমূহ চৰকাৰক দৃষ্টিগোচৰ কৰাৰ অৰ্থে টংলা চহৰৰ মাজমজিয়াত আজি এক প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে। ভিন্ন জাতি, জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকৰ মিলন ক্ষেত্ৰ টংলা শিক্ষা, সাহিত্য, সংস্কৃতি, অৰ্থনীতি, ক্ৰীড়া, বাণিজ্য আদিৰ ক্ষেত্ৰত জিলাখনৰ *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী বৃহস্পতিবাৰ ২৯ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৫ ছেপ্টেম্বৰ ২০২২

## মানৱ সৰবৰাহ

অসম চৰকাৰে বন কৰা শিশু, কিশোৰ-কিশোৰীসকলৰ আনুষ্ঠানিক শিক্ষা আহৰণৰ বাবে নিয়োগকৰ্তাসকলক বাধ্য কৰাৰ বাবে আৰু ৰাজ্যৰ ভিতৰে-বাহিৰে মানৱ সৰবৰাহ বন্ধ কৰাৰ বাবে নতুন আইন প্ৰণয়নৰ সিদ্ধান্ত লৈছে। অসমত দেশৰ ভিতৰতে তৃতীয় সৰ্বাধিক মানৱ সৰবৰাহৰ ঘটনা সংঘটিত হৈ থকাৰ উদ্বেগজনক তথ্যও ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড ব্যুৰ' (এন চি আৰ বি)ৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ পাইছে। এন চি আৰ বিৰ প্ৰতিবেদন অনুসৰি যোৱা ২০২১ত অসমত ২০৩টা মানৱ সৰবৰাহৰ ঘটনা সংঘটিত হৈছিল। দেশৰ ভিতৰতে মানৱ সৰবৰাহৰ এয়া হ'ল তৃতীয় সৰ্বাধিক। মানৱ সৰবৰাহৰ ক্ষেত্ৰত যোৱা বছৰটোত তেলেংগানাত ৩৪৭ আৰু মহাৰাষ্ট্ৰত ৩২০টা ঘটনাৰে ক্ৰমে প্ৰথম আৰু দ্বিতীয় সৰ্বাধিক বুলি কোৱা হৈছে। মানৱ সৰবৰাহৰ ঘটনাত উদ্বেগ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াইছে। যোৱা ১২ ছেপ্টেম্বৰত অসম বিধানসভাত মুখ্যমন্ত্ৰী ড° শৰ্মাই মানৱ সৰবৰাহ বন্ধ কৰাৰ বাবে নতুন আইন প্ৰণয়ন কৰা হ'ব বুলি ঘোষণা কৰাৰ উপৰি এই বুলিও তেওঁ উল্লেখ কৰে যে কেৱল অসমৰ পৰা বহিঃৰাজ্য বা বিদেশলৈ কিশোৰ-কিশোৰী বা মহিলা সৰবৰাহ কৰাটোকে মানৱ সৰবৰাহ হিচাপে দেখুৱাই অহা হয় যদিও ৰাজ্যৰ ভিতৰত এখন জিলাৰ পৰা আন এখন জিলাত শিশু, কিশোৰ-কিশোৰীক বিভিন্ন কামৰ বাবে নিয়া আৰু তেওঁলোকক বলপূৰ্বক আৰু কৌশলেৰে বন্দী কৰি ৰখাও মানৱ সৰবৰাহ বুলি ক'ব লাগিব। উল্লেখ্য যে বহিঃৰাজ্যলৈ সৰবৰাহ কৰা শিশু, কিশোৰ-কিশোৰী, মহিলা আদিক সৰবৰাহকাৰীসকলে একাংশ গ্ৰাহকক ধনৰ বিনিময়ত দিয়ে বা বিক্ৰী কৰে। গ্ৰাহকসকলে ক্ৰয় কৰা কিশোৰী-মহিলাসকলক বিভিন্ন ঘৰুৱা কামত, নাইবা শ্ৰমিক হিচাপে ব্যৱহাৰ কৰে। তেওঁলোকক কোনো পাৰিশ্ৰমিক দিয়া নহয়। তেওঁলোকক গোলামৰ দৰে ব্যৱহাৰ কৰা হয়। একাংশ কিশোৰী-যুৱতীক গণিকালয়ত বিক্ৰী কৰা হয়। এই গণিকালয়বোৰত যুৱতী-মহিলাসকলে অনিৰ্দিষ্ট কালৰ বাবে বন্দী জীৱন কটাবলগীয়া হয়। মানৱ সৰবৰাহকাৰীৰ কৱলত পৰা অসমৰ কিশোৰী-যুৱতীসকলক আনকি সৰবৰাহকাৰীয়ে একাধিকবাৰ একাধিক গ্ৰাহকক বিক্ৰী কৰা বুলিও দুৰ্দশাগ্ৰস্ত ভুক্তভোগীসকলে অভিযোগ কৰা বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। বছৰৰ পাছত বছৰ ধৰি অসমৰ পৰা অপহৰণ কৰি দিয়া বা সৰবৰাহ কৰা শিশু, কিশোৰী-যুৱতী-মহিলাসকলে নৰক যন্ত্ৰণা ভুগিবলগীয়া হয়। অৱশ্যে বিভিন্ন বেচৰকাৰী সংগঠন, ছাত্ৰ-যুৱকৰ সংগঠনৰ সহায়-সহযোগত আৰক্ষীয়ে যথেষ্ট সংখ্যক বন্দী শ্ৰমিক, বন কৰা ছোৱালী, গণিকালয়ত বন্দী হৈ থকা যুৱতী-মহিলাক অভিযান চলাই উদ্ধাৰ কৰিছে। উদ্ধাৰৰ বাবে আশা পালি থকা আন বহুতেই নৰক যন্ত্ৰণা ভুগিবলগীয়া হৈছে। বন কৰা ছোৱালী তথা কিশোৰসকলক ক্ৰেতা গ্ৰাহকসকলে তেওঁলোকৰ গোলামৰ দৰে ব্যৱহাৰ কৰে। সকলোৱেই তেনে বন্দী অৱস্থাৰ পৰা মুক্তি লাভৰ বাবে অন্তহীন অপেক্ষা কৰাৰ পাছতো মাত্ৰ সামান্য একাংশকহে আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আৰক্ষীৰ হাতত গোচৰ পঞ্জীয়ন নাইবা অভিযোগ দাখিলৰ তথ্যহে থাকে; কিন্তু নিৰুদ্দেশ হোৱা চাকৰি কৰিবলৈ যোৱা বহুতৰে তথ্য আৰক্ষীৰ হাতত নাই। আনহাতে, আৰক্ষীয়েও কিছুমান গোচৰৰ পঞ্জীয়ন কৰা দেখা নাযায়। বিশেষকৈ কোনো লোকৰ লগত বা প্ৰেমিকৰ লগত পলাই যোৱা বুলি কৈ গোচৰ পঞ্জীয়ন কৰাৰ পৰা আৰক্ষী বিৰত থাকে বুলি একাংশ ভুক্তভোগীয়ে অভিযোগ উত্থাপন কৰা দেখা যায়। মানৱ সৰবৰাহকাৰী চক্ৰৰ কৱলত পৰা বহু কিশোৰী, যুৱতী মহিলা এনেদৰেই অদৃশ্য হয়। মানৱ সৰবৰাহকাৰীসকলৰ বেছিভাগেই সাৰি যাব পাৰে এইদৰে।

কভিড মহামাৰীৰ ফলত লাখ লাখ দৰিদ্ৰ লোক অধিক দৰিদ্ৰ আৰু অসহায় হৈ পৰিছে। উপাৰ্জন নাইবা কৰ্মসংস্থানৰ অভাৱত একাংশ দৰিদ্ৰ পৰিয়ালৰ ল'ৰা-ছোৱালী মানৱ সৰবৰাহকাৰীৰ জালত পৰে। চাকৰিৰ প্ৰলোভন, বিয়াৰ প্ৰলোভন, সুখী জীৱনৰ প্ৰলোভন আদি নানান প্ৰলোভন দি অতি কৌশলেৰে ৰাজ্যৰ বাহিৰলৈ কিশোৰী-যুৱতীসকলক লৈ যাবলৈ সক্ষম হয় সৰবৰাহকাৰী চক্ৰবোৰে। এই ধৰণৰ মানৱ সৰবৰাহকাৰী চক্ৰবোৰ স্থানীয় পৰ্যায়ৰ পৰা ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকে সক্ৰিয় হৈ আছে। সেয়ে সৰবৰাহকাৰীয়ে এবাৰ বহিঃৰাজ্যলৈ অসমৰ কিশোৰী যুৱতীক লৈ যোৱাৰ পাছত অপহৃতসকলক উদ্ধাৰ কৰা নাইবা [illegible] বিচাৰি উলিওৱা অতি কঠিন হৈ পৰে। আৰক্ষীৰ হাতত অপহৃত নাইবা নিৰুদ্দেশ হোৱাসকলৰ তথ্যও নাথাকে। আজিৰ উন্নত তথ্য-প্ৰযুক্তি, ইণ্টাৰনেট, সামাজিক মাধ্যম আদি থকা সত্ত্বেও সৰবৰাহকাৰী চক্ৰবোৰ উৎখাত কৰা, অপহৃতসকলক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ সফলতা কম। কিয়নো মানৱ সৰবৰাহকাৰী ধৰা পেলোৱা বা এই ধৰণৰ সৰবৰাহ বোধ কৰাৰ বাবে আৰক্ষীৰ এক পৃথক শাখা নাইবা গোট সৃষ্টি কৰা উচিত। চোৰ-ডকাইত, নানান সৰু সৰু অপৰাধ, মাৰ-পিট, লুট আদি অপৰাধৰ পিছে পিছে দৌৰি থকা আৰক্ষীৰ মানৱ সৰবৰাহকাৰীৰ পিছে পিছে ঘূৰিবলৈ সময়নো বা ক'ত? শেহতীয়াকৈ আৰক্ষীয়ে ড্ৰাগছৰ চোৰাং চালান তথা চোৰাং সৰবৰাহকাৰীৰ পিছে পিছে ঘূৰিবলগীয়া হৈছে। তাকৰীয়া আৰু অনুন্নত আন্তঃগাঁথনিৰে দায়িত্ব পালন কৰি থকা আৰক্ষীয়ে মানৱ সৰবৰাহকাৰী ধৰিবলৈ বা বিচাৰি ফুৰিবলৈ তেওঁলোকৰ সময় ক'ত? চৰকাৰে অৱশ্যে বহিঃৰাজ্যলৈ মানৱ সৰবৰাহ কৰা ঘটনাৰ সমান্তৰালভাৱে নিজ ৰাজ্যৰ ভিতৰতে ইখন জিলাৰ পৰা সিখন জিলালৈ কাম দিয়া, শিক্ষাৰ সুবিধা দিয়া আদি প্ৰলোভনেৰে হেজাৰ হেজাৰ শিশু শ্ৰমিক, কিশোৰী যুৱতীক গৃহবন্দী কৰি ৰখাৰ দৰে অবৈধ কাৰ্যত বাধা দিয়াৰ বাবে শেহতীয়াকৈ আঁচনি তথা ব্যৱস্থা লোৱাটো আদৰণীয়; কিন্তু আৰক্ষীৰ চকুৰ আগতে মানৱ সৰবৰাহ চক্ৰবোৰ সক্ৰিয় হৈ আছে। বন কৰা কিশোৰ-কিশোৰীসকলে অকথ্য নিৰ্যাতনৰ বলি হৈ বন্দী জীৱন কটাইছে। তেওঁলোকক উদ্ধাৰ কৰাৰ দায়িত্ব আৰক্ষীয়ে ল'বনে?

## খো লা ম ঞ্চ

### এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**ৰাজনীতি** এতিয়া ব্যৱসায়লৈ পৰ্যবসিত হৈছে। এবাৰ মন্ত্ৰীৰ গাদীত বহিব পাৰিলে ধনৰ চিন্তা নাই। অৱশ্যে সকলো মন্ত্ৰীৰে ধনৰ প্ৰতি লোভ নাই; কিন্তু বৰ্তমান এচাম ৰাজনীতিকৰ মূল লক্ষ্য হৈছে গাদী দখল কৰি ধন সংগ্ৰহ কৰাটো। গাদীখনে নেতাসকলৰ বিলাসী জীৱনৰ বাট নিশ্চিত কৰে। ৰাজনীতিত নীতি নাই; কিন্তু নীতিবিহীনভাৱে ৰাজনীতিৰ এতিয়া নামত চলি আছে মাথোঁ ধন আত্মসাৎ কৰাৰ বাবে তুমুল প্ৰতিযোগিতা। লক্ষ্য এটাই ধন অৰ্জন কৰিব লাগে।

সম্প্ৰতি পশ্চিমবংগত দুৰ্নীতি কৰি কোটি কোটি অৰ্থ সঞ্চয় কৰি ৰখা মন্ত্ৰীজন আৰু তেওঁৰ সংগী ধৰা পৰিছে। এনেকৈ মন্ত্ৰীৰ গাদীত বহি জনগণৰ ধন জনগণক ফাঁকি দি আত্মসাৎ কৰা মন্ত্ৰীৰ অভাৱ নাই। আগৰ ৰাজনীতিত স্বচ্ছতা আছিল। অতীত কালত মানুহ অশিক্ষিত আছিল কাৰণে শিক্ষিত নেতা নিৰ্বাচন কৰিছিল আৰু এতিয়া মানুহ শিক্ষিত হৈ অশিক্ষিত নেতা নিৰ্বাচন কৰে। নেতা হ'লেই হ'ল— যোগ্যতা আছে নে নাই চোৱাৰ প্ৰয়োজন নাই; কিয়নো অৰ্থ অৰ্জন কৰাৰ বাবে শিক্ষা কিয় লগে? উদ্দেশ্য ধন অৰ্জন কৰা। মনুষ্যত্ববিহীন মন্ত্ৰী বা নেতা হ'লে আদৰ্শ আৰু ক'ত থাকে? সাৰদা কাণ্ডত লিপ্ত হোৱাজনে দল সলনি কৰিছে।

ক্ষমতাত বহি ধনৰ প্ৰতি দৃষ্টি নিক্ষেপ হোৱাটোৱেই বৰ্তমান মন্ত্ৰীসকলৰ একমাত্ৰ মূল লক্ষ্য। কিছুসংখ্যক ধৰা পৰিছে আৰু কিছুমান ধৰা নপৰাৰ বাবে এতিয়াও দুৰ্নীতি কৰি সৎ মন্ত্ৰী হৈ গাদীত বহি আছে। বৰ্তমানে কোন মন্ত্ৰী আছে যে কোটি কোটি অৰ্জন নকৰাকৈ আছে? ধন অৰ্জনৰ সহজ উপায় হৈছে মন্ত্ৰীৰ গাদী।

**আশা আহমেদ,** *লেখিকা*

*ফোন ঃ ৯৯৫৪২৮৩৯৩৩*

# দুদিন অগা-পিছাকৈ ইউনাইটেড কিংডমৰ ৰাষ্ট্ৰ প্ৰধান আৰু চৰকাৰৰ মুৰব্বীৰ নতুন মুখ





দেশ এখনত দুদিন অগা-পিছাকৈ ৰাষ্ট্ৰ প্ৰধান বা হেড অব ষ্টেট আৰু চৰকাৰৰ মুৰব্বী বা হেড অৱ গৱৰ্ণমেণ্টৰ সালসলনি হোৱাটো বিৰল ঘটনা। ইউনাইটেড কিংডমত সেয়েই ঘটিছে। যোৱা মংগলবাৰ ছয় ছেপ্টেম্বৰত প্ৰধান মন্ত্ৰী বৰিছ জনছনৰ পদত্যাগ-পত্ৰ গ্ৰহণ কৰি লিজ ট্ৰাছক চৰকাৰৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া ইউনাইটেড কিংডমৰ ৰাষ্ট্ৰ প্ৰধান মহাৰাণী এলিজাবেথে দুদিন পাছত আঠ ছেপ্টেম্বৰ বৃহস্পতিবাৰে ইহলীলা সম্বৰণ কৰে। মহাৰাণীৰ দেহাৱসানৰ লগে লগে তেওঁৰ জ্যেষ্ঠ পুত্ৰ এডিনবৰাৰ ডিউক প্ৰিন্স চাৰ্লচ্ ইউনাইটেড কিংডমৰ ৰজা তথা ৰাষ্ট্ৰ প্ৰধান পদত অধিষ্ঠিত হয়। দুদিন অগা-পিছাকৈ দেশ এখনৰ ৰাষ্ট্ৰ প্ৰধান আৰু চৰকাৰৰ মুৰব্বী সলনি হোৱাৰ ঘটনা বিশ্ব ইতিহাসত বোধহয় এয়েই প্ৰথম।

শাসকীয় কনজাৰভেটিভ দলৰ নেতা তথা প্ৰধানমন্ত্ৰী হিচাপে দলীয় সাংসদৰ আস্থা হেৰুওৱা বৰিছ জনছনে যোৱা সাত জুলাইত প্ৰধানমন্ত্ৰী পদ পৰিত্যাগ কৰিব বুলি ঘোষণা কৰাৰে পৰা যোৱা দুমাহ জুৰি ইউনাইটেড কিংডমৰ আকাশ বতাহ ৰজনজনাই আছিল জনছনৰ পৰৱৰ্তী কনজাৰভেটিভ দলৰ নেতা তথা প্ৰধানমন্ত্ৰীৰ নিৰ্বাচন-কেন্দ্ৰিক ঘটনা প্ৰৱাহে। প্ৰধানমন্ত্ৰী পদ প্ৰত্যাশী শাসকীয় কনজাৰভেটিভ দলৰ এঘাৰ গৰাকী সাংসদৰ মাজৰ পৰা দলটোৰ সাংসদসকলে দুগৰাকী চূড়ান্ত প্ৰাৰ্থী বাছি দিয়াৰে পৰা প্ৰাৰ্থী দুগৰাকীৰ নিৰ্বাচনী প্ৰচাৰ সভা, টিভি টক শ্বো, সাক্ষাতকাৰ, ৰাজহুৱা বিতৰ্ক, বিভিন্ন জল্পনা কল্পনা আদিয়ে দলীয় নেতা, সদস্য তথা আন জনগণৰ মন মগজু আৱৰি ৰাখিছিল; আৰু সকলোৰে দৃষ্টি নিবন্ধ আছিল পাঁচ ছেপ্টেম্বৰৰ দিনটোলৈ।

অৱশেষত পাঁচ ছেপ্টেম্বৰত কনজাৰভেটিভ দলৰ নেতা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ লগে লগে দেশখনৰ প্ৰধানমন্ত্ৰী কোন হ'ব সেই বিষয়ে চলি থকা সকলো জল্পনা কল্পনাৰ অন্ত পৰিল। নিৰ্বাচনত ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক, প্ৰাৰ্থী ঋষি চুনাকক পৰাজিত কৰি 'অৰিজিনেল' ব্ৰিটিছ লিজ ট্ৰাছ কনজাৰভেটিভ দলৰ নেতা তথা ইউনাইটেড কিংডমৰ প্ৰধানমন্ত্ৰী নিৰ্বাচিত হ'ল। লগে লগে আৰম্ভ হ'ল নতুন জল্পনা কল্পনা—ট্ৰাছ মন্ত্ৰীসভাত কোন কোন মন্ত্ৰী অন্তৰ্ভুক্ত হ'ব, ঋষি চুনাকে সেই মন্ত্ৰীসভাত স্থান পাব নে নাই ইত্যাদি বিভিন্ন বিষয়ৰ ওপৰত। কিন্তু সৰ্বাধিক অনুসন্ধিৎসা আছিল বিজুলী আৰু গেছৰ বৰ্দ্ধিত আকাশলংঘী দামে সাধাৰণ জনগণৰ জীৱন ধাৰণৰ মান বজাই ৰখাৰ ক্ষেত্ৰত অনা ভাবুকিৰ মোকাবিলা কৰাৰ কাৰণে নতুন প্ৰধানমন্ত্ৰীয়ে কি পদক্ষেপ গ্ৰহণ কৰে, তাৰ ওপৰত। উল্লেখ্য যে চুনাক আৰু ট্ৰাছৰ মাজৰ নিৰ্বাচনী যুঁজখনৰ প্ৰচাৰ সভা, টিভি টক শ্বো, সাক্ষাতকাৰ আদিত স্থান পোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো আছিল বিজুলী আৰু গেছৰ বৰ্দ্ধিত আকাশলংঘী দামে জনগণলৈ অনা আসন্ন বিপদৰ পৰা ৰক্ষা কৰিবলৈ ট্ৰাছ চৰকাৰ বা চুনাক চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰে, সেইটো। নিৰ্বাচনৰ পাছতেই বিবিচিয়ে লোৱা সাক্ষাৎকাৰত প্ৰাৰ্থী লিজ ট্ৰাছে তেওঁ নিৰ্বাচিত হ'লে বিজুলী আৰু গেছৰ বৰ্দ্ধিত দামৰ ক্ষেত্ৰত এসপ্তাহৰ ভিতৰত বিশেষ ৰেহাইৰ পেকেজ ঘোষণা কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। এতিয়া যিহেতু ট্ৰাছ বিজয়ী হ'ল, গতিকে তেওঁ প্ৰধানমন্ত্ৰীৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত সকলোৰে দৃষ্টি নিক্ষেপ হৈছে বিষয়টোৰ ওপৰত ট্ৰাছে কি সিদ্ধান্ত গ্ৰহণ কৰে, তাৰ ওপৰত। লক্ষ্যণীয় যে সকলোকে আচৰিত কৰি ট্ৰাছে প্ৰধানমন্ত্ৰীৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছদিনাই হাউছ অব কমন্সত ঘোষণা কৰে যে বিজুলী আৰু গেছৰ বাবদ গড় হিচাপত একোটা পৰিয়ালে আদায় দিবলগীয়া ধনৰ আনুমানিক পৰিমাণ প্ৰায় ১,৯০০ পাউণ্ডৰ পৰা প্ৰায় ৩,৫০০ পাউণ্ডলৈ বৃদ্ধি পাইছে যদিও একোঘৰ মানুহে আদায় দিবলগীয়া ধনৰ পৰিমাণৰ সৰ্বোচ্চ সীমা হিচাপে ২,৫০০ পাউণ্ড বান্ধি দিয়া হ'ব। ব্যৱসায়িক উপভোক্তাৰ কাৰণেও ৰেহাইৰ ব্যৱস্থা কৰা হ'ব আৰু বিজুলী আৰু গেছৰ যোগান ধৰা কোম্পানীসমূহে উপভোক্তাসকলৰ পৰা পাবলগীয়া বাকীখিনি ধন তেওঁলোকলৈ দীৰ্ঘম্যাদী ঋণ হিচাপে আগবঢ়োৱা হ'ব বুলিও ট্ৰাছে ঘোষণা কৰিছে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছদিনাই নিৰ্বাচনৰ পূৰ্বে তেওঁ দিয়া প্ৰতিশ্ৰুতি পূৰণৰ প্ৰথম খোজ হিচাপে বিজুলী আৰু গেছৰ বৰ্দ্ধিত দামৰ পৰা সাধাৰণ জনগণক সকাহ দিয়াৰ ঘোষণাৰ বাবে ট্ৰাছে ৰাইজৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। ইতিমধ্যে ট্ৰাছে তেওঁৰ মন্ত্ৰীসভাত চুনাকৰ বাহিৰে প্ৰধানমন্ত্ৰী পদৰ বাবে তেওঁৰ প্ৰতিদ্বন্দ্বী প্ৰায় সকলো প্ৰাৰ্থীকে স্থান দিছে; আৰু এই দুদিনতে বুৰোক্ৰেটিক ক্ষেত্ৰতো যথেষ্ট সালসলনি ঘটাইছে। মুঠৰ ওপৰত প্ৰধানমন্ত্ৰীৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই প্ৰথম দুদিনতে তেওঁ যি তৎপৰতা আৰু দ্ৰুত গতিত সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষমতা প্ৰদৰ্শন কৰিছে, তাৰ পৰা অনেকেই ট্ৰাছৰ ব্যক্তিত্বত পূৰ্বৰ প্ৰধান মন্ত্ৰী 'আইৰণ-লেডী' মাৰ্গাৰেট থেটচাৰৰ প্ৰতিফলন দেখা পাইছে। আনহাতে, ট্ৰাছে যিটো বেগত কাম আৰম্ভ কৰি তেওঁৰ



**সোঁতৰ বিপৰীতে চিন্তা**

*ইংলেণ্ডৰ পৰা* **প্ৰবীণ চৌধুৰী**

নেতৃত্বত গতিশীলতাৰ আভাস দিছিল মহাৰাণীৰ বিয়োগে তাত যথেষ্ট যঁতি পেলাইছে। বিশেষকৈ মহাৰাণীৰ বিয়োগক লৈ সংবাদ মাধ্যম ব্যতিব্যস্ত হৈ পৰাৰ ফলত ট্ৰাছৰ কামকাজৰ খতিয়ানৰ সংবাদ গৌণ হৈ পৰিছে। তৎসত্ত্বেও অহা বৃহস্পতিবাৰে ট্ৰাছে বিজুলী আৰু গেছৰ বৰ্দ্ধিত দামৰ পৰা জনগণ তথা ব্যৱসায় খণ্ডৰ গ্ৰাহকক ৰেহাই দিয়া,

**নতুন ৰজা আৰু নতুন প্ৰধানমন্ত্ৰীৰ যুঁটিয়ে ইউনাইটেড কিংডমৰ চাৰিখন দেশলৈ পৰিৱৰ্তনৰ জোৱাঁৰ আনি নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। আনহাতে, মহাৰাণীৰ বিয়োগৰ লগে লগে ইউনাইটেড কিংডম আৰু কমনৱেলথৰ ৰাষ্ট্ৰসমূহৰ মাজৰ বান্ধোনৰ এনাজৰীডাল শিথিল হৈ যাব বুলিও অনেকৰ মনত আশংকাৰ সৃষ্টি হৈছে**

যোগানকাৰী কোম্পানীবোৰৰ বহনক্ষমতা নিশ্চিত কৰা, ৰাজকোষৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱৰ মোকাবিলা কৰা আদি সকলো বিষয়কে সামৰি চৰকাৰৰ পৰিকল্পনাৰ চূড়ান্ত ৰূপ প্ৰকাশ কৰিব বুলি ট্ৰাছে ঘোষণা কৰিছে।

উল্লেখ্য যে, প্ৰধান মন্ত্ৰী হিচাপে ৪৭ বছৰীয়া ট্ৰাছ তুলনামূলকভাৱে কম বয়সৰ হ'লেও যোৱা আঢ়ৈ দশকত বিভিন্ন বিভাগৰ মন্ত্ৰী হিচাপে তেওঁ যথেষ্ট অভিজ্ঞতা আহৰণ কৰিছে। ১৯১০ত সাংসদ হিচাপে প্ৰথমবাৰৰ বাবে হাউছ অৱ কমন্সলৈ নিৰ্বাচিত হৈ অহা ট্ৰাছ তেওঁৰ পূৰ্বৱৰ্তী তিনিগৰাকী প্ৰধানমন্ত্ৰী ক্ৰমে ডেভিড কেমেৰণ, টেৰেচা মে আৰু বৰিছ জনছনৰ মন্ত্ৰী সভাত বিভিন্ন বিভাগৰ কেবিনেট মন্ত্ৰী হিচাপে কাৰ্যনিবাহ কৰিছে। জনছনৰ মন্ত্ৰীসভাত তেওঁ ফৰেইন চেক্ৰেটাৰী বা বৈদেশিক মন্ত্ৰী পদত অধিষ্ঠিত আছিল। উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ পাছতেই চেঞ্চেলৰ বা বিত্তমন্ত্ৰী, চেক্ৰেটাৰী অৱ ষ্টেট বা গৃহ মন্ত্ৰী আৰু ফৰেইন চেক্ৰেটাৰী বা বৈদেশিক মন্ত্ৰীকে আটাইতকৈ গুৰুত্বপূৰ্ণ তথা ক্ষমতাশালী মন্ত্ৰী বুলি গণ্য কৰা হয়।

স্মৰ্তব্য যে, প্ৰধান মন্ত্ৰী বৰিছ জনছনৰ পদত্যাগৰ ঘোষণাৰ পাছত শাসকীয় দলৰ এঘাৰ গৰাকী সাংসদে প্ৰধান মন্ত্ৰী পদৰ বাবে প্ৰতিদ্বন্দ্বিতাত নামিছিল। ইয়াৰ মাজৰ পৰা শাসকীয় দলৰ সাংসদৰ গোপন ভোটদানৰ মাজেৰে আৰু 'এলিমিনেচন' প্ৰক্ৰিয়াৰে প্ৰাৰ্থীৰ সংখ্যা দুগৰাকীলৈ হ্ৰাস কৰাৰ প্ৰক্ৰিয়া গ্ৰহণ কৰা হৈছিল। পাঁচটা ৰাউণ্ডৰ ভোটদানৰ প্ৰথম চাৰিটা ৰাউণ্ডত প্ৰাক্তন বিত্তমন্ত্ৰী ভাৰতীয় মূলৰ ঋষি চুনাকে প্ৰথম আৰু বৈদেশিক সচিব লিজ ট্ৰাছে তৃতীয় স্থান লাভ কৰিছিল । আনকি পঞ্চম তথা চূড়ান্ত ৰাউণ্ডতো চুনাক প্ৰথম স্থানতেই আছিল। অৰ্থাৎ প্ৰধানমন্ত্ৰী পদৰ বাবে কনজাৰভেটিভ সাংসদসকলৰ প্ৰথম পছন্দৰ প্ৰাৰ্থী আছিল ঋষি চুনাক; লিজ ট্ৰাছ নহয়। আমাৰ দেশৰ দৰে যদি কেৱল দলীয় সাংসদে সাংসদীয় দলৰ নেতা বাছনি কৰিলেহেঁতেন তেন্তে চুনাক ইউ কেৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হ'লহেঁতেন ! কিন্তু ইউনাইটেড কিংডমত দলীয় সাংসদে বাছি দিয়া চূড়ান্ত প্ৰতিযোগী দুগৰাকীৰ মাজৰ পৰা দলটোৰ সদস্যসকলৰ মতদানৰ মাজেদিহে দলীয় নেতা নিৰ্বাচন কৰাৰ নিয়ম। সেই অনুযায়ী দেশজুৰি থকা প্ৰায় ১,৮০,০০০ সদস্যৰ ভোটদানেৰে অনুষ্ঠিত কৰা নিৰ্বাচনত চুনাকে ৬০,৩৯৯টা '৪২ শতাংশ' ভোট লাভ কৰাৰ বিপৰীতে ৮১,৩২৩টা ৫৭.৪ শতাংশ ভোট লাভ কৰা ট্ৰাছৰ হাতত চুনাকে পৰাজয় বৰণ কৰিবলগীয়া হয়। লক্ষ্যণীয় যে, আধুনিক যুগত সমাজ বিজ্ঞানীসকলৰ সৰহ ভাগেই গণতান্ত্ৰিক শাসন ব্যৱস্থাকে আটাইতকৈ উত্তম বা সৰ্বশ্ৰেষ্ঠ শাসন ব্যৱস্থা বুলি ঠাৱৰ কৰিছে যদিও বিভিন্ন দেশত পৃথক পৃথক নীতি নিয়মেৰে চলি থকা গণতান্ত্ৰিক শাসন ব্যৱস্থাসমূহৰ পৰা দেখা যায় যে পৃথিৱীত এতিয়াও এক পৰীক্ষিত, ত্ৰুটিমুক্ত আৰু সৰ্বজনগৃহীত গণতান্ত্ৰিক শাসন ব্যৱস্থা গঢ়ি উঠা নাই। গতিকে ভৱিষ্যতলৈ এটা ত্ৰুটিমুক্ত সৰ্বজনগৃহীত গণতান্ত্ৰিক শাসন ব্যৱস্থা গঢ়ি তুলিবলৈ হ'লে ইউ,কেৰ উক্ত নিয়ম প্ৰমুখ্যে বিভিন্ন দেশত পৃথক পৃথক নীতি নিয়মেৰে চলি থকা গণতান্ত্ৰিক শাসন ব্যৱস্থাসমূহৰ ওপৰত পৰ্যালোচনা কৰাৰ প্ৰয়োজন আছে।

যি হওক, সত্তৰ বছৰৰ ৰাজত্ব কালত মহাৰাণীয়ে ইউনাইটেড কিংডমৰ চৈধ্য গৰাকী প্ৰধানমন্ত্ৰীক নিযুক্তি দিছিল আৰু পোন্ধৰ গৰাকী প্ৰধানমন্ত্ৰীয়ে কাৰ্যনিবাহ কৰিছিল। তেওঁৰ পিতৃ ৰজা ষষ্ঠ জৰ্জৰ দিনৰে পৰা কাৰ্যনিৰ্বাহ কৰা উইনষ্টন চাৰ্চিল আছিল এলিজাবেথৰ প্ৰথম গৰাকী প্ৰধান মন্ত্ৰী। ৰাণীৰ বয়স তেতিয়া মাথোন ২৬ বছৰ আৰু চাৰ্চিলৰ বয়স ৭৮ বছৰ। এফালে এগৰাকী কম বয়সীয়া অনভিজ্ঞ হেড অৱ ষ্টেট আৰু আনহাতে এগৰাকী বয়োজ্যেষ্ঠ, অভিজ্ঞ, জ্ঞানী আৰু ষ্টেটচমেন হেড অৱ গৱৰ্ণমেণ্ট! কিন্তু আৰম্ভণিৰে পৰা এলিজাবেথে নিজৰ বুদ্ধিমত্তা, ধৈৰ্য আৰু সাহসেৰে সাংবিধানিক ৰাষ্ট্ৰ প্ৰধান হিচাপে নিজৰ দায়িত্ব পালন কৰি আহিছিল। তাতোকৈ ডাঙৰ কথা হৈছে, এলিজাবেথ আৰু চাৰ্চিলৰ মাজত অতি সু-সম্পৰ্ক আছিল আৰু চাৰ্চিলৰ পৰা এলিজাবেথে সাংবিধানিক নিয়ম নীতিকে ধৰি আইনী জটিলতা আৰু ৰাজনীতিৰ মেৰপাকৰ মাজত সাংবিধানিক মুৰব্বী হিচাপে তেওঁ কেনেদৰে দায়িত্ব পালন কৰিব লাগে আদি বহু কথা শিকিছিল। এফালে সাংবিধানিক মুৰব্বী হিচাপে চাৰ্চিলে এলিজাবেথৰ প্ৰতি যথাবিহিত সন্মান আৰু আনুগত্য প্ৰকাশ কৰিছিল আৰু আনফালে এলিজাবেথেও মনতে শিক্ষাগুৰু মানি লৈ চাৰ্চিলক যথেষ্ট শ্ৰদ্ধা-ভক্তি কৰিছিল। সেই সময়ৰ অনেক যুৱক যুৱতীয়ে বিশ্বাস কৰাৰ দৰে কিশোৰী এলিজাবেথেও বিশ্বাস কৰিছিল যে দ্বিতীয় মহাসমৰ-কালীন প্ৰধান মন্ত্ৰী হিচাপে চাৰ্চিলেই হিটলাৰ আৰু জাৰ্মানীৰ বৃহৎ সামৰিক বাহিনীৰ হাতৰ পৰা ব্ৰিটেইনক ৰক্ষা কৰিছিল। চাৰ্চিলৰ পাছৰ প্ৰধানমন্ত্ৰীসকলৰ মাজত আছে লৰ্ড এটলী, হেৰল্ড মেকমিলন, হেৰল্ড উইলচন, জন কালাঘান, মাৰ্গাৰেট থেটচাৰ আদিৰ দৰে বিখ্যাত প্ৰধানমন্ত্ৰীসকল। যোৱা ২৫ বছৰত ইউনাইটেড কিংডমৰ প্ৰধানমন্ত্ৰীৰ পদ শুৱনি কৰিছিল, ক্ৰমে টনী ব্লেয়াৰ, গৰ্ডন ব্ৰাউন, ডেভিড কেমেৰণ, টেৰেচা মে আৰু বৰিছ জনছনে। বৰিছ জনছনৰ পাছত যোৱা ছয় ছেপ্টেম্বৰত লিজ ট্ৰাছে ইউনাইটেড কিংডমৰ ৫৬তম প্ৰধান মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। স্বাধীন হোৱাৰে পৰা ভাৰতত এতিয়ালৈকে পোন্ধৰগৰাকী ৰাষ্ট্ৰপতি আৰু ১৫ গৰাকী প্ৰধান মন্ত্ৰী নিৰ্বাচিত হৈছে। তাৰ বিপৰীতে এগৰাকী ৰাষ্ট্ৰ প্ৰধান এলিজাবেথৰ কাৰ্যকালত ১৫ গৰাকী প্ৰধান মন্ত্ৰীয়ে সেৱা আগ বঢ়োৱাটো লক্ষ্যণীয় ।

যি হওক, এলিজাবেথৰ বিয়োগৰ লগে লগে তেওঁৰেই জ্যেষ্ঠ পুত্ৰ প্ৰিন্স চাৰ্লচ্ ইউনাইটেড কিংডম আৰু কমনৱেলথ ৰাষ্ট্ৰ চৈধ্যখনৰ মনাৰ্কৰ পদত অধিষ্ঠিত হ'ল। এগৰাকী মনাৰ্কৰ দেহাৱসান বা তেওঁ স্বেচ্ছাই ৰাজসিংহাসন ত্যাগ কৰিলেই তেওঁৰ ঠাইত বংশানুক্ৰমে জ্যেষ্ঠতম বংশধৰে লগে লগেই মনাৰ্ক হয় যদিও ৰজা বা ৰাণী গৰাকীক মনাৰ্ক হিচাপে আনুষ্ঠানিকভাৱে কনফাৰ্ম কৰে 'প্ৰাইভি কাউন্সিল'ৰ সদস্যসকলৰ মাজৰ পৰা বছা বছা সদস্যৰে গঠিত 'এক্সেচন কাউন্সিল' নামৰ সমিতি এখনে। এইবাৰ 'প্ৰাইভি কাউন্সিল'ৰ মুঠ ৭১৮ গৰাকী সদস্যৰ মাজৰ পৰা ২০০ সদস্য বাচি সেই সমিতি গঠন কৰা হৈছিল; আৰু ১০ ছেপ্টেম্বৰত উক্ত কাউন্সিলে ৰজা হিচাপে চাৰ্লচ্‌কে কনফাৰ্ম (confirm) কৰিছে । ইতিমধ্যে চাৰ্লচে্ও নতুন ৰজা হিচাপে তেওঁৰ চাল-চলনত যথেষ্ট তৎপৰতা আৰু দেশ সেৱাৰ উদ্যোগ প্ৰদৰ্শন কৰিছে। শোকৰ মাজতেই নতুন ৰজা হিচাপে তেওঁ স্কটলেণ্ড, ৱেলচ্ আৰু নৰ্থাৰ্ণ আয়াৰলেণ্ড ভ্ৰমণ কৰাৰ কাৰ্যসূচীও গ্ৰহণ কৰিছে । যিহওক, নতুন ৰজা আৰু নতুন প্ৰধানমন্ত্ৰীৰ যুঁটিয়ে ইউনাইটেড কিংডমৰ চাৰিখন দেশলৈ পৰিৱৰ্তনৰ জোৱাঁৰ আনি নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। আনহাতে, মহাৰাণীৰ বিয়োগৰ লগে লগে ইউনাইটেড কিংডম আৰু কমনৱেলথৰ ৰাষ্ট্ৰসমূহৰ মাজৰ বান্ধোনৰ এনাজৰীডাল শিথিল হৈ যাব বুলিও অনেকৰ মনত আশংকাৰ সৃষ্টি হৈছে। তথাপিও মহাৰাণীৰ বিয়োগৰ শোক পালনৰ লগতে 'লং লিভ দা কিং' ধ্বনিৰেও ব্ৰিটেইনৰ আকাশ বতাহ মুখৰিত হৈ উঠিছে।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# সমাজত অপৰাধীৰ বিষাক্ত হাতোৰা

## নিজেই নিজক সুৰক্ষা দিব নোৱাৰিলে বিপদৰ সম্ভাৱনা অধিক

**কষ্ট** অবিহনে এজন ব্যক্তিৰ কেতিয়াও ভাগ্য উদয় হ'ব নোৱাৰে। নিজৰ লগতে দেশ আৰু সমাজখনক প্ৰগতিৰ দিশত আগুৱাই নিবলৈ উপযুক্ত বয়সত সকলো ব্যক্তি স্বনিৰ্ভৰশীল হোৱাটো জৰুৰী। আত্মনিৰ্ভৰশীল এজন ব্যক্তিয়ে নিজৰ লগতে দহৰো উপকাৰ সাধিব পাৰে। আৰ্থিক দিশত দুৰ্বল এজন ব্যক্তিৰ বাবে জীৱনটোৱেই সমস্যাবহুল হৈ পৰে। এখন সমাজত বিভিন্ন ধৰণৰ লোকে বসবাস কৰে, সেই লোকসকলৰ এজন আনজনৰ স'তে চাৰিত্ৰিক বৈশিষ্ট্যৰ পাৰ্থক্য থাকে। বৰ্তমান সময়ত আটাইতকৈ কঠিন কাম হৈছে মানুহ চিনাটো। বিশেষকৈ আজিৰ যান্ত্ৰিকতাৰ দিনত এজন ব্যক্তিৰ অন্তৰ্নিহিত মনটোৰ ভিতৰত কেনেধৰণৰ চিন্তা-ভাৱনাই ক্ৰিয়া কৰি থাকে তাক সহজে বুজি পোৱাটো সম্ভৱপৰ নহয়। অতীজৰ তুলনাত বৰ্তমান মানুহৰ মাজত তীব্ৰ গতিত প্ৰতিযোগিতামূলক মনোভাৱ গঢ় লৈ উঠাৰ বাবেই অসহিষ্ণু লোকসকলৰ ভিতৰত লুকাই থকা অমানৱীয় হিংস্ৰ আচৰণবোৰে গা কৰি উঠিছে। তেনেস্থলত লুটপাত, হত্যা, অপহৰণৰ দৰে নিকৃষ্ট ঘটনাবোৰ বৰ্তমান সময়ত অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। ঠগ প্ৰৱঞ্চকৰ পন্থা ভিন্ন প্ৰকাৰৰ হ'লেও অপৰাধ অপৰাধেই, অপৰাধীৰ কোনো সৰু-ডাঙৰ নাথাকে। চকুৰ সন্মুখতে নিতৌ ঘটি থকা শিহৰণকাৰী ঘটনাবোৰে সভ্য সমাজক চিন্তিত কৰি তুলিছে। পৰিৱৰ্তনশীল সময়ৰ লগে লগে অপৰাধীসকলৰ কিটিপ কায়দাবোৰ সলনি হব ধৰিছে। পূৰ্বতে সংঘটিত কৰা চুৰি ডকাইতিৰ নিয়মবোৰো এতিয়া উন্নত প্ৰযুক্তিৰ আধাৰত পৈণত চিন্তা ধাৰণাৰে কৰিবলৈ নিত্য নতুন বৈজ্ঞানিক কুটকৌশল ব্যৱহাৰৰ আশ্ৰয় লৈছে। এই জঘন্য অপৰাধীবোৰৰ মাজত ভদ্ৰতাৰ মুখা পিন্ধা তথাকথিত শিক্ষিত গণ্য-মান্য ব্যক্তিও জড়িত হৈ থকাৰ প্ৰমাণ ইতিমধ্যে আৰক্ষীয়ে সংগ্ৰহ কৰিছে। এইসকল অপৰাধীয়ে কেৱল ৰাতিৰ অন্ধকাৰতে নহয়, দিন দুপৰতো জনসাধাৰণৰ চকুত ধূলি দি পৰিকল্পিত ভাৱে দুষ্কাৰ্য সংঘটিত কৰি আহিছে। বৰ্তমান অপৰাধ প্ৰৱণতা কেৱল পুৰুষ অপৰাধীৰ মাজতে সীমাবদ্ধ হৈ নাথাকি অতি দৃষ্টিকটুভাৱে মহিলা অপৰাধীৰ সংখ্যাও দিনকদিনে বৃদ্ধি পাবলৈ ধৰিছে। এইসকল লুভীয়া অপৰাধীৰ মাজত উচ্চ পদত মকৰল হৈ থকা মহিলা বিষয়াৰ লগতে বন কৰা তিৰোতা সকলো জড়িত হৈ আছে। এচাম স্বাৰ্থপৰ বনকৰা মহিলাই পৰিয়ালৰ এজন হৈ দীৰ্ঘদিনে থকাৰ



**অৱলোকন**

**চাইৰা ইছলাম বড়া**

পাছতো বিশ্বাসঘাতকতাৰ নিকৃষ্ট মানসিকতাৰে গৃহস্থৰ ঘৰৰ সৰ্বোচ্চ হৰলুকি কৰি নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰে। সততে বনকৰা মহিলাৰ কুঅভিসন্ধিৰ বলি হৈ ভুক্তভোগী পৰিয়ালে সকলো হেৰুৱাই সৰ্বস্বান্ত হোৱাৰ উপৰি অতি কৰুণভাৱে ভৃত্যৰ হাতত মৃত্যুক আঁকোৱালি ল'বলগীয়া হোৱা ঘটনাৰ বহুতো উদাহৰণ আছে। ইয়াৰোপৰি গৃহস্থৰ সহায়কাৰী হিচাবে থকা বনকৰা ছোৱালীবোৰক মানসিক অত্যাচাৰ কৰাৰ লগতে ধৰ্ষণ হত্যা আদিৰ দৰে কৰা অমানৱীয় ঘৃণনীয় অপৰাধৰোৰে চহৰৰ সম্ভ্ৰান্ত লোকৰ ভিতৰৰ ফোপোলা স্বৰূপটো অতি নিৰ্লজ্জভাৱে উদঙাই দিয়ে। বৰ্তমান সময়ত মানৱতাৰ নৈতিক স্খলন ঘটি পৰিস্থিতি এনেকুৱা পৰ্যায় পাইছেগৈ যে অকলশৰীয়া শিশুৰ লগতে বৃদ্ধ দম্পতি আপোন ঘৰখনৰ ভিতৰত থকাটোও যেন নিৰাপদ নহয়। ঠিক সেইদৰে পৰিয়ালৰ লোক এজন ওলাই যোৱাৰ পিছত ঘৰলৈ সুকলমে উভতি নহালৈকে সকলো উদ্বিগ্ন হৈ থাকিবলগীয়া অৱস্থা হয়। ৰাজ্যত ব্যাপক হাৰত বৃদ্ধি পোৱা নিকৃষ্ট কাণ্ডবোৰে মানুহৰ মনবোৰ আতংকিত কৰাৰ লগতে নিৰাপত্তা জনীত দিশটো সন্দেহানিতীত কৰি তুলিছে।

দেখাক দেখি সহজলভ্য ধনৰ মোহত পৰি বৰ্তমান সময়ত এচাম উশৃংখল যুৱপ্ৰজন্মৰ মাজতো গা কৰি উঠিছে অপৰাধ প্ৰৱণতাৰ ভয়ংকৰ দিশটো। ডিজিটেল মাধ্যমত সততে অত্যুৎসাহী হৈ থকা এচাম বিকৃত ৰুচিৰ যুৱক-যুৱতীৰ বাবে অসৎ পন্থা অৱলম্বন কৰি সহজে ধন ঘটাটো সহজলভ্য হৈ পৰিছে। অধিক ধনৰ লালসাত এওঁলোকে আগপিচ নাভাবি ঘনিষ্ঠ সম্পৰ্ক থকা সকলকো বলিৰ পঠা বনাবলৈ অলপো দ্বিধাবোধ নকৰে। শেহতীয়াভাৱে বহুতো ভুক্তভোগী লোকে চাইবাৰ প্ৰৱঞ্চকৰ জালত পৰি কষ্টোপাৰ্জিত সাচতীয়া ধন সমূলঞ্চে হেৰুৱাই সৰ্বস্বান্ত হ'বলগীয়া হৈছে। জনসাধাৰণৰ চকুত ধূলি দি সম্ভ্ৰান্তঘৰৰ অধ:পতনে যোৱা কুলাংগাৰ সন্তানৰ লগতে বেংক বিষয়া পৰ্যন্ত এনেবোৰ কুকাৰ্যত লিপ্ত থকাৰ প্ৰমাণৰ তথ্যও ইতিমধ্যে আৰক্ষীয়ে সংগ্ৰহ কৰিছে। অতি দুৰ্ভাগ্যজনক কথা যে একবিংশ শতিকাতো সঘনাই সংবাদ পত্ৰৰ শিৰোনামা দখল কৰা অপৰাধ সংক্ৰান্তীয় দুৰ্ভাগ্যজনক বা বাতৰিবোৰে আধুনিক মানৱ সভ্যতাৰ অগ্ৰগতিক যেন আজি উপহাস কৰিছে। বৰ্তমান সময়ৰ যান্ত্ৰিক জীৱন যাত্ৰাত মানুহৰ ব্যস্ততাৰ অন্ত নাই, তাৰ মাজতো অপৰাধী মনৰ ব্যক্তিসকলে কুকাৰ্য সংঘটিত কৰিবলৈ সুযোগৰ সন্ধানত খাপ পিতি থাকে। ধৰ্ষণ, হত্যা, লুণ্ঠনৰ উপৰি শেহতীয়াকৈ অসমত চাইবাৰ অপৰাধীয়ে ভয়ংকৰ জাল পেলাইছে। এচাম ঠগ প্ৰৱঞ্চকে মিঠা মিঠা কথাৰে বিশ্বাস জন্মায় আঁভুৱাভাঁৰি অতি কৌশলেৰে লুটি নিয়ে ধন। ইতিমধ্যে বহুজন গুণী জ্ঞানী ব্যক্তি চাইবাৰ প্ৰৱঞ্চনাৰ জালত পৰিছে। এনেবোৰ ঘটনা দেখি শুনি কষ্টোপাৰ্জিত সাচতীয়া ধনৰ নিৰাপত্তাজনিত কাৰণত শংকিত হৈ পৰিছে বেংকৰ গ্ৰাহকসকল। কিছুদিনৰ পৰা অসমখন অপৰাধীৰ মুকলি বিচৰণৰ বাবে যেন ভূস্বৰ্গ হৈ পৰিছে। নিখুঁত পৰিকল্পনাৰে অনায়াসে শিক্ষিত লোকসকলক জালত পেলোৱাত সফল হৈছে চতুৰ অপৰাধীবোৰ। দিনৰ পোহৰত ভদ্ৰলোকৰ মুখা ধাৰণ কৰা এই অপৰাধীবোৰক চিনাক্তকৰণ কৰাটোও বৰ্তমান সময়ত এটা জটিল সমস্যা। নিত্য নতুন বৈজ্ঞানিক পদ্ধতিৰ প্ৰযুক্তি উন্নয়নৰ লগে লগেই অপৰাধী সকলৰো ঠগ প্ৰৱঞ্চনাৰ নিয়মৰ সালসলনি হ'বলৈ ধৰাত সহজ সৰল লোকসকল বিপাঙত পৰাটো তেনেই স্বাভাৱিক। যুগৰ পৰিৱৰ্তনত অপৰাধীসকলৰ স'তে মোকাবিলা কৰিবলৈ প্ৰযুক্তি বিদ্যাৰ আধুনিক কুট-কৌশলৰ বিষয়ে জনসাধাৰণৰ মাজত সম্যক জ্ঞানখিনি থকাটোও নিতান্তই জৰুৰী। নিশাৰ অন্ধকাৰত বাদেই দিন দুপৰতে সুপৰিকল্পিত প্ৰৱঞ্চনাৰে ভদ্ৰতাৰ মুখা পিন্ধা এই কুখ্যাত অপৰাধীসকলে নিজৰ কুকাৰ্য সমাপন কৰাত সিদ্ধহস্ত।



সাম্প্ৰতিক সময়ত যুৱ উশৃংখলতাৰ ভয়াৱহ অঘটনবোৰে সততে আমাক হতচকিত কৰি তোলে। আমাৰ চৌপাশৰ অস্থিৰ পৰিৱেশ পৰিস্থিতিয়েও বহু ক্ষেত্ৰত উশৃংখল যুৱ মানসিকতাত যেন উদগনি যোগায়, ইয়াৰোপৰি অত্যধিক ম'বাইলৰ ব্যৱহাৰেও যুৱপ্ৰজন্মক বিপথে পৰিচালিত কৰাত বিৰূপ প্ৰভাৱ পেলোৱাৰ কথা নুই কৰিব নোৱাৰি। বৰ্তমান ম'বাইলৰ জড়িয়তে থাউকতে যিকোনো বাতৰি বন জুইৰ দৰে বিয়পি পৰে বাবে চূড়ান্ত বিশ্বাস ঘাতকতাৰ অনাকাংক্ষিত বাতৰিবোৰেও মানুহৰ মাজত থকা বিশ্বাসৰ ভেটি দুৰ্বল কৰি তোলে। দেশ এখন প্ৰগতিৰ পথত আগুৱাই যাবলৈ হ'লে চৌপাশৰ সমাজ ব্যৱস্থা সুস্থিৰ হোৱাটো অতীৱ প্ৰয়োজন। জনসাধাৰণৰ ধন-জনৰ নিৰাপত্তাৰ দিশটোৰ ওপৰত নিৰ্ভৰ কৰে স্বাভাৱিক জীৱন যাত্ৰা।

অসমত সংঘটিত হৈ থকা শেহতীয়া বেংক লুটৰ ঘটনাৰ পাছত আৰক্ষীয়েও বেংকৰ গ্ৰাহকসকলক সতৰ্ক হোৱাৰ আহ্বান জনাইছে। সুৰক্ষাজনিত কাৰণতেই অচিনাকি লোকক ভালদৰে অনুধাৱন কৰাৰ উপৰি অপৰাধীসকলৰ স'তে মোকাবিলা কৰিবলৈ যিকোনো সময়তে উপস্থিত বুদ্ধিৰে তথা মানসিকভাৱে যুঁজিবলৈ সাজু থকাটো অতীৱ প্ৰয়োজন। বহু ক্ষেত্ৰত নিজেই নিজক সুৰক্ষা দিব নোৱাৰিলে বিপদৰ সম্ভাৱনাই অধিক। সেই সূত্ৰে সন্তান সকলকো সৰুৰে পৰাই সকলো দিশতে আত্মৰক্ষাৰ বিষয়ে যথোচিত জ্ঞান দিয়াটোও অৱশ্যেই জৰুৰী। অৱশ্যে চতুৰ লোকৰ তুলনাত সহজ সৰল মানুহবোৰেহে বেছি কষ্ট পায়; যিহেতু তেওঁলোকে আনকো নিজৰ দৰেই ভাৱে। এতিয়া সময় সলনি হ'ল— পূৰ্বৰ ৰামো নাই, অযোধ্যাও নাই। সময় থাকোতেই সন্দেহজনক অপৰাধীসকলক কৰায়ত্ত কৰিবলৈ পুলিচ বিভাগৰ লগতে সচেতন মহলেও আৰক্ষী দৃষ্টি ৰখা উচিত। আধুনিক যুগৰ ডিজিটেল মাধ্যমৰ প্ৰভাৱত সময়ৰ এতিয়া ইমানেই পৰিৱৰ্তন হ'ল যে সাচতীয়া ধনখিনিও বেংকত সুৰক্ষিত নহয়, মুঠতে ৰাইজৰ সজাগতা অবিহনে কষ্টোপাৰ্জিত সমুদায় ধন কোন সময়ত চকুৰ পলকতে হেৰুৱাব লগা হ'ব তাৰ কোনো নিশ্চয়তা নোহোৱা হ'ল।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

দৈনিক অগ্রদূত



## জাপানৰ সবাতোকৈ বয়োজ্যেষ্ঠ পুৰুষৰ ১১২ বছৰ বয়সত মৃত্যু



**নিউজ ব্যুৰ', টকিঅ', ১৪ ছেপ্টেম্বৰ ঃ** জাপানৰ সবাতোকৈ বয়োজ্যেষ্ঠ পুৰুষ হিচাৰে পৰিচিত মিকিনজু ওৱেদাৰ ১১২ বছৰ বয়সত মৃত্যু হ'ল। চৰকাৰী সূত্ৰই কালি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, নাৰা চহৰৰ মিকিনজুৱে শেষ নিশ্বাস ত্যাগ কৰিলে। মিকিনজুৰ জন্ম ১৯১০ত হৈছিল। মিকিনজুৰ মৃত্যুৰ পাছত জাপানৰ স্বাস্থ্য বিভাগে দেশখনৰ বৰ্তমানৰ সবাতোকৈ বয়োজ্যেষ্ঠ জীৱিত পুৰুষৰ নাম ঘোষণা কৰিবলৈ সাজু হৈছে। উল্লেখ্য যে যোৱা ১৯ এপ্ৰিলত বিশ্বৰ সবাতোকৈ বয়োজ্যেষ্ঠ ব্যক্তি হিচাপে স্বীকৃতি লাভ কৰা ১১৯ বছৰীয়া জাপানী মহিলা কেন টনাকাৰ মৃত্যু হৈছিল। সম্প্ৰতি অ'ছাকা নিবাসী ১১৫ বছৰীয়া ফুচা ততচুমি হৈছে বিশ্বৰ সবাতোকৈ বয়স্ক জীৱিত মহিলা।

## লণ্ডন পালেহি ৰাণীৰ মৃতদেহ, অন্তিম দৰ্শনৰ বাবে ভিৰ দেশবাসীৰ



**নিউজ ব্যুৰ', লণ্ডন, ১৪ ছেপ্টেম্বৰ ঃ** ব্ৰিটেইনৰ সদ্য প্ৰয়াত ৰাণী এলিজাবেথ দ্বিতীয়ৰ মৃতদেহ যোৱা নিশা লণ্ডনলৈ অনা হ'ল। লণ্ডনৰ ৱেষ্টমিনষ্ট'ৰ হলত আজিৰে পৰা ব্ৰিটেইনবাসীয়ে প্ৰয়াত মহাৰাণীৰ অন্তিম দৰ্শন কৰিব পাৰিব। ৰাণীৰ মৃতদেহ উক্ত স্থানলৈ অনাৰ পূৰ্বে হেজাৰ হেজাৰ অনুৰাগীয়ে শ্ৰদ্ধা নিবেদনৰ বাবে শাৰী পাতি অপেক্ষা কৰিছিল। উল্লেখ্য যে ব্ৰিটেইনত সৰ্বাধিক সময় ৰাজত্ব কৰা এলিজাবেথ দ্বিতীয়ৰ যোৱা আঠ ছেপ্টেম্বৰত স্কটলেণ্ডত মৃত্যু হৈছিল। অহা ১৯ ছেপ্টেম্বৰত ৰাণীৰ অন্তিম সংকাৰ ৰাজকীয় পৰম্পৰাৰে সম্পন্ন কৰা হ'ব। ৰাণীৰ অন্তিম সংকাৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনসহ বিশ্বৰ কে'বাজনো আগশাৰীৰ ৰাষ্ট্ৰনেতা উপস্থিত থাকিব। অন্তিম সংকাৰৰ পূৰ্বে চাৰিদিন ধৰি ব্ৰিটেইনবাসীয়ে ৰাণীৰ মৃতদেহত শ্ৰদ্ধা নিবেদন কৰিব পাৰিব।

## ৰাহুলৰ 'ভাৰত জোড়ো' অভিযানৰ মাজতে গোৱাত আঠ কংগ্ৰেছ বিধায়ক বিজেপিত



**নিউজ ব্যুৰ', পানাজী, ১৪ ছেপ্টেম্বৰ ঃ** জল্পনাই সত্য প্ৰমাণিত হ'ল। গোৱাৰ আঠজন কংগ্ৰেছ বিধায়কে আজি বিজেপিত যোগদান কৰিলে। কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে 'ভাৰত জোড়ো' পদযাত্ৰা অব্যাহত ৰখাৰ সময়তে গোৱা কংগ্ৰেছৰ আঠ বিধায়কে দলত্যাগ কৰি বিজেপিৰ সদস্য হ'ল। এই ঘটনাৰ পাছত সামাজিক মাধ্যমৰ জৰিয়তে কংগ্ৰেছক কটাক্ষ কৰি বিজেপিয়ে এইদৰে ক'লে, 'প্ৰথমে নিজৰ দলক একত্ৰিত কৰক, তাৰ পাছত দেশ একত্ৰিত কৰিব।' আজি গোৱা কংগ্ৰেছৰ প্ৰবীণ নেতা দিগম্বৰ কামাত, মাইকেল ল'ব'ৰ নেতৃত্বত আঠ বিধায়কে বিজেপিত যোগদান কৰে। কংগ্ৰেছৰ আঠ বিধায়কে এইদৰে দলত্যাগ কৰি গোৱাৰ শাসকীয় দল বিজেপিত যোগদান কৰাৰ ঘটনাই কংগ্ৰেছক আকৌ এবাৰ অস্বস্তিৰ সন্মুখীন কৰালে।

## দিল্লীত আবেদন কৰিলেহে লাভ কৰিব বিনামূলীয়া বিজুলী



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** দিল্লীৰ আম আদমী পাৰ্টি (আপ)ৰ চৰকাৰে ঘোষণা কৰা অনুসৰি দিল্লীবাসীয়ে এতিয়াৰে পৰা আবেদন দাখিল কৰিলেহে বিদ্যুতৰ বিলত ৰাজসাহায্য লাভ কৰিব। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে এই কথা প্ৰকাশ কৰি কয় যে একাংশ লোকে বিনামূলীয়া বিজুলী সেৱা গ্ৰহণ কৰিব বিচৰা নাই আৰু সেয়েহে এতিয়াৰে পৰা দিল্লীত সেইসকল লোকে বিজুলীৰ ৰাজসাহায্য লাভ কৰিব, যিসকল লোকে এই ৰাজসাহায্য বিচাৰি আবেদন দাখিল কৰিব।

## আগষ্টত দেশৰ পাইকাৰী মূল্য বৃদ্ধি ১২.৪১ শতাংশলৈ হ্ৰাস



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** যোৱা আগষ্টত দেশৰ পাইকাৰী মূল্য বৃদ্ধি কিছু হ্ৰাস পালে। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি আগষ্টত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ ১২.৪১ শতাংশলৈ হ্ৰাস পালে। ইয়াৰ পূৰ্বৰ জুলাইত পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১৩.৯৩ শতাংশ। একেদৰে জুনত এই হাৰ আছিল ১৫.১৮ শতাংশ। যোৱা জুলাইত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতি ১০ মাহৰ সৰ্বনিম্ন হৈছিল। ইয়াৰ পূৰ্বে ছেপ্টেম্বৰ ২০২১ত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ ১০.৬৬ শতাংশলৈ অৱনমিত হৈছিল। আগষ্টত অৱশ্যে দেশত খাদ্য দ্ৰব্যৰ মুদ্ৰাস্ফীতি ৯.৯৩ শতাংশলৈ বৃদ্ধি পাইছিল। জুলাইত এই হাৰ আছিল ৯.৪১ শতাংশ।

### আফগানিস্তানৰ নানগৰহাৰত আত্মগোপন কৰি আছে ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী মাছুদ আজহাৰে

# হঠাৎ ভাৰতৰ শত্ৰু মাছুদৰ গ্ৰেপ্তাৰ বিচাৰিলে পাকিস্তানে

**নিউজ ব্যুৰ' ইছলামাবাদ, ১৪ ছেপ্টেম্বৰ ঃ** সন্ত্ৰাসবাদী মাছুদ আজহাৰৰ গ্ৰেপ্তাৰী বিচাৰিলে পাকিস্তানে। ইছলামাবাদৰ বিশ্বাস যে জেহাদী সংগঠন জইচ ই মহম্মদৰ প্ৰতিষ্ঠাপক আজহাৰে সম্প্ৰতি আফগানিস্তানত আত্মগোপন কৰি আছে। এই সন্দৰ্ভত কাবুলৰ তালিবান চৰকাৰলৈ ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰিলে পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ প্ৰশাসনে। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, আফগানিস্তানৰ নানগৰহাৰ প্ৰদেশত আত্মগোপন কৰি আছে ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী মাছুদ আজহাৰে। উক্ত অঞ্চলৰ পৰাই সন্ত্ৰাসবাদীজনে জইচ ই মহম্মদক পৰিচালনা কৰি আহিছে। উল্লেখ্য যে জম্মু-কাশ্মীৰত সন্ত্ৰাস সৃষ্টি কৰিবলৈ মাছুদৰ সহযোগত পাকিস্তানৰ চোৰাংচোৱা সংস্থাই জইচ-ই-মহম্মদক প্ৰতিষ্ঠা কৰিছিল। কিন্তু এতিয়া সেই মাছুদকে গ্ৰেপ্তাৰ কৰিব বিচাৰিছে পাকিস্তান চৰকাৰে।

মাছুদৰ গ্ৰেপ্তাৰৰ দাবীৰে তালিবানলৈ পত্ৰ প্ৰেৰণ কৰিছে পাক প্ৰধানমন্ত্ৰীয়ে। কিন্তু কিয় হঠাতে মাছুদক কাৰাগাৰত ভৰাব বিচাৰিছে শ্বৰীফ চৰকাৰে? প্ৰকাশিত বাতৰি অনুসৰি, ফাইনেঞ্চিয়েল একচন টাস্ক ফ'ৰ্চ (এফ এ টি এফ)ৰ চৰ্ত পূৰণ কৰিবলৈ শ্বৰীফ চৰকাৰে মাছুদক গ্ৰেপ্তাৰ কৰাটো বিচাৰিছে। উল্লেখ্য যে এফ এ টি এফে সমগ্ৰ বিশ্বত বিত্তীয় সৰবৰাহ আৰু সন্ত্ৰাসবাদত বিত্তীয় পৃষ্ঠপোষকতাৰ বিষয়টো নিৰীক্ষণ কৰি আহিছে। লস্কৰ ই তৈবা আৰু জইচ ই মহম্মদৰ দৰে সন্ত্ৰাসবাদী সংগঠনক বিত্তীয় পৃষ্ঠপোষকতা প্ৰদানৰ অভিযোগত ২০১৮ বৰ্ষত এফ এ টি এফে পাকিস্তানক 'ধূসৰ তালিকা'ভুক্ত কৰিছিল। বিদেশী ঋণ লাভৰ ক্ষেত্ৰত পাকিস্তানে এফ এ টি এফৰ 'ধূসৰ তালিকা'ৰ পৰা মুক্তি লাভ কৰাটো জৰুৰী হৈছে আৰু এই কাৰণতে হঠাতে পাকিস্তান চৰকাৰে সন্ত্ৰাসবাদী মাছুদৰ গ্ৰেপ্তাৰ দাবী কৰিলে।



## বংগোপসাগৰত যৌথ সামৰিক অনুশীলন ভাৰত-জাপানৰ , উদ্বিগ্ন চীন



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** ইন্দো-পেচিফিক-শান্তি অব্যাহত ৰখাৰ ক্ষেত্ৰত বংগোপসাগৰত ভাৰত-জাপানৰ যৌথ সামৰিক অনুশীলন যথেষ্ট তাৎপৰ্যপূৰ্ণ। কোৱাডভুক্ত এই দুই দেশৰ পাৰস্পৰিক বুজাবুজি বৃদ্ধিৰ ফলত অৱশ্যে স্বাভাৱিকতে উদ্বিগ্ন হৈছে চীন। টাইৱান প্ৰণালীত বিগত কে'বাদিন ধৰি উত্তেজনা বৃদ্ধি পাইছে। চীনে বাৰে বাৰে টাইৱানৰ আকাশমাৰ্গত যুঁজাৰু বিমান, ড্ৰ'নৰ অনুপ্ৰৱেশ ঘটাই দ্বীপৰাষ্ট্ৰখনক প্ৰত্যাহ্বান জনাই আহিছে। এনে পৰিস্থিতিতে ইন্দো-প্ৰশান্ত অঞ্চলত কোৱাডভুক্ত দেশে যৌথ সামৰিক অনুশীলনত অংশ লোৱাত বেইজিং চিন্তিত হৈছে। ভাৰত আৰু জাপানৰ সামৰিক বাহিনীৰ বুজাবুজি বৃদ্ধি কৰিবলৈ এই যৌথ অনুশীলনৰ আয়োজন কৰা হৈছে। এই সামুদ্ৰিক অনুশীলন জাপান আৰু ভাৰতৰ যৌথ অনুশীলনৰ ষষ্ঠ সংস্কৰণ যোৱা ১১ ছেপ্টেম্বৰৰ পৰা বংগোপসাগৰত ভাৰত আৰু চীনৰ যৌথ সামৰিক অনুশীলন আৰম্ভ হৈছিল।

## জি-২০ৰ সভাপতিত্ব লাভ ভাৰতৰ, আয়োজন কৰিব পাৰিব ২০০ বৈঠক




**নিউজ ব্যুৰ' নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** ২০২৩ বৰ্ষত জি-২০ নেতৃবৰ্গৰ সন্মিলন আয়োজনৰ দায়িত্ব লাভ কৰিলে ভাৰতে। বৈদেশিক সম্পৰ্ক আৰু আন্তৰ্জাতিক কূটনীতিৰ ক্ষেত্ৰত ভাৰতৰ বাবে এই দায়িত্ব গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। এবছৰলৈ ভাৰতে জি-২০ৰ সভাপতি দেশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। চলিত বৰ্ষৰ পহিলা ডিচেম্বৰৰ পৰা এই সময়সীমা আৰম্ভ হ'ব আৰু ২০২৩ৰ ৩০ নৱেম্বৰত অন্ত পৰিব। প্ৰকাশিত বাতৰি অনুসৰি এই সময়ছোৱাত জি-২০ৰ কমেও ২০০ খন বৈঠক অনুষ্ঠিত কৰাৰ সুযোগ ভাৰতে লাভ কৰিব। ১৯ খন উন্নত আৰু উন্নয়নশীল দেশ তথা ইউৰোপীয় ইউনিয়নৰ গোষ্ঠী নেতৃত্বক ব্যৱহাৰ কৰি উদ্যোগ-বাণিজ্য, শক্তি, নিৰাপত্তা, অৰ্থনীতিৰ বিভিন্ন দিশৰ কাম-কাজ সম্পন্ন কৰিব পাৰিব ভাৰতে। ২০২৩ৰ জি-২০ৰ শীৰ্ষ বৈঠক নতুন দিল্লীত অনুষ্ঠিত হ'ব। কিন্তু ইয়াৰ পূৰ্বে বিভিন্ন দেশৰ মাজত আলাপ-আলোচনা আৰম্ভ হ'ব বুলি ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ে জানিবলৈ দিয়ে। অৰ্থনীতি, খাদ্য ব্যৱস্থা, খাদ্য বিতৰণ, খাদ্য নিৰাপত্তা, কৃষি, স্বাস্থ্য, শক্তি, বিভিন্ন ক্ষেত্ৰৰ আন্তঃগাঁথনিৰ দৰে বিভিন্ন বিষয় বিভিন্ন দেশসমূহে আলোচনা কৰিব।



## নিয়ন্ত্ৰণ হেৰুৱাই কাশ্মীৰত গভীৰ খালত বাগৰিল বাছ, নিহত কমেও ১২

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৪ ছেপ্টেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাত এখন বাছৰ চালকে নিয়ন্ত্ৰণ হেৰুওৱাত বাছখন খাৱৈত বাগৰি পৰে। এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে কমেও ১২ জন লোকে আৰু আন ৩০ জন যাত্ৰী আহত হৈছে। সূত্ৰৰ খবৰ অনুসৰি, মান্দিৰ পৰা উক্ত পৰ্যটকবাহী বাছখন উভতি অহাৰ সময়তে পুঞ্চৰ ছজিয়ানত দুৰ্ঘটনাত পতিত হৈছিল। ঘটনা সংঘটিত হোৱাৰ পাছতে আৰক্ষী আৰু সেনাই উদ্ধাৰ কাৰ্য আৰম্ভ কৰি আহতসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত পুনৰ তৃতীয় স্থানত আদানী, শীঘ্ৰে জেফকো কৰিব পাৰে অতিক্ৰম



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** ভাৰতীয় উদ্যোগপতি গৌতম আদানীৰ সম্পত্তিৰ পৰিমাণ পুনৰ বৃদ্ধি পালে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশ্বৰ কে'বাজনো অৰ্বুদপতিৰ সম্প্ৰতি সম্পত্তি হ্ৰাস পাইছে। ফ্ৰান্সৰ ব্যৱসায়ী বাৰ্নাৰ্ড অৰ্নাল্টৰ সম্পত্তিৰ পৰিমাণ যথেষ্ট হ্ৰাস পোৱাত বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত তেওঁৰ স্থান চতুৰ্থলৈ অৱনমিত হ'ল। আনহাতে, এই তালিকাত এমেজনৰ মুৰব্বী জেফ বেজ'ছে তৃতীয়ৰ পৰা দ্বিতীয় স্থানলৈ উন্নীত হ'ল। একেদৰে আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীয়ে তালিকাখনত আকৌ এবাৰ তৃতীয় স্থান লাভ কৰিলে। ব্লুমবৰ্গৰ পৰিসংখ্যা অনুসৰি মঙলবাৰে মাৰ্কিন মুদ্ৰাস্ফীতিৰ ফলত বিশ্বৰ কে'বাজনো ধনাঢ্য ব্যক্তিৰ সম্পত্তি হ্ৰাস পালে। বেজ'ছৰ সম্পত্তি এদিনত ৯.৮ বিলিয়ন ডলাৰ অৰ্থাৎ প্ৰায় ৮০,০০০ কোটি টকা অৱনমিত হ'ল। একেদৰে অৰ্বুদপতিৰ তালিকাত প্ৰথম স্থানত থকা এলন মাস্কৰ বিগত এদিনত ৮.৪ বিলিয়ন ডলাৰ অৰ্থাৎ ৭০,০০০ কোটি টকাৰ সম্পত্তি হ্ৰাস পালে। একেদৰে মাৰ্ক জুকাৰবাৰ্গ, লেৰি পেজ, চাৰ্গেই ব্ৰিন আৰু ষ্টিভ উইলমাৰৰ সম্পত্তিৰ পৰিমাণ চাৰি বিলিয়ন ডলাৰতকৈ অধিক হ্ৰাস পালে। ধনাঢ্য ব্যক্তিৰ তালিকাত থকা আদানীৰ লগতে আনজন ভাৰতীয় উদ্যোপতি মুকেশ আম্বানীৰহে সম্পত্তি বৃদ্ধি পালে। মঙলবাৰে আদানীৰ ১.৫৮ বিলিয়ন ডলাৰৰ আৰু আম্বানীৰ ১.২৩ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে। বৰ্তমানে তালিকাত আদানীয়ে তৃতীয় আৰু আম্বানীয়ে নৱম স্থানত আছে। যি হাৰত আদানীৰ সম্পত্তি বৃদ্ধি অব্যাহত আছে, সেয়া বাহাল থাকিলে অচিৰে তেওঁ এই তালিকাত দ্বিতীয় স্থান দখল কৰাৰ সম্ভাৱনা আছে। বৰ্তমানে আদানীৰ মুঠ সম্পত্তি ১৪৭ বিলিয়ন ডলাৰ হোৱাৰ বিপৰীতে দ্বিতীয় স্থানত থকা বেজ'ছৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৫০ বিলিয়ন ডলাৰ।

## এছ চি অ' বৈঠকৰ মাজতে দ্বিপাক্ষিক বৈঠকত অংশ ল'ব মোদী-পুটিনে



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** উজবেকিস্তানত আয়োজিত এছ চি অ' বৈঠকৰ মাজতে পৃথককৈ দ্বিপাক্ষিক আলোচনাত অংশ ল'ব ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে। এছ চি অ' বৈঠক অনুষ্ঠিত হোৱাৰ দুদিন পূৰ্বে ক্ৰেমলিনে এই কথা ঘোষণা কৰিলে। ৰাছিয়াই প্ৰকাশ কৰা অনুসৰি ভাৰত আৰু ৰাছিয়াৰ দ্বিপাক্ষিক বৈঠকত মূলতঃ ভাৰতীয় বজাৰলৈ ৰুছ পণ্য প্ৰেৰণ আৰু দ্বিপাক্ষিক খাদ্য সৰবৰাহ সংক্ৰান্ত বিষয় আলোচনা কৰা হ'ব। অৱশ্যে সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত আৰু ৰাছিয়াৰ ৰাষ্ট্ৰনেতাৰ প্ৰস্তাৱিত বৈঠক যথেষ্ট গুৰুত্বপূৰ্ণ বিবেচনা কৰিছে কূটনৈতিক মহলে। ভাৰতৰ স'তে সুসম্পৰ্ক অব্যাহত ৰাখিবলৈ ৰাছিয়া আগ্ৰহী আৰু ভৱিষ্যতৰ কথা চিন্তা কৰি উভয় দেশে অগ্ৰসৰ হোৱা উচিত বুলি পুটিন প্ৰশাসনে মত প্ৰকাশ কৰে।

## জলপথৰে ২০০ কোটি টকাৰ মাদক সৰবৰাহৰ অপচেষ্টা, গুজৰাটত গ্ৰেপ্তাৰ ছয় পাকিস্তানী



**নিউজ ব্যুৰ', আহমেদাবাদ, ১৪ ছেপ্টেম্বৰ ঃ** গুজৰাট উপকূলৰ পৰা ছয় পাকিস্তানীক গ্ৰেপ্তাৰ কৰিলে ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে। প্ৰাপ্ত বাতৰি অনুসৰি, প্ৰায় ২০০ কোটি টকা মূল্যৰ নিষিদ্ধ মাদকসহ ছয় পাকিস্তানীক ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে গ্ৰেপ্তাৰ কৰে। পাকিস্তানী সৰবৰাহকাৰী দলটোৱে মাছ ধৰাৰ নৌকাৰে গুজৰাট হৈ ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছিল। উপকূলৰক্ষী বাহিনীয়ে আজি প্ৰকাশ কৰা অনুসৰি জলপথৰে ২০০ কোটি টকীয়া মাদক দ্ৰব্য সৰবৰাহৰ অপচেষ্টা চলোৱা ধৃত পাকিস্তানী নাগৰিককেইজনক জেৰা অব্যাহত ৰখা হৈছে। ভাৰতীয় জলসীমাৰ ছয় মাইল ভিতৰত প্ৰৱেশ কৰাৰ সময়তে উপকূলৰক্ষী বাহিনীয়ে নৌকাসহ পাকিস্তানী নাগৰিককেইজনক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা মাদকৰ সৰহ সংখ্যকে হৈছে হেৰ'ইন।

## আৰ্মেনিয়া-আজাৰবাইজানৰ মাজত সংঘৰ্ষত নিহতৰ সংখ্যা ৯৯লৈ বৃদ্ধি



**নিউজ ব্যুৰ', য়েৰেবান, ১৪ ছেপ্টেম্বৰ ঃ** আৰ্মেনিয়া আৰু আজাৰবাইজানৰ সীমান্তত অব্যাহত থকা সংঘৰ্ষত উভয় পক্ষৰ কমেও ৯৯ জন সৈনিকৰ মৃত্যু হ'ল। ২০১৯ৰ পৰাই আৰ্মেনিয়া আৰু আজাৰবাইজানৰ মাজত সীমা বিবাদৰ পৰিণতিত সংঘৰ্ষ অব্যাহত আছে। আৰ্মেনিয়াৰ প্ৰধানমন্ত্ৰীয়ে কালি দাবী কৰি কৈছিল যে আজাৰবাইজানে চলোৱা বোমাবৰ্ষণৰ ঘটনাত আৰ্মেনিয়াৰ ৪৯ জন সৈনিকৰ মৃত্যু হ'ল। ইফালে, আজাৰবাইজানে দাবী কৰা অনুসৰি, আৰ্মেনিয়াৰ সেনাই কৰা বোমাবৰ্ষণৰ ফলত ৫০ জন আজাৰবাইজানৰ সেনাৰ মৃত্যু হ'ল। ৰাছিয়াই আৰ্মেনিয়া আৰু আজাৰবাইজানৰ সংঘাত দূৰ কৰিবলৈ মধ্যস্থতাকাৰীৰ ভূমিত অৱতীৰ্ণ হৈছে। উল্লেখ্য যে মূলতঃ নাগৰ্ন'-কাৰাবাখৰ দখল অধিকাৰক লৈ আৰ্মেনিয়া আৰু আজাৰবাইজানৰ মাজত সংঘাত অব্যাহত আছে। ২০২০ত ছসপ্তাহ ধৰি চলা উভয় দেশৰ যুদ্ধত ৬৬০০ৰো অধিক লোকৰ মৃত্যু হৈছিল।

## ২০০ কোটিটকীয়া প্ৰবঞ্চনাৰ গোচৰত অভিনেত্ৰী জেকলিনক জেৰা আৰম্ভ আৰক্ষীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** ২০০ কোটিটকীয়া প্ৰবঞ্চনাৰ গোচৰত বলিউডৰ অভিনেত্ৰী জেকলিন ফাৰ্ণাণ্ডেজক আজি দিল্লী আৰক্ষীয়ে জেৰা কৰিলে। অভিনেত্ৰীগৰাকীয়ে আজি পুৱাতে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ গোচৰত সোধাপোছাৰ বাবে দিল্লী আৰক্ষীৰ কাৰ্যালয়ত উপস্থিত হৈছিল। জেকলিনৰ লগতে পিংকী ইৰানীও দিল্লী আৰক্ষীৰ বিশেষ শাখাৰ কাৰ্যালয়ত আজি উপস্থিত আছিল। উল্লেখ্য যে পিংকীয়ে জেকলিনক প্ৰবঞ্চক সুকেশ চন্দ্ৰশেখৰৰ স'তে চিনাকি কৰাই দিছিল। পিংকীৰ জৰিয়তে সুকেশে জেকলিনক উপহাৰো দিছিল। দিল্লী আৰক্ষীয়ে এই গোচৰত সোধাপোছাৰ বাবে জেকলিনক পূৰ্বে দুবাৰ চমন দিছিল যদিও অভিনেত্ৰীগৰাকীয়ে জেৰাত অংশ লোৱা নাছিল। অৱশ্যে তৃতীয় চমনৰ প্ৰতি সঁহাৰি জনাই জেকলিনে আজি দিল্লী আৰক্ষীৰ বিশেষ শাখাত উপস্থিত হ'ল।

## ২৪ ঘণ্টাত দেশৰ ক'ভিড সংক্ৰমণ পুনৰ পাঁচ হেজাৰৰ উৰ্দ্ধৰ্লৈ, মৃত্যু ১৯ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** পুনৰ উৰ্দ্ধমুখী হ'ল ভাৰতৰ দৈনিক ক'ভিড সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ৫১০৮ জন লোক। মঙলবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৪৩৬৯ জন। যোৱা ২৪ ঘণ্টাত কেৰালাত ১৬৫১, মহাৰাষ্ট্ৰত ৭৩০, তামিলনাডুত ৪২১, কৰ্ণাটকত ৩৪৪, ওড়িছাত ২২৯ আৰু গুজৰাটত ১৮৭ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত বিগত এদিনত দেশত প্ৰাণ হেৰুৱালে ১৯ জন লোকে। মৃতকৰ মাজত মহাৰাষ্ট্ৰৰ চাৰিজন, কৰ্ণাটকৰ তিনিজন, গুজৰাটৰ তিনিজন, চত্তিছগড়ৰ দুজন আৰু বিহাৰৰ দুজন ব্যক্তি আছে।

## ছসপ্তাহৰ ভিতৰত চৰকাৰী বাসগৃহ খালী কৰিবলৈ আদালতৰ নিৰ্দেশ বিজেপি নেতা স্বামীক



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ কাৰণত ২০১৬ত বিজেপিৰ নেতা সুব্ৰমনিয়াম স্বামীক চৰকাৰী বাসগৃহ আবণ্টন দিয়া হৈছিল। এই চৰকাৰী বাসগৃহ স্বামীয়ে অহা ছসপ্তাহৰ ভিতৰত খালী কৰিব লাগিব। দিল্লী উচ্চ ন্যায়ালয়ে আজি বিজেপিৰ নেতাজনক এই নিৰ্দেশ দিলে। স্বামীয়ে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰি উক্ত চৰকাৰী বাসগৃহৰ পুনৰ আবণ্টন দাবী কৰিছিল। উল্লেখ্য যে স্বামীয়ে ২০১৬ৰ ১৫ জানুৱাৰীৰ পৰা উক্ত চৰকাৰী আবাসগৃহত বাস কৰি আহিছে। ২০২২ৰ এপ্ৰিলত স্বামীৰ ৰাজ্যসভাৰ কাৰ্যকাল সমাপ্ত হোৱাৰ পাছত নিৰাপত্তাজনিত কাৰণ প্ৰদৰ্শন কৰি তেওঁ উক্ত চৰকাৰী বাসগৃহ পুনৰ আবণ্টনৰ দাবী জনাইছিল। কেন্দ্ৰীয় চৰকাৰে স্বামীৰ এই আবেদনৰ বিৰোধিতা কৰি কৈছিল যে মন্ত্ৰী পৰিষদ আৰু ন্যায়াধীশৰ সংখ্যা বৃদ্ধিৰ ফলত চৰকাৰী আবাসগৃহৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে।

## গুজৰাটত নিৰ্মীয়মান অট্টালিকাৰ লিফ্‌ট খহি সাত শ্ৰমিকৰ মৃত্যু

**নিউজ ব্যুৰ', আহমেদাবাদ, ১৪ ছেপ্টেম্বৰ ঃ** গুজৰাটৰ আহমেদাবাদত এটা নিৰ্মীয়মান অট্টালিকাৰ লিফ্‌ট ভাঙি খহি পৰাৰ ফলত সাতজন শ্ৰমিকৰ মৃত্যু হ'ল। এই মৰ্মান্তিক ঘটনা সংঘটিত হ'ল গুজৰাট বিশ্ববিদ্যালয়ৰ সমীপৰ এটা চৌহদত। এছপায়াৰ-২ নামৰ বহুমহলীয়া অট্টালিকাত পুৱা শ্ৰমিকে লিফ্‌টত উঠি কামৰ বাবে অট্টালিকাৰ ওপৰলৈ গৈছিল। লিফ্‌টে সপ্তম মহলা পোৱাৰ সময়তে হঠাতে লিফ্‌টখন ভাঙি খহি পৰে আৰু ঘটনাস্থলীতে সাত শ্ৰমিকৰ মৃত্যু হ'ল। আন এজন শ্ৰমিকক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।



## পাকিস্তানত বোমা বিস্ফোৰণত কমেও পাঁচজন লোকৰ মৃত্যু



**নিউজ ব্যুৰ', পেছোৱাৰ, ১৪ ছেপ্টেম্বৰ ঃ** পাকিস্তানৰ অশান্ত খাইবাৰ পাখতুনখাৱা জিলাত এক বোমা বিস্ফোৰণৰ ঘটনাত কমেও পাঁচজন লোকৰ মৃত্যু হ'ল। বিস্ফোৰণত নিহতৰ মাজত শান্তি সমিতিৰ এজন সদস্য আৰু দুজন আৰক্ষী বিষয়াও আছে। নিৰাপত্তা বাহিনীয়ে প্ৰকাশ কৰা মতে, আক্ৰমণকাৰীয়ে ইদ্ৰিছ খান নামৰ পূৰ্বৰ গ্ৰাম ৰক্ষা পৰিষদৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা ব্যক্তি এজনৰ বাহনক লক্ষ্য হিচাপে লৈ বোমা নিক্ষেপ কৰিছিল। বিস্ফোৰণৰ ফলত খানৰ লগতে তেওঁৰ নিৰাপত্তাৰক্ষী আৰু দুজন আৰক্ষীৰ মৃত্যু ঘটে। আৰক্ষীয়ে আক্ৰমণকাৰীৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।

# উপায়ুক্তৰ অধ্যক্ষতাত জিলা উন্নয়ন সমিতিৰ সভা সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নৱনিযুক্ত উপায়ুক্ত আদিত্য বিক্ৰম যাদৱৰ অধ্যক্ষতাত কালি শিৱসাগৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত শিৱসাগৰ জিলাৰ জিলা উন্নয়ন সমিতিৰ সভা অনুষ্ঠিত হয়। সভাত জিলাখনৰ বিভিন্ন বিভাগৰ অধীনত সমাপ্ত হোৱা আৰু বৰ্তমান চলি থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। সভাত কৃষি, উদ্যোগ আৰু বাণিজ্য, পশুপালন আৰু পশুচিকিৎসা, শিক্ষা, পৰিৱেশ আৰু বন, মীন, ৰেছম, লোকনিৰ্মাণ গৃহ আৰু লোকনিৰ্মাণ পথ, খাদ্য আৰু অসমাৰিক যোগান, জলসম্পদ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, ভূমি সংৰক্ষণ, প্ৰদূষণ নিয়ন্ত্ৰণ, পুৰাতত্ত্ব, শ্ৰম, সমাজ কল্যাণ আদিকে ধৰি বিভিন্ন বিভাগৰ কামৰ অগ্ৰগতিৰ খতিয়ান লয় উপায়ুক্ত আদিত্য বিক্ৰম যাদৱে। উল্লেখ্য যে সভাত উপায়ুক্তজনে বিভাগসমূহক পৰামৰ্শ জ্ঞাপন কৰি ৰাইজৰ কল্যাণৰ স্বাৰ্থত আঁচনিসমূহ ফলপ্ৰসূভাৱে আৰু সময়মতে সম্পন্ন কৰিবলৈ আহ্বান জনায়। জিলা উন্নয়ন সমিতিৰ সভাত উপায়ুক্তৰ উপৰি জিলা উন্নয়ন আয়ুক্ত শোভন গোৱলা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্চিনী দলে, অতিৰিক্ত উপায়ুক্তদ্বয় চন্দনা বৰুৱা, মন্দিৰা বৰুৱা, নাজিৰা মহকুমাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপ, জিলাখনৰ বিভিন্ন বিভাগৰ বিভাগীয় মুৰব্বী বিষয়াসকলৰ লগতে উপায়ুক্ত কাৰ্যালয় আৰু শিৱসাগৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# কোচ ৰাজবংশী সাহিত্য সভাৰ শালকোচা শাখা গঠন



অগ্ৰদূত বাৰ্তা

**চাপৰ, ১৪ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত শালকোচাস্থিত শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাগৃহত আজি বিয়লি তিনি বজাত অনুষ্ঠিত এখন সাধাৰণ সভাযোগে কোচ ৰাজবংশী সাহিত্য সভাৰ শালকোচা শাখা গঠন কৰা হয়। সভাপতি-সম্পাদককে ধৰি মুঠ ২১ কাৰ্যকৰী সদস্যৰে উক্ত শাখা সমিতিখন গঠন কৰা হয়। হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক দ্বিপেন্দ্ৰ নাৰায়ণ সিংহৰ সভাপতিত্বত আজিৰ সাধাৰণ সভাখন অনুষ্ঠিত হয়। সাধাৰণ সভাত ৰাইজৰ প্ৰস্তাৱমৰ্মে শালকোচা শাখা কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতিৰূপে দেৱজ্যোতি বৰ্মন আৰু সাধাৰণ সম্পাদক হিচাপে কনক চন্দ্ৰ বৰ্মনক নিৰ্বাচিত কৰা হয়। নৱ নিযুক্ত সমিতিখনৰ সম্পাদক কনক চন্দ্ৰ বৰ্মনে আজি সন্ধিয়া এক বিবৃতিযোগে এই কথা জানিবলৈ দিছে। দিলীপ বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত বিলাসীপাৰা জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি দেৱানন চৌধুৰী, সাধাৰণ সম্পাদক ড° মাণিক সিংহ, উপ-সভাপতিদ্বয় ব্ৰজেন সৰকাৰ আৰু সাধুচৰণ বৰ্মন, সাংস্কৃতিক সম্পাদকদ্বয় দেৱেশ চন্দ্ৰ ৰায় আৰু অকণলতা সিংহ, পুখুৰীপাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি ৰোহিত চন্দ্ৰ বৰ্মন, শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য পূৰ্ণেন্দু কিশোৰ বৰ্মণ, বিশিষ্ট সমাজসেৱক প্ৰদীপ কুমাৰ বৰ্মন, বিশিষ্ট অনাতাঁৰ শিল্পী গোৱৰ্ধন বৰ্মন, শালকোচা গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্যা আলোচনা দেৱী, পুখুৰীপাৰা গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্য বিজিত বৰ্মন তথা শালকোচা অঞ্চলৰ সক্ৰিয় ৰাজহুৱা যুৱকৰ্মী ভাস্কৰ সিংহকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শতাধিক পুৰুষ-মহিলা উপস্থিত থকা আজিৰ সভাত কোচ ৰাজবংশী ভাষা-সাহিত্যৰ উন্নয়নৰ হকে কাম কৰি যোৱাৰ বাবে সংকল্প গ্ৰহণ কৰা হয়।

# বিশ্বনাথত বিশ্বনাথ জিলা ই-ৰিক্সা সন্থাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৪ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ নগৰস্থিত ই-ৰিক্সা সন্থাৰ কাৰ্যালয়ত কালি অনুষ্ঠিত হয় বিশ্বনাথ জিলা ই-ৰিক্সা সন্থাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা। এই সভাত সভাপতিত্ব কৰে বিশ্বনাথ জিলা ই-ৰিক্সা সন্থাৰ সভাপতি বিপুল বৰাই। এই কাৰ্যনিৰ্বাহক সভাত বিশ্বনাথ জিলা ই-ৰিক্সা সন্থাই কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বিশ্বনাথ জিলা ই-ৰিক্সা সন্থাৰ অন্তৰ্গত প্ৰতিটো আঞ্চলিক সমিতিয়ে নিজাববীয়াকৈ নিজ অঞ্চলত বিশ্বকৰ্মা পূজা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশ্বকৰ্মা পূজাৰ লগত সংগতি ৰাখি অহা ১৯ ছেপ্টেম্বৰত বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত এক ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ লগতে এক বিশাল বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে বিশ্বনাথ জিলা ই-ৰিক্সা সন্থাই। ইয়াৰ লগতে কালিৰ কাৰ্যনিৰ্বাহক সভাত বিশ্বনাথ জিলাৰ ই-ৰিক্সা চালকসকলে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত অনাগত সময়ত কিদৰে ভূমিকা গ্ৰহণ কৰিব এই ক্ষেত্ৰতো আলোচনা কৰে। কালিৰ এই কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰে বিশ্বনাথ জিলা ই-ৰিক্সা সন্থাৰ সভাপতি-সম্পাদককে ধৰি বিভিন্ন আঞ্চলিক সমিতিৰ সভাপতি সম্পাদক আৰু বিভিন্ন বিষয়ববীয়াসকলে।

■ অসমীয়া মাধ্যমৰ ছাত্ৰৰ সাফল্য

# দলগোমা বৰকান্দাৰ আকিমুল ৰহমানে নীটত ৬৫৪ নম্বৰ লাভেৰে উজলিল

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৪ ছেপ্টেম্বৰ ঃ** অসমীয়া মাধ্যমত অধ্যায়ন কৰি সৰ্বভাৰতীয় চিকিৎসা সেৱাৰ বাছনি পৰীক্ষাত ৬৫৪ নম্বৰ লাভেৰে উজলি উঠিল গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত বৰকান্দাৰ অতি সাধাৰণ পৰিয়ালৰ সন্তান আকিমুল ৰহমানে। প্ৰাথমিক স্তৰৰ পৰাই মেধাৰ পৰিচয় দি অহা বুদুচৰ গাঁও পঞ্চয়তৰ অন্তৰ্গত বৰকান্দা গাঁৱৰ আতোৱাৰ ৰহমান আৰু আনিছা বেগমৰ দ্বিতীয় পুত্ৰ আকিমুলে ২০১৯ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত দলগোমা উচ্চতৰ মাধ্যমিকৰ পৰা অৱতীৰ্ণ হৈ সাধাৰণ গণিত আৰু সমাজ বিজ্ঞানত ১০০ নম্বৰ লাভ কৰাৰ লগতে আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ মুঠ ৫৬৩ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। মেট্ৰিক উত্তীৰ্ণৰ পাছত গোৱালপাৰা চহৰৰ কল্পনা চাওলা মেম'ৰিয়েল একাডেমীত উচ্চতৰ মাধ্যমিক অধ্যয়ন কৰি ক'ভিডকালীন পৰিস্থিতিৰ বাবেই পৰীক্ষা অবিহনেই দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হয় আৰু পৰৱৰ্তী সময়ত গুৱাহাটী ৰাজগৰৰ এফিনিটি ক্লাছেছত ক'চিং কৰি এইবেলি সৰ্বভাৰতীয় মেডিকেল বাছনি পৰীক্ষাত অৱতীৰ্ণ হৈ ৭২০ নম্বৰৰ ভিতৰত ৬৫৪ নম্বৰ লাভ কৰে। উল্লেখ্য যে স্থানীয় ২০৪৬ নম্বৰ বৰকান্দা জয়পুৰ প্ৰাথমিক বিদ্যালয়ত অধ্যয়ন কৰা আকিমুলে ২০১৪ত অনুষ্ঠিত মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাৰ লগতে দলগোমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰা সময়ত অষ্টম শ্ৰেণীৰ বৃত্তি পৰীক্ষাতো সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছিল। দ্বাদশ শ্ৰেণীলৈকে অসমীয়া মাধ্যমত অধ্যায়ন কৰাৰ পাছত নীটত ইংৰাজী মাধ্যমত পৰীক্ষা দি উজলি উঠাত আকিমুলে অধ্যয়ন কৰা প্ৰতিটো শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই উৎফুল্লিত হৈ পৰিছে। ইপিনে, ইচ্ছা শক্তি থাকিলে উচ্চ শিক্ষাৰ ক্ষেত্ৰত মাধ্যম যে অন্তৰায় নহয় তাকে পুনৰ প্ৰমাণিত কৰিলে অতিকৈ পিছপৰা অঞ্চলৰ ছাত্ৰ আকিমুল ৰহমানে।

# অগপ সমৰ্থক হোৱা বাবেই আজিও মুখ্যমন্ত্ৰীৰ ৰোষৰ বলি উত্তৰ-গুৱাহাটীৰ এটি অঞ্চল



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** উত্তৰ গুৱাহাটীৰ বাট-পথৰ দুৰৱস্থাই মুখ্যমন্ত্ৰীৰ সমষ্টি উন্নয়নৰ প্ৰতি খোদ মুখ্যমন্ত্ৰীৰ দায়বদ্ধতাক স্পষ্ট ৰূপত উদঙাই দিছে। উল্লেখ্য যে জালুকবাৰী সমষ্টিৰ উন্নয়ন অসমৰ শীৰ্ষত বুলি কোৱা হয়, সেয়া যেন ভিতৰে ৰং চং বাহিৰে কোৱা ভাতুৰীৰ লেখীয়াহে। খোৱাপানী, চিকিৎসালয়, শিক্ষানুষ্ঠান, যাতায়াত ব্যৱস্থা সকলোতে পিছ পৰা জালুকবাৰী সমষ্টি উত্তৰ গুৱাহাটী। বিশেষকৈ বাট-পথ যাতায়াতৰ ক্ষেত্ৰত অতি পুতৌলগা অঞ্চল। উত্তৰ গুৱাহাটীৰ অতি ব্যস্ত পথ ৰুদ্ৰেশ্বৰ ৰহধলা হৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন। এই পথছোৱাত বিগত সাতবছৰে কোনো মেৰামতি নোহোৱাত খাল-বাম হৈ ব্যৱহাৰৰ কাহানিবাই অনুপযোগী হৈ আছে। তাতে জাইকাৰ পাইপ বহুৱা আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটি মূল পানী যোগান আঁচনিৰ পাইপ বহুৱাৰ নামত খান্দি মাটিৰে পুৰ নকৰাত বহু দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ইফালে, পথছোৱা প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাৰ অধীনত ঠিকা লাভ কৰা বিতৰ্কিত ঠিকাদাৰ ছেৰু খানৰ পালমৰা কামৰ বাবে নিৰ্মাণৰ পাছতে দ' খালৰ সৃষ্টি হৈছিল। বৰষুণৰ পানী গাঁতত ভৰি পৰাত ব্যস্ততাপূৰ্ণ পথছোৱাত সঘন দুৰ্ঘটনা সংঘটিত হৈ আহিছে। আমিনগাঁও লোকনিৰ্মাণ বিভাগৰ অভিযন্তাই পৰ্যবেক্ষণ কৰি শীঘ্ৰে ব্যৱস্থা কৰাৰ আশ্বাস দিসে যদিও আজি সাতবছৰে একো এটা নকৰাৰ অভিযোগ উঠিছে। বৰ্তমান নৱগঠিত পৌৰসভা অঞ্চলৰ পথছোৱাত আজিকোপতি নলা নিৰ্মাণ নোহোৱাত বৰষুণৰ পানীৰে একাকাৰ হৈ পৰাত পথাচাৰী তথা বাহন আৰোহী দুৰ্ঘটনাগ্ৰস্ত হৈ আহিছে। অভিযোগ অনুসৰি, হিমন্ত বিশ্ব শৰ্মাৰ কংগ্ৰেছ আমোলত অঞ্চলটোৰ লোকসকল অগপমুখী আছিল। যাৰ বাবে তেতিয়াৰে পৰা সেই অঞ্চলটোত কোনো চৰকাৰী আঁচনিয়ে আজিও ঢুকি নাপায়। কোনো চৰকাৰী আঁচনিৰে অংশীদাৰ হ'বলৈ নাপায় তথা বোকাপানীৰ পথছোৱাই এতিয়া অঞ্চলটোৰ লোকক বিজেপি চৰকাৰৰ স্বাৰ্থপৰতাৰ বাবে আমুৱাইছে। আগন্তুক লোকসভা নিৰ্বাচনত উচিত শিক্ষা দিয়াৰ বাবে ৰহধলা-ৰুদ্ৰেশ্বৰৰ ভোটাৰে টঙালি বান্ধিছে।

# টীয়কত সপ্তাহটোত তিনিটাকৈ চুৰি কাণ্ড

অগ্ৰদূত বাৰ্তা

**জাঁজী, ১৪ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি নিতৌ সংঘটিত হৈছে চুৰি কাণ্ড। কালি দিনদুপৰতে টীয়কৰ কানুপুখুৰীত পেগোদা বৰবৰা নামৰ এগৰাকী শিক্ষয়িত্ৰীৰ ঘৰত মানুহ নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে চুৰি কৰি লৈ যায় লক্ষাধিক টকাৰ সামগ্ৰী। দিনৰ ভাগতেই ঘৰৰ পাছফালৰ দৰ্জা ভাঙি আলমিৰাৰ পৰা নগদ সাতহেজাৰ টকা, দুডাল সোণৰ চেইন আৰু পাঁচটাকৈ সোণৰ আঙঠি, কাণফুলিসহ লৈ চোৰ উধাও হয়। ইতিমধ্যে টীয়ক আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও দুৰ্বৃত্তক আটক কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে কালিৰ পৰা কেইদিনমানৰ পূৰ্বে কানুপুখুৰীৰ তিনিআলিৰ পংকজজ্যোতি বৰুৱাৰ ইউপিএল অনলাইন নামৰ চেণ্টাৰটোত নিশা চোৰ সোমাই লৈ যায় চেণ্টাৰটোৰ চাৰিটাকৈ লেপটপ, নগদ ধনসহ বহু নথিপত্ৰ। আনফালে, দুটা দিনৰ পূৰ্বে টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত এটা অনুষ্ঠানত কাৰিকৰ কৰিবলৈ অহা সূৰ্যজিৎ গোস্বামীৰ এএছ-০৩-৫২৯৮ নম্বৰৰ এখন ছুপাৰ স্প্লেণ্ডাৰ মটৰ চাইকেলখন চুৰি হয়। তাৎপৰ্য বিষয় যে এটা সপ্তাহত তিনিটাকৈ সংঘটিত চুৰি কাণ্ডত টীয়কবাসী শংকিত হৈ পৰিছে। চৰকাৰৰ সাহায্য গ্ৰহণ কৰি প্ৰতিখন গাঁৱত গাঁওৰক্ষী বাহিনী আছে যদিও নামতহে গাঁওৰক্ষী বাহিনী আছে বুলি ক্ষোভ উজাৰি অনতি পলমে টীয়ক আৰক্ষীক পহৰা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# এখন মাৰ্কশ্বিটে শিক্ষাৰ্থীৰ গুণগত মান নিৰূপণ নকৰে

■ বৰভাগত পশ্চিম বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১৪ ছেপ্টেম্বৰ ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অধীনৰ পশ্চিম উপৰ বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কালি কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অঞ্চলটোৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অসীমজ্যোতি ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত অতিথিৰূপে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদে কয় যে এখন মাৰ্কছিটে শিক্ষাৰ্থীৰ গুণগত মান নিৰূপণ নকৰে। শিক্ষাৰ মূল লক্ষ্য আৰু উদ্দেশ্যৰ সমান্তৰালকৈ যি জ্ঞানে শক্তি দিয়ে সেই জ্ঞান আহৰণ কৰিবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিয়ে। সভাত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ তথা শ্ৰেষ্ঠ তাৰ্কিক ত্ৰিদীপ ভাগৱতীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে সঘনাই ইন্টাৰনেটত আত্মনিয়োগ কৰাৰ সমান্তৰালকৈ অন্যান্য পুথি অধ্যয়নতো মনোনিবেশ কৰিব লাগে। নতুন প্ৰজন্মই বৰ্তমান যোগাযোগ ব্যৱস্থাক আশীৰ্বাদ বুলি ধৰি ল'লে নিজৰ লগতে সমাজখনো উপকৃত হ'ব। বিশ্ব সংস্কৃতিক আঁকোৱালি লোৱাৰ লগতে আজিৰ প্ৰজন্মই অসমৰ নাগাৰা নাম আৰু ওজাপালিকো আদৰি ল'ব লাগে বুলি ভাষণ প্ৰসংগত তেওঁ প্ৰকাশ কৰে। অনুষ্ঠানত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই কয় যে সমাজখনৰ প্ৰতি দায়বদ্ধ হৈ শিক্ষাৰ্থীসকলে নিজৰ জীৱনৰ লক্ষ্যপ্ৰাপ্তিৰ যাত্ৰাপথত আগুৱাই যাব লাগিব। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ফণীধৰ বৰুৱাই পৰিচালনা কৰা অভিনন্দন অনুষ্ঠানত অঞ্চলটোৰ ৫৮ গৰাকী কীৰ্তিমানক মানপত্ৰ আৰু কিতাপেৰে অভিনন্দন জনায়। অনুষ্ঠানত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকৰ লগতে অন্যান্য বহুকেইগৰাকী বিষয়ববীয়া, মাধ্যমিক কৰ্মচাৰী পৰিষদৰ অমল কুমাৰ দাস, প্ৰশান্ত নাৰায়ণ চৌধুৰী আদি উপস্থিত থাকে।

# ছিপাঝাৰত নিশা বজ্ৰপাতত ব্যৱসায়িক প্ৰতিষ্ঠান ধ্বংস

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১৪ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰত যোৱা ১২ ছেপ্টেম্বৰৰ নিশা বজ্ৰপাতত এখন ব্যৱসায়িক প্ৰতিষ্ঠান জ্বলি শেষ হৈ যায়। ঘটনাৰ বিৱৰণীত প্ৰকাশ যে যোৱা নিশা এজাক বৰষুণ আহে। হঠাৎ এক প্ৰচণ্ড বজ্ৰপাত হয় আৰু বজ্ৰপাতৰ ফলত সংঘটিত হয় ভয়ানক অগ্নিকাণ্ডৰ। লগে লগে ব্যৱসায়িক প্ৰতিষ্ঠানখন জ্বলি ছাই হৈ যায়। 'মেৰ্ছাচ আহমেদ ট্ৰেদাৰ্চ' নামৰ হাৰ্ডওৱেৰ প্ৰতিষ্ঠানত সংঘটিত হয় এই ঘটনা। নিশা ১২.৩০ বজাত অহা বৰষুণৰ মাজতে হৈছিল বজ্ৰপাত। তেতিয়াও পৰিবাহিত হৈ আছিল বিদ্যুৎ। মুহূৰ্ততে জুয়ে আগুৰি ধৰে ব্যৱসায়িক প্ৰতিষ্ঠানখন। পাছত ছিপাঝাৰৰ অগ্নি নিৰ্বাপক বাহিনীৰ তিনিখনকৈ বাহনে জুই নিৰ্বাপণ কৰে যদিও ইতিমধ্যে ধ্বংস হয় ব্যৱসায়িক প্ৰতিষ্ঠানখন। প্ৰায় কোটি টকাৰ ক্ষতি হয় এই ঘটনাত। সৌভাগ্যক্ৰমে ঘটনাৰ সময়ত গৰাকী প্ৰতিষ্ঠানখনত নাছিল। লক্ষ্যণীয় যে দেওবাৰৰ নিশাও বজ্ৰপাতত ব্যাসপাৰাৰ আন এটি পৰিয়ালৰ ক্ষতি হয়।

# ভগনীয়াত চাৰি দোকানত চুৰিকাণ্ড

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ১৪ ছেপ্টেম্বৰ ঃ** তিতাবৰ আৰক্ষী থানাৰ অন্তৰ্গত মেলামাটি গাঁও পঞ্চায়তৰ ভগনীয়া গাঁৱত যোৱা ১২ ছেপ্টেম্বৰৰ নিশা একে ঠাইতে থকা চাৰিখন দোকানত চোৰ সোমাই লুটপাট কৰে। ভগনীয়া গাঁৱৰ বাখৰবৰা প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত আৰু প্ৰগতি মধ্য ইংৰাজী বিদ্যালয়লৈ সোমোৱা পথৰ সন্মুখত থকা এখন ইলেক্ট্ৰনিকছৰ দোকান, এখন গেলামালৰ দোকান, এটা এছবিআইৰ পইণ্টত, এখন মাছ-মাংসৰ দোকান, নাতি দূৰত থকা আন এখন দোকানত চুৰিকাণ্ড সংঘটিত হয়। ইলেক্ট্ৰনিক দোকানৰ পৰা এটা প্ৰিণ্টাৰ চোৰে লৈ যায়। দোকান ঘৰৰ ওপৰত টিন এৰুৱাই চোৰ সোমোৱাৰ চিন পৰিলক্ষিত হয়। ইতিমধ্যে তিতাবৰ থানাৰ আৰক্ষী আহি পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰিছে। স্থানীয় ৰাইজে সদৰী কৰা মতে, গাঁওখনত থকা ভিডিপিৰ ভূমিকা নিষ্ক্ৰিয়তাৰ ফলতে এনে চুৰিকাণ্ড সংঘটিত কৰিবলৈ সুবিধা পাইছে। কাজেই তিতাবৰ আৰক্ষী থানাৰ অধীনত থকা গাঁওৰক্ষী বাহিনীৰ দায়িত্ব সঠিকভাৱে পালন কৰাৰ ক্ষেত্ৰত কঠোৰ হ'বলৈ ৰাইজে আহ্বান জনাইছে।



*কাজলগাঁৱত ইউএন ব্ৰহ্ম মহাবিদ্যালয়ত অনুষ্ঠিত গ্ৰন্থমেলাত গ্ৰন্থৰ সুবাস বিচাৰি একাংশ ছাত্ৰ-ছাত্ৰী।*

# নতুন শিক্ষা-নীতিৰ প্ৰত্যাহ্বান আৰু সুযোগ সকলোৱে গ্ৰহণ কৰিব লাগিব

■ ডিগবৈ মহাবিদ্যালয়ত নৱাগত আদৰণি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকা

**ডিগবৈ, ১৪ ছেপ্টেম্বৰ ঃ** 'নতুন শিক্ষা-নীতিৰ প্ৰত্যাহ্বান আৰু সুযোগ আমি সকলো পক্ষই গ্ৰহণ কৰিব লাগিব।' এই মন্তব্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকাৰ, কালি ডিগবৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত মুখ্য অতিথিৰূপে উপস্থিত থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হাজৰিকাই কয় যে ৰাষ্ট্ৰীয় শিক্ষা-নীতি ২০২০ৰ ৰূপায়ণ অহা বৰ্ষৰ পৰা আৰম্ভ হ'ব। এই নতুন শিক্ষা-নীতিৰ বাবে শিক্ষক সমাজৰ লগতে ছাত্ৰ সমাজ সাজু হ'ব লাগিব। এই শিক্ষা-নীতিয়ে আনিব পৰা প্ৰত্যাহ্বান আৰু সুযোগৰ সময়োচিত আৰু যথাযথ পদক্ষেপ সকলো পক্ষই গ্ৰহণ কৰিব লাগিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দীপ শইকীয়াৰ সভাপতিত্ব অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সম্পাদক দিগ্‌বিজয় বৰগোহাঁয়ে। ছাত্ৰ একতা সভাৰ মুখ্য তত্ত্বাৱধায়ক ড° মৃণাল কুমাৰ গগৈয়ে আঁত ধৰা সভাত মহাবিদ্যালয়খনৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ২৮ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত আঁচল চমুৱা, ৰিডম দত্ত আৰু ভায়'লিনা বৰাই গীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# দৰং কলেজত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ ঐতিহ্যমণ্ডিত দৰং মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ উদ্যোগত, আভ্যন্তৰীণ মান প্ৰতিশ্ৰুতি কোষৰ সহযোগত আৰু ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ পৃষ্ঠপোষকতাত 'উত্তৰ-পূৰ ভাৰতৰ বিশেষ প্ৰসংগেৰে সম্পদ, ধাৰণক্ষম উন্নয়ন আৰু গ্ৰামোন্নয়নৰ সমস্যা আৰু সম্ভাৱনা' শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। যোৱা ন আৰু ১০ ছেপ্টেম্বৰত অনুষ্ঠিত আলোচনাচক্ৰখন মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত মংগলাচৰণেৰে আৰম্ভণি হয় আৰু বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান প্ৰতিশ্ৰুতি কোষৰ সমন্বয়ক তথা ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° স্বপ্নালী কাকতিয়ে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰে। দৰং মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক উপেন্দ্ৰনাথ শৰ্মা, প্ৰাক্তন অধ্যক্ষ ড° জয়শংকৰ হাজৰিকা, ৰঙাপৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° শৈলেন্দ্ৰ বৰঠাকুৰ, উপাধ্যক্ষ ড° খীৰেন্দ্ৰ হালৈ, শৈক্ষিক উপাধ্যক্ষ পূৰ্ণানন্দ পাৰে, ড° লক্ষ্মী ৰয়, চন্দ্ৰপ্ৰভা দেৱী, মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল, গুৱাহাটী বিশ্ববিদ্যালয় আৰু বিভিন্ন মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানৰ স'তে সংগতি ৰাখি প্ৰকাশ কৰা স্মৰণিকা উন্মোচন কৰে তেজপুৰস্থিত প্ৰতিৰক্ষা গৱেষণা প্ৰয়োগশালাৰ সঞ্চালক ড° দেৱ ভাট কামবাজে। উদ্বোধনী অনুষ্ঠানত নিৰ্দিষ্ট বিষয়ৰ পৰিচয়মূলক ভাষণ প্ৰদান কৰে আলোচনাচক্ৰৰ সমন্বয়ক ড° সত্যেন্দ্ৰ হাজৰিকাই আৰু আলোচ্য বিষয়ৰ মূল ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অশোক বৰাই। পূৰ্ণাংগ সত্ৰৰ মূল ভাষণ প্ৰদান কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পৰিৱেশ বিজ্ঞানী তথা আন্নামালয় বিশ্ববিদ্যালয়ৰ গ্ৰামোন্নয়ন কেন্দ্ৰৰ সঞ্চালক ড° বালামুৰ্গনে। সামৰণি অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰে কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° নাৰায়ণ চেত্ৰীয়ে। দুদিনীয়া আলোচনা চক্ৰত আঠখনকৈ সমান্তৰালভাৱে অনুষ্ঠিত কাৰ্যকৰী সত্ৰৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ক্ৰমে ড° অশোক বৰা, ড° বিমল কুমাৰ কৰ, ড° ধ্ৰুৱজ্যোতি চহৰীয়া, ড° ধনজিৎ ডেকা, ড° মানসজ্যোতি নাথ, ড° নাৰায়ণ চেত্ৰী, ড° অপূৰ্ব কুমাৰ দাস, ৰঙাপৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° শৈলেন্দ্ৰ কুমাৰ বৰঠাকুৰ আৰু দৰং মহাবিদ্যালয়ৰ শৈক্ষিক উপাধ্যক্ষ তথা ভূগোল বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° লক্ষ্মী ৰয়। দেশৰ বহুকেইখন ৰাজ্যৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, গৱেষণা প্ৰতিষ্ঠানৰ অধ্যাপক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে আলোচনাচক্ৰত অংশগ্ৰহণ কৰি ৯০ খনৰো অধিক গৱেষণা পত্ৰ পাঠ কৰে। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা আলোচিত বিষয়ৰ দেৱালভিত্তিক বৰ্ণনাৰ আৰ্হিও প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰী দৰ্শিনী হাজৰিকাৰ জ্যোতি সংগীত, শাস্বতী কলিতাৰ সত্ৰীয়া নৃত্যৰে মুখৰিত হোৱা আৰু ৰাষ্ট্ৰীয় সংগীতেৰে সামৰণি পৰা অনুষ্ঠানটোৰ আঁত ধৰে সহকাৰী অধ্যাপিকা নিহা দত্তই আৰু মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ সহযোগী তথা মুৰব্বী অধ্যাপক ড° হেমন্তজ্যোতি নাথে সংশ্লিষ্ট সকলোকে শলাগ আগবঢ়ায়।

# গোৱালপাৰাৰ ৰাকেশ চক্ৰৱৰ্তীক প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক নিযুক্তি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৪ ছেপ্টেম্বৰ ঃ** যুৱ নেতা ৰাকেশ চক্ৰৱৰ্তীক অসম প্ৰদেশ যুৱ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক মিডিয়া (অধ্যক্ষ) হিচাপে নিযুক্তি প্ৰদান কৰাত গোৱালপাৰা জিলাৰ কংগ্ৰেছ কৰ্মীসকল উৎফুল্লিত হৈ পৰিছে। গোৱালপাৰা পূব সমষ্টিৰ দলগোমাৰ বাসিন্দা চক্ৰৱৰ্তীয়ে কেন্দ্ৰীয় যুৱ কংগ্ৰেছ তথা কেন্দ্ৰীয় কংগ্ৰেছ কমিটীৰ বিষয়ববীয়াসকলৰ লগতে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ কংগ্ৰেছ কৰ্মীসকলৰ লগত এক বিশেষ সম্পৰ্ক ৰক্ষা কৰি প্ৰায়ভাগ দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি আহিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে তেওঁ অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ মিডিয়া পেনেলিষ্ট হিচাপে নিযুক্তি লাভ কৰিছিল। ২০১৬ত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ৰাজ্যিক সাধাৰণ সম্পাদকৰ পৰা পদত্যাগ কৰি কংগ্ৰেছত যোগদান কৰে চক্ৰৱৰ্তীয়ে। কংগ্ৰেছত যোগদানৰ পাছতে প্ৰদেশ যুৱ কংগ্ৰেছৰ সম্পাদক হিচাপে নিযুক্তি লাভ কৰে। ক'ভিডৰ সময়ত সৰ্বভাৰতীয় যুৱ কংগ্ৰেছৰ হেল্পলাইনৰ অসমৰ তত্ত্বাৱধায়ক হিচাপে কৰ্তব্য পালন কৰিছিল। ২০২১ৰ বিধানসভা নিৰ্বাচনৰ সময়ত গোৱালপাৰা পূব সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী আছিল। ২০১৯তে প্ৰদেশ যুৱ কংগ্ৰেছৰ সামাজিক মাধ্যমৰ দায়িত্ব লাভ কৰি উক্ত বছৰটোতে অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক হিচাপে নিযুক্তি লাভ কৰিছিল। ইয়াৰ পাছত ২০২১ত প্ৰদেশ যুৱ কংগ্ৰেছৰ মিডিয়া পেনেলিষ্ট হিচাপে নিযুক্তি পোৱাৰ পাছত কালি পুনৰ প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মিডিয়া (অধ্যক্ষ) হিচাপে নিযুক্তি লাভ কৰে। জিলাখনৰ বিশেষকৈ গোৱালপাৰা পূব সমষ্টিৰ বিভিন্ন সামাজিক, সাংস্কৃতিক, ক্ৰীড়া আদি অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি বিভিন্ন জাতি-জনগোষ্ঠী তথা ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ধৰণৰ লোকৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈ আহিছে যুৱ নেতাজনে। এইজন নেতাক প্ৰদেশ যুৱ কংগ্ৰেছৰ সভানেত্ৰী ড° অংকিতা দত্তই যোগ্য স্থানত নিযুক্তি দিয়াত গোৱালপাৰাৰ কংগ্ৰেছী মহল উৎফুল্লিত হৈ পৰিছে।

# ভাষা আন্দোলনৰ অগ্ৰণী নেতা, সমাজ সংগঠক তুৰা বৰাৰ স্মৃতিচাৰণ সভা



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৪ ছেপ্টেম্বৰ ঃ** ভাষা আন্দোলনৰ অগ্ৰণী নেতা, অগপৰ প্ৰাক্তন সাধাৰণ পৰিষদৰ সদস্য, বিজেপিৰ জ্যেষ্ঠ নেতা জামুগুৰিহাটৰ শান্তিপুৰ নিবাসী প্ৰয়াত তুৰা বৰাৰ স্মৃতিচাৰণৰ উদ্দেশ্যৰে কালি বিয়লি এখন সভা আয়োজন কৰা হয়। জামুগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ণ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত বৰাৰ স্মৃতিত 'তুৰা গুণ গান' নামেৰে এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই। বৰাৰ স্মৃতি ৰোমন্থন কৰি আবেগ বিহ্বলভাৱে বিধায়ক হাজৰিকাই কয়, 'তুৰা বৰা মোৰ ৰাজনৈতিক জীৱনৰ পথ প্ৰদৰ্শক আছিল। মোৰ ৰাজনৈতিক ক্ষেত্ৰত শুভ চিন্তক তথা পথ প্ৰদৰ্শক বৰাৰ মৃত্যুৱে মোৰ জীৱনলৈ ডাঙৰ শূন্যতা আনিলে। ৰাজনৈতিক ক্ষেত্ৰখনৰ উপৰি অঞ্চলটোৰ সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক আৰু ক্ৰীড়াৰ ক্ষেত্ৰখন উৰ্ব্বৰ কৰি ৰাখিছিল বৰাই। দলীয় সকলো সমস্যা মোৰ অনুপস্থিত বিনাদ্বিধাই সমাধান কৰিছিল বৰাই। বাৰেচহৰীয়া ভাওনা উদ্‌যাপনৰ ক্ষেত্ৰত কে'বাটাও কাৰ্যকালৰ গুৰু দায়িত্ব বহন কৰি অহা বৰাই যি দৃঢ়তা প্ৰদৰ্শন কৰিছিল সেই কথা আমি কেতিয়াও পাহৰিব নোৱাৰো।' ৰাজনীতিৰ পূৰ্বেই এক দীঘলীয়া সময় তুৰা বৰাৰে ব্যৱসায় ক্ষেত্ৰখনত জড়িত হৈ অহাৰ স্মৃতিও ৰোমন্থন কৰে বিধায়কজনে। প্ৰায় তিনিশতাধিক ৰাইজ উপস্থিত থকা সভাত বৰাৰ স্মৃতি ৰোমন্থন কৰে শিক্ষক-সমাজকৰ্মী নিতুমণি বৰা, জ্যোতি ভট্টাচাৰ্য, বাৰেচহৰীয়া ভাওনা সমিতিৰ সভাপতি ভৱ গোস্বামী, অসম চৰকাৰৰ পশুধন নিগমৰ উপাধ্যক্ষ পৰেশ বৰকাকতী, শিক্ষক বিশ্ব হাজৰিকা প্ৰমুখ্যে বিভিন্নজনে। আদৰণি ভাষণ আগবঢ়ায় বৰাৰ পুত্ৰ মাধুৰ্য্য বৰাই। 'তুৰা গুণ গান' স্মৃতিগ্ৰন্থখন সম্পাদনা কৰে নিতুমণি বৰা আৰু জ্যোতি ভট্টাচাৰ্যই।

## 'তুৰা গুণ গান' উন্মোচন বিধায়ক পদ্ম হাজৰিকাৰ

# বৰভাগৰ তৰমথা মধ্য ইংৰাজী বিদ্যালয়ত শৈক্ষিক সভা



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১৪ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত তৰমথা মধ্য ইংৰাজী বিদ্যালয়ত শৈক্ষিক পৰিৱেশ উত্তৰণৰ সজাগতা সভা এখন কালি অনুষ্ঠিত হয়। বিদ্যালয়খনৰ সহকাৰী শিক্ষক অচ্যুত চন্দ্ৰ বৈশ্যেই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰে মেঘালয়ৰ লাঙাম প্ৰেছবিটেৰিয়ান হায়াৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল আজিজ আহমেদে। সভাত নলবাৰী ডায়েটৰ জ্যেষ্ঠ প্ৰবক্তা কুলদীপ মজুমদাৰে কয় যে এখন বিদ্যালয়ৰ উত্তৰণৰ ফল একেদিনাই হোৱা কথা নহয়। নেৰা-নেপেৰা চেষ্টাৰ ফলতহে শিক্ষানুষ্ঠান এখন আগবাঢ়ি যাব পাৰে। এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু সমাজৰ অৱদান যথেষ্ট গুৰুত্বপূৰ্ণ। তেওঁ কয় যে বিগত দুটা বছৰত চি গ্ৰেড পোৱা তৰমথা মধ্য ইংৰাজী বিদ্যালয়ে এইবাৰ 'এ' গ্ৰেড পাবলৈ সক্ষম হোৱাটো এক আশাৰ বতৰা। এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ তেওঁলোকে আহ্বান জনায়। আৰম্ভণি গীতেৰে আৰম্ভ হোৱা সভাত শিক্ষক সমীৰণ চক্ৰৱৰ্তী, সমাজ সেৱক ৰহমান আলী, অৱসৰপ্ৰাপ্ত শিক্ষক ৰবিৰাম ঠাকুৰীয়া, অভিভাৱিকা হাচনাৰা বেগম আদিয়ে ভাষণ দিয়ে। শৈক্ষিক সভাখনত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা, সমাজসেৱী জবেৰ আলী, আইনাল আলী, জমিৰ আলী তথা বহু স্থানীয় লোক উপস্থিত থাকে।

# বৰভাগত ছহিদ দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১৪ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগৰ ছহিদ মুকুন্দ কাকতি বিদ্যাপীঠ হাইস্কুল, ৰণাকুছিৰ উদ্যোগত অহা ২০ ছেপ্টেম্বৰত এদিনীয়া কাৰ্যসূচীৰে '৪২ৰ ছহিদ মুকুন্দ কাকতিৰ ৮১ সংখ্য মুকলি অনুষ্ঠান বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ বাবে প্ৰস্তুতি চলাইছে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা কাৰ্যসূচীত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ, সৰ্বধৰ্ম প্ৰাৰ্থনা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু ৰচনা প্ৰতিযোগিতা আৰু দিনৰ ১১-৩০ বজাত স্মৃতিচাৰণ সভা অনুষ্ঠিত হ'ব। বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাই উদ্বোধন কৰিব লগা সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধীৰেন চৌধাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, বিশিষ্ট সমালোচনা-সাহিত্যিক ময়ূৰ বৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়ন্ত ঠাকুৰীয়া প্ৰমুখ্য কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সভাত ছহিদ মুকুন্দ কাকতিৰ ভতিজা গৌৰীকান্ত কাকতি আৰু কামৰূপ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক কমল চন্দ্ৰ লহকৰক সম্বৰ্ধনা জনাব।

# পৰ্বতঝোৰাত একাধিক ৰাস্তা-ঘাটৰ জৰাজীৰ্ণ ৰূপ

## ■ যাতায়াতৰ বাবে ভীষণ ব্যাঘাত

অগ্ৰদূত বাৰ্তা

**বগৰীবাৰী, ১৪ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ কোকৰাঝাৰ জিলাৰ মহামায়া ভিচিডিচিৰ একাধিক জৰাজীৰ্ণ গ্ৰাম্য পথৰ চৰম দুৰৱস্থাই অঞ্চলবাসীক জ্বলা-কলা খুৱাইছে। পূৰ্বৰ হাগ্ৰামাৰ শাসন কালত এচাম ভিচিডিচিৰ সভাপতিৰ অকৰ্মণ্যতাৰ ফলত আজিও এজাক বৰষুণতে পথসমূহ অচল হৈ পৰে। অভিযোগ মতে, মইনা বজাৰৰ পৰা ইছলামপুৰ-শান্তিনগৰ হৈ ৰেল ষ্টেছনলৈ যোৱা পথ, পুৰণি ষ্টেট বেংকৰ পৰা শান্তিনগৰ কবৰস্থানলৈ যোৱা পথ, ৰাজাপাৰ কৰিমৰ ঘৰৰ পৰা কঠালবাৰী মছজিদলৈ যোৱা পথ, মহামায়া বিট কাৰ্যালয়ৰ পৰা মহামায়া ডিগ্ৰী কলেজলৈ যোৱা পথ, শান্তিনগৰ ব্লকৰ পৰা গেছ কোঃ লৈ যোৱা কদৰ্যপূৰ্ণ পথে, বিটিআৰৰ উন্নয়নৰ নগ্ন ৰূপ উদঙাই দিছে। বৰ্তমান প্ৰমোদ বড়োৰ শাসন কালতো একেই অৱস্থা। হাগ্ৰামাৰ শাসন কালৰ দালালসকলে পুনৰ ৰূপ সলাই ইউপিপিএলত যোগদান কৰি পুনৰ এক নৈৰাজ্যৰ সৃষ্টি কৰিছে বুলি অভিযোগ কৰিছে। ৰাইজৰ ভোট লৈ দালালসকলে পৰ্বতঝোৰাবাসীক আভুৱা ভাঁৰিছে। অতিশীঘ্ৰে পথ ঘাট উন্নতি নহ'লে দল-সংগঠনে আন্দোলন কৰাৰ হুংকাৰ দিছে।

# হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ ২৫ সংখ্যক বাৰ্ষিক ৰামদিয়া অধিবেশন-অভিনন্দন অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ১৪ ছেপ্টেম্বৰ ঃ** হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ ২৫ সংখ্যক ৰামদিয়া অধিবেশন আৰু অভিনন্দন অনুষ্ঠান কালি ৰামদিয়াৰ ভঠেলি খোলা খেলপথাৰত অনুষ্ঠিত হয়। সেই অনুসৰি, পুৱা পতাকা উত্তোলন, ছহিদ বেদীত বন্তি প্ৰজ্বলন, প্ৰতিনিধি সভা সম্পন্ন হৈ যায়। বিয়লি পাঁচ বজাত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি দাসে। এই মুকলি সভাত আদৰণি ভাষণ আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভাপতিয়ে। এই সভাখন উদ্বোধন কৰি সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে কয় যে জাতীয় জীৱনৰ বিভিন্ন সমস্যাৰ হকে ছাত্ৰ সন্থাই সদায়েই দাবী জনাই আহিছে। মুকলি সভাত অংশগ্ৰহণ কৰি শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই কয় যে ছাত্ৰ-ছাত্ৰীসকলে সামাজিক ক্ষেত্ৰখনৰ প্ৰতিও সদায়েই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। এই মুকলি সভাত অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে কয় যে আজিৰ প্ৰতিযোগিতামূলক ক্ষেত্ৰত সফলতা অৰ্জন কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো বিষয় চালি-জাৰি অধ্যয়ন কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব লাগিব। মুকলি সভাত অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই কয় যে শিক্ষা ব্যৱস্থা সুচলভাৱে পৰিচালিত কৰাটো অতিকৈ প্ৰয়োজন। শিক্ষা ব্যৱস্থাৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। মুকলি সভাত হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মা, বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অধ্যক্ষ অসিত কুমাৰ পাল, বিশিষ্ট অভিনেত্ৰী অমৃতা গগৈ, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ধৰ্মেশ্বৰ দাস, ইমদাদুৰ ৰহমানকে ধৰি আছু নেতাৰ উপৰি কে'বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকি ভাষণ দাঙি ধৰে।

# ১০৮ সংখ্যক বৰ্ষ গৰকিলে বৰপাক সাৰ্বজনীন দুৰ্গোৎসৱে

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ মায়ঙ অঞ্চলৰ ঐতিহ্যমণ্ডিত বৰপাক সাৰ্বজনীন দুৰ্গাপূজা পৰিচালনা সমিতিয়ে এইবেলি একৰ পৰা পাঁচ অক্টোবৰলৈ বৰ্ণিল কাৰ্যসূচীৰে শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপনৰ আয়োজন কৰিছে। এইবেলি ১০৮ সংখ্যক বৰ্ষ গৰকা দুৰ্গোৎসৱ সুপৰিচালনাৰ অৰ্থে অজিত মজুমদাৰক সভাপতি, নিপন মল্লিকক উপ-সভাপতি আৰু দ্বীপ মল্লিকক সম্পাদক ৰূপে লৈ এখন কাৰ্যকৰী সমিতি আৰু কে'বাখনো উপ-সমিতি গঠন কৰি ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা দুৰ্গোৎসৱৰ ধৰ্মধ্বজ্জা উত্তোলনেৰে পাঁচদিনীয়া দুৰ্গোৎসৱৰ আৰম্ভণি কৰা হ'ব। পাছদিনা সপ্তমীৰ নিশা আধুনিক নৃত্য প্ৰতিযোগিতা আৰু তিনি অক্টোবৰৰ অষ্টমী নিশা বাপন দে আৰু ফেন্সী ৰাজকুমাৰীৰ সংগীতানুষ্ঠানৰ আয়োজন কৰা হৈছে। আনহাতে, চাৰি অক্টোবৰৰ নৱমী নিশাও জনপ্ৰিয় কণ্ঠশিল্পী চন্দন দাসৰ আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান পৰিবেশিত হ'ব। তদুপৰি প্ৰতিদিনাই পূজা-অৰ্চনা, আৰতিৰ লগতে নাম-প্ৰসংগৰো আয়োজন কৰা হৈছে। সমূহ কাৰ্যসূচীত অঞ্চলবাসীৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে।

# ধুবুৰী জিলা পৰিবহণ বিষয়া কাৰ্যালয়ত আৰক্ষী অধীক্ষক

**ধুবুৰী, ১৪ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা পৰিবহণ বিষয়া কাৰ্যালয়ত ধুবুৰী জিলা আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ উপস্থিত হৈ দালালৰ বিৰুদ্ধে ৰাইজৰ লগত মত বিনিময় কৰে। উল্লেখ্য যে কালি ধুবুৰী সদৰ আৰক্ষী থানাৰ আৰক্ষীৰ ৰাইডাৰ পাৰ্টীয়ে গাড়ী চালনাৰ অনুজ্ঞাপত্ৰ বনোৱাৰ নামত দালালি কৰা দালাল এজনক আটক কৰিছিল। তাৰ পাছতে আজি আৰক্ষী অধীক্ষকজনক অধিক তৎপৰ হোৱা পৰিলক্ষিত হৈছে। আৰক্ষী অধীক্ষকজনে জিলা পৰিবহণ বিষয়া কাৰ্যালয়ত উপস্থিত হৈ ৰাইজৰ লগত মত বিনিময় কৰাৰ লগতে ৰাইজক দালাল চক্ৰৰ পৰা সজাগ হোৱাৰ আহ্বান জনায়। আৰক্ষী অধীক্ষকজনে জিলা পৰিবহণ বিষয়া কাৰ্যালয়ত যদি কোনো দালাল বা কাৰ্যালয়ৰ কোনো বিষয়া কৰ্মচাৰীয়ে ৰাইজৰ পৰা উৎকোচ বিচাৰে তেনেহ'লে দুৰ্নীতি নিবাৰক শাখাত অভিযোগ কৰিবলৈ ৰাইজৰ সুবিধাৰ্থে কাৰ্যালয়টোৰ ভিতৰে বাহিৰে দুৰ্নীতি নিবাৰক শাখাত অভিযোগ দাখিল কৰা নম্বৰৰ বেনাৰ প'ষ্টাৰ লগাই দিয়ে। উক্ত কাৰ্যৰ পৰা সন্দেহ কৰিব পৰা যায় যে কাৰ্যালয়টোৰ বিষয়া কৰ্মচাৰীও দালালৰ লগত জড়িত থকাৰ সন্দেহ কৰিছে আৰক্ষী অধীক্ষকজনে। যাৰ বাবে আৰক্ষী অধীক্ষকজনে নিজে উপস্থিত হৈ দুৰ্নীতি নিবাৰক শাখাৰ লগত ৰাইজে পোনপটীয়া যোগাযোগ কৰাৰ উদ্দেশ্যে বেনাৰ প'ষ্টাৰ লগাই দিয়ে।



# টংলাত মানসিকভাৱে বিকাৰগ্ৰস্ত মহিলাই জন্ম দিলে নিষ্পাপ দেৱশিশু

অগ্ৰদূত বাৰ্তা

**টংলা, ১৪ ছেপ্টেম্বৰ ঃ** যি সময়ত মানৱ সমাজে আকাশ চুই বিজ্ঞানৰ জয়গান গাব লাগিছে, তেনে সময়তে শিক্ষিত মানৱ সমাজক কলংকিত কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰাই নহয় এক প্ৰকাৰৰ লজ্জিত কৰি পেলাইছে। উল্লেখ্য যে ওদালগুৰি জিলাৰ হাতীগড় চাহ বাগিচা অঞ্চলত দীৰ্ঘদিনে খুজি মাগি জীৱন-যাপন কৰি অহা মানসিকভাৱে বিকাৰগ্ৰস্ত এগৰাকী মহিলাই কোনোবা পাষণ্ডৰ কামনাৰ বলি হৈ গৰ্ভৱতী অৱস্থাত উক্ত অঞ্চলতে পৰি আছিল। ক্ৰমান্বয়ে স্বাস্থ্যৰ অৱনতি ঘটাত মহিলাগৰাকী অসহায় ৰূপত দেখি স্থানীয় লোকে হাতীগড় চাহ জনজাতি ছাত্ৰ সন্থা আৰু চাহ মজদুৰ সংঘৰ যৌথ প্ৰচেষ্টাত যোৱা ২৪ আগষ্টত হাতীগড় চাহ বাগিচা স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। তাৰ পাছতেই চিকিৎসক, নাৰ্ছ ষ্টাফৰ প্ৰচেষ্টাত যোৱা তিনি ছেপ্টেম্বৰত মহিলাগৰাকীয়ে এটি নিষ্পাপ ল'ৰা সন্তান জন্ম দিবলৈ সক্ষম হয়। বৰ্তমান মহিলাগৰাকী আৰু দেৱ শিশুটি উক্ত চিকিৎসালয়তে চিকিৎসক, চাহ জনজাতি ছাত্ৰ সন্থা আৰু চাহ মজদুৰ সংঘৰ তত্ত্বাৱধানত চিকিৎসাধীন হৈ আছে। আনহাতে চিকিৎসকে জানিব দিয়া অনুসৰি, অহা তিনি মাহলৈ শিশু আৰু মহিলাগৰাকীৰ যত্ন ল'ব চিকিৎসালয়খনে। মানসিক বিকাৰগ্ৰস্ত মহিলাগৰাকীক কোন দানৱে এনে নিকৃষ্ট কাণ্ড কৰিলে সেয়া ৰহস্যৰ বিষয় হৈ পৰিছে। এগৰাকী অসহায় মানসিকভাৱে বিকাৰগ্ৰস্ত মহিলাই শিশুটিৰ ভৱিষ্যৎ কিদৰে সুনিশ্চিত কৰিব সেয়াও এক প্ৰকাৰৰ চিন্তনীয় বিষয় হৈ পৰিছে। যিহেতু কোনো এটা শিশুক কোনো সদাশয় ব্যক্তিয়ে দত্তক গ্ৰহণ কৰিবলৈ চৰকাৰী আইন মতে বহু নীতি-নিয়মৰ মাজেৰেহে পাব পাৰি। ঘটনা সংক্ৰান্তত কালি ওদালগুৰি জিলাৰ শিশু সুৰক্ষা সমিতি, শিশু কল্যাণ সমিতি, চাইল্ড লাইন আৰু ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ এটা সঁজাতী দলে চিকিৎসালয়খনত উপস্থিত হৈ মাতৃ আৰু শিশুটিৰ অৱস্থাৰ বুজ লয়। লগতে সকলো দিশতে সহায় কৰিবৰ বাবে সঁজাতী দলটো প্ৰস্তুত থাকিব বুলি চিকিৎসালয় কৰ্তৃপক্ষক জনায়।

# তামাৰহাট আৰক্ষীয়ে জব্দ কৰিলে চাৰিখন অতিৰিক্ত বোজাইবাহী ডাম্পাৰ



অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ১৪ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ আৰক্ষীয়ে আজি অভিযান চলাই ধুবুৰী-কচুগাঁও লোকনিৰ্মাণ পথত চলাচল কৰা চাৰিখন অভাৰলোড ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে এ এছ-১৭ চি-৫৫২৭, এছ-১৬ এ চি ৪১৭৮, ও' ডিও ৯ পি-৩০৪০ আৰু এ এছ-১৬ এ চি-৪৩০৭ নম্বৰৰ ডাম্পাৰ চাৰিখনে গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰ অঞ্চলৰ পৰা অতিৰিক্ত পাথৰ বোজাই কৰি ধুবুৰী-কচুগাঁও লোকনিৰ্মাণ পথেৰে (প্ৰস্তাৱিত ১২৭ (বি) ঘাইপথ) ধুবুৰী জিলাৰ ভাৰত- বাংলাদেশ সীমান্তৰ সোণাহাট আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰ অভিমুখে গৈ আছিল। উক্ত খবৰ লাভ কৰি তামাৰহাট থানাৰ আৰক্ষীয়ে অভিযান চলাই অতিৰিক্ত পাথৰ বোজাই কৰা উক্ত চাৰিখন ডাম্পাৰ জব্দ কৰে। উল্লেখ্য যে অসম-বংগ সীমান্তৰ এচাম শিল-বালি মাফিয়া চক্ৰই গোসাঁইগাঁও মহকুমাৰ বিভিন্ন অঞ্চলৰ পৰা ১০ চকীয়াৰ পৰা ১৮ চকীয়া ডাম্পাৰত অতিৰিক্ত পাথৰ বোজাই কৰি কৰ ফাঁকি দি ভাৰত-বাংলাদেশ সীমান্তৰ সোণাহাট আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰলৈ চালান দি বহু দিনৰে পৰা ৰমৰমীয়া ব্যৱসায় চলাই আছে। ইয়াৰ উপৰি উক্ত শিল-বালিৰ মাফিয়া চক্ৰটোৱে বন বিভাগক মেনেজ কৰি কৌশলেৰে এখন চালানেৰে দুই-তিনি ডাম্পাৰ পাথৰ সৰবৰাহ কৰি আছে বুলি অভিযোগ উত্থাপিত হৈ আহিছে। মন কৰিবলগীয়া যে অতিৰিক্ত পাথৰ বোজাই কৰা ডাম্পাৰবোৰে ধুবুৰী- কচুগাঁও লোকনিৰ্মাণ ঠেক পথটোৰে তীব্ৰ বেগে সঘন চলাচল কৰাত সাধাৰণ পথচাৰী লোকসকল দুৰ্ঘটনাৰ আশংকাত ভুগিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ উপৰি অতি ঠেক পথছোৱাত তীব্ৰ বেগী ডাম্পাৰৰ দৌৰাত্ম্যত যাত্ৰীবাহী সৰু-বৰ যানবাহন চলাচল কৰাত অসুবিধাৰ সন্মুখীন হৈ পৰিছে । মুঠৰ ওপৰত অতিৰিক্ত বোজাই কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্যত অঞ্চলটোৰ ৰাইজ নিতৌ দুৰ্ঘটনাৰ আশংকাত ভুগি থাকিবলগীয়া হৈছে।

# লাহৰীঘাটত চাৰি জুৱাৰী, তিনি ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছ, তীৰ, জুৱা আদি অনৈতিক কাৰ্যকলাপৰ বিৰুদ্ধে তীব্ৰ অভিযান। এনেদৰে অভিযান অব্যাহত ৰখাৰ সময়তেই কালি নিশা লাহৰীঘাট আৰক্ষীয়ে অভিযান চলাই চাৰিজনকৈ জুৱাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইনৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে গোপন খবৰৰ ভিত্তিত অঞ্চলটোৰ ধূপগুৰিত অভিযান চলাই হাতে লোটে চাৰিজন জুৱাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত জুৱাৰীকেইজন হৈছে মাজাহাৰুল ইছলাম (২৫), নিয়ামত আলী (২৬), চাহাৰ আলী (২৪) আৰু আকিবুল ইছলাম (২০)। ধৃত জুৱাৰী কেইজনৰ পৰা আৰক্ষীয়ে নগত ধন, তাচপাতসহ খেলত ব্যৱহৃত সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে। অভিযোগ মৰ্মে ধৃত লোককেইজনে দীৰ্ঘদিনৰে পৰা আৰক্ষীৰ চকুত ধূলি দি অবাধে ধূপগুৰি অঞ্চলটোত এনে অসামাজিক কাৰ্যকলাপ কৰি আহিছে। পাছত আজি লাহৰীঘাট আৰক্ষীয়ে ধৃত জুৱাৰী কেইজনৰ বিৰুদ্ধে ৩৪২/২২ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে।

# বিজনী সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী সমবায় সমিতিৰ ২০২২-২৩ৰ বছৰেকীয়া সাধাৰণ সভা অহা ১৮ ছেপ্টেম্বৰত পুৱা ১০ বজাৰ পৰা আবেলি পাঁচ বজালৈ বিজনী সমবায় সমিতিৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। বিজনী সমবায় সমিতিৰ সম্পাদক নৃপেন চন্দ্ৰ ৰায়ে এক বিবৃতিৰ জৰিয়তে সমবায়খনৰ সকলো অংশীদাৰক যথা সময়ত উপস্থিত থাকিবলৈ আহ্বান জনাইছে।



*বকোত দেশী জনগোষ্ঠীৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা অনুষ্ঠানৰ এটি মুহূৰ্ত।*

# মূল্যায়নত ধৰা পৰিল প্ৰাক্তন ছাত্ৰ সন্মিলন পঞ্জীয়ন নোহোৱাৰ তথ্য

## ■ ৰূপহী মহাবিদ্যালয়ত 'নাক'ৰ দুদিনীয়া মূল্যায়নৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ১৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ উত্তৰাঞ্চলৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান ৰূপহী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ চমুকৈ 'নাক'ৰ দুদিনীয়া পৰিদৰ্শনৰ আজি সামৰণি পৰে। কালি 'নাক'ৰ তিনিজনীয়া দল এটা ৰূপহী মহাবিদ্যালয়ত উপস্থিত হৈ বিভিন্ন দিশৰ মূল্যায়ন কৰে। হনুমান প্ৰসাদ শুক্লা (উপাচাৰ্য, মহাত্মা গান্ধী আন্তঃৰাষ্ট্ৰীয় হিন্দী বিশ্ববিদ্যালয়), ড° ৰামানন্দ ৰায় (অধ্যাপক, বেনাৰস হিন্দু বিশ্ববিদ্যালয়) আৰু ড° ধৰ্মেন্দ্ৰ সিং উভা (অধ্যক্ষ, জেনেৰেল শিৱদেৱ সিং দিৱান গুৰুচন সিং খালচা কলেজ, পাটিয়ান)ক লৈ গঠন হৈছিল 'নাক'ৰ তিনিজনীয়া দলটো। নাকৰ দলটোৱে কিছুমান দিশত সন্তোষ্টি প্ৰকাশ কৰিলেও আন কিছুমান দিশত অসন্তোষ্টি প্ৰকাশ কৰে। মহাবিদ্যালয়ত পৰ্যাপ্ত কম্পিউটাৰ মজুত নথকা ঘটনাৰ দৃষ্টিগোচৰ হয় নাকৰ দলটোৰ। তদুপৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনখন ২০০৪ত গঠন হ'লেও আজি পৰ্যন্ত পঞ্জীয়ন নহ'ল। 'নাক'ৰ মূল্যায়নত প্ৰাক্তন ছাত্ৰ সন্মিলনখন পঞ্জীয়ন নোহোৱাটো ধৰা পৰে। দুজন মান প্ৰাক্তন ছাত্ৰই অবাধ দৌৰাত্ম্য অব্যাহত ৰাখিলেও মহাবিদ্যালয়খনত প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ কোনো ধৰণৰ অৱদান 'নাক'ৰ মূল্যায়নত নুঠিল বুলি গুৰুতৰ অভিযোগ উঠিছে। ইপিনে, 'নাক'ৰ মূল্যায়নৰ দিনা প্ৰাক্তন ছাত্ৰৰ উপস্থিতিও আছিল তেনেই সেৰেঙা। উল্লেখ্য যে ২০১৪ৰ পৰা প্ৰাক্তন বিধায়ক আব্দুল আজিজৰ পুত্ৰ তথা সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ভুৱনানন্দ পাটনায়কৰ অতি ঘনিষ্ঠৰূপে পৰিচিত আতাবুৰ ৰহমানে ধাৰাবাহিকভাৱে সভাপতি পদ দখল কৰি ৰাখিছে আৰু তেওঁৰ কাৰ্যকালত দুবাৰকৈ 'নাক'ৰ পৰিদৰ্শন হ'লেও প্ৰাক্তন ছাত্ৰ সন্মিলনখন ছ'চাইটি এক্টৰ অধীনত পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা বুলি অভিযোগ উঠিছে।

# তামুলপুৰৰ ভূটান সীমান্তত ৰাজ্যপালৰ বাতৰি সংগ্ৰহত সাংবাদিকক প্ৰৱেশত বাধা

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ ৰাজ্যপাল প্ৰফেছাৰ জগদীশ মুখীয়ে আজি তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰংগামেলাস্থিত বাণিজ্য কেন্দ্ৰত সীমান্তবাসী বিভিন্ন গাঁৱৰ লোকৰ স'তে এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানলৈ স্থানীয় সাংবাদিকসকলক তামুলপুৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা বাতৰি পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ জনোৱা হয়। জিলা প্ৰশাসনৰ আমন্ত্ৰণ ৰক্ষা কৰি নিৰ্ধাৰিত সময়ৰ পূৰ্বে স্থানীয় তামুলপুৰ প্ৰেছ ক্লাবৰ এটি সাংবাদিকৰ দল গৈ বাণিজ্যিক কেন্দ্ৰত উপস্থিত হয়। কিন্তু ৰাজ্যপালজন উপস্থিত হোৱাৰ পুৰ্বেই ৰাজ্যপালৰ কাৰ্যসুচীত প্ৰট'কলৰ দোহাই দি সাংবাদিকৰ প্ৰবেশৰ নিষেধ বুলি এগৰাকী আৰক্ষী বিষয়াই সাংবাদিকসকলক ওলাই আহিবলৈ কয়। সাংবাদিকসকলে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ তৰফৰ পৰা বাতৰি সংগ্ৰহৰ বাবে আমন্ত্ৰণ জনোৱা বুলি কোৱাৰ পাছতো সাংবাদিকসকল সেই স্থান ত্যাগ কৰিবলৈ আৰক্ষী বিষয়াগৰাকীয়ে নিৰ্দেশ দিয়ে। উপায়ান্তৰ হৈ সাংবাদিকৰ দলটো সেই ঠাই ত্যাগ কৰি গুচি আহে। আনহাতে, সাংবাদিকক ৰাজ্যপালৰ সভাৰ বাতৰি পৰিবেশন কৰিবলৈ আমন্ত্ৰণ কৰিও জিলা প্ৰশাসনৰ কোনো এগৰাকী বিষয়ায়ে উপস্থিত সাংবাদিকসকলৰ লগত কোনো ধৰণৰ যোগাযোগ নকৰা কাৰ্যই তামুলপুৰ প্ৰেছ ক্লাবৰ সদস্যসকলে আশ্চৰ্য প্ৰকাশ কৰে । যাৰ বাবে ভৱিষ্যতে তামুলপুৰ জিলা প্ৰশাসনৰ কোনো সভাতে অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইফালে, ৰাজ্যপালৰ সভাৰ বাতৰি সংগ্ৰহৰ বাবে সাংবাদিকক আমন্ত্ৰণ জনাই সাংবাদিকক সভা কক্ষত প্ৰবেশত বাধা প্ৰদান কৰা ঘটনাই সমগ্ৰ তামুলপুৰ জিলাতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ।

# ঘগ্ৰাপাৰত দুই শিক্ষাৰ্থীক জিলা বিজেপি সংখ্যালঘু মৰ্চা-আছুৰ সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৪ ছেপ্টেম্বৰ ঃ** সদ্য ফলাফল ঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰৱেশ পৰীক্ষা (নীট-ই জি)ত নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ দুগৰাকীকৈ ছাত্ৰই সাফল্য অৰ্জন কৰি ঘগ্ৰাপাৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। এইবাৰ নীটত কৃতকাৰ্য হোৱা পৰীক্ষাৰ্থীসকলৰ ভিতৰত ঘগ্ৰাপাৰৰ দুই কৃতী সন্তানক নলবাৰী জিলা বিজেপি সংখ্যালঘু মৰ্চা আৰু ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাই অভিনন্দন জনায়। কালি নলবাৰী জিলা বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি ছবিৰ আহমেদ, বিজেপি বড়িগোগ বনভাগ মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি চামচুল আলী, সম্পাদক মতিউৰ ৰহমান, চাইদুল ইছলাম, নেকিবুৰ ৰহমান, বিজেপি পূব নলবাৰী মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি ৰচিত আলী, ১৩ নম্বৰ ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ কাউন্সিলৰ মনেশ্বৰ ভৰালীসহ এটি সঁজাতী দলে পৃথকে পৃথকে শিক্ষাৰ্থী দুয়োগৰাকীক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায়। সংগঠন দুয়োটাৰ মুৰব্বীসকলে বিলপাৰ নাৰিকুছি গাঁৱৰ মজামিল হক আৰু মিনোৱাৰা বেগমৰ পুত্ৰ ৰাহুল আমিন আৰু চিলিং কহাৰতোলাৰ কালিচৰণ হালৈ আৰু লটিকা হালৈৰ পুত্ৰ অৰ্ণৱ হালৈক গামোচা, অভিনন্দনপত্ৰৰে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। সৰ্বভাৰতীয় পৰ্যায়ত চিকিৎসা বিজ্ঞানৰ স্নাতক মহলাত নামভৰ্তিৰ বাবে অনুষ্ঠিত পৰীক্ষাত বৃহত্তৰ দক্ষিণ ঘগ্ৰাপাৰৰ পৰা উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰাত অঞ্চলবাসীৰ মাজত আনন্দৰ বন্যা বয়। উল্লেখ্য যে ছেবাৰ অধীনৰ ঘগ্ৰাপাৰৰ একমাত্ৰ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান শংকৰজ্যোতি মডাৰ্ণ একাডেমীত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি এইখন শিক্ষানুষ্ঠানৰ পৰা ভাল ফলাফল দেখুৱাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

# ভোলানাথ মহাবিদ্যালয়ত ড° মহেশ্বৰ নেওগৰ স্মৃতিত বিশেষ বক্তৃতা অনুষ্ঠান

**ধুবুৰী, ১৪ ছেপ্টেম্বৰ ঃ** অসমৰ এগৰাকী প্ৰথিতযশা কবি-সাহিত্যিক-গৱেষক পণ্ডিত, প্ৰাচ্য বিদ্যাৰ্ণৱ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° মহেশ্বৰ নেওগৰ স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে ধুবুৰী জিলা সাহিত্য সভাৰ সহযোগত আৰু ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰা অসমীয়া বিভাগৰ উদ্যোগত এক বিশেষ বক্তৃতা অনুষ্ঠান অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা ভোলনাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হয়। আৰম্ভণিতে অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদে। অসমীয়া সাহিত্য-সংস্কৃতি জগতখনৰ ভোটাতৰা সদৃশ ড° মহেশ্বৰ নেওগৰ অৱদান বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। 'মহেশ্বৰ নেওগৰ দৃষ্টিত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন' শীৰ্ষক বিশেষ বক্তৃতা প্ৰদান কৰে সাহিত্যিক, তথা শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° লীনা ডেকাই। ভাষণ প্ৰসংগত ড° ডেকাই অসমীয়া সাহিত্যৰ আৰম্ভণিৰ পৰা বৰ্তমান পৰ্যন্ত ৰেখাংকন কৰি ড° নেওগৰ দৃষ্টিত যুগ বিভাজনৰ প্ৰাসংগিকতা ব্যাখ্যা কৰে। তেওঁ কয় যে ড° নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন অধিক বিজ্ঞানসন্মত আৰু বিদ্যায়তনিক। আবেলি পাঁচ বজাৰ পৰা গুগল মিটৰ জৰিয়তে অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে কামৰূপী লোকগীত পৰিবেশন কৰে বিশিষ্ট কবি, শিল্পী প্ৰণীতা হালৈয়ে। অনুষ্ঠানত সভাপতিত্ব কৰে ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি তৰণীকান্ত ৰায়ে। ড° নেওগৰ ৰচিত কবিতা আবৃত্তি কৰে মহাবিদ্যালয়ৰ ছাত্ৰ আব্দুল হানিফ খানে। অংশগ্ৰহণকাৰীৰ বক্তব্যত ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° অলকা শৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা আদিয়ে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ছাত্ৰ-ছাত্ৰীবৃন্দই অংশগ্ৰহণ কৰে।

# বিশ্বনাথৰত আৱৰ্ত ভৱনত জিলা প্ৰশাসন-দুৰ্গা পূজা সমিতিৰ মাজত পূজা উদ্‌যাপন সন্দৰ্ভত সভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৪ ছেপ্টেম্বৰ ঃ** বিশ্বনাথৰ চাৰ্কিট হাউছত পৰৱৰ্তী দুৰ্গা পূজা উদ্‌যাপনৰ বাবে কালি এখন প্ৰস্তুতি সভা আহ্বান কৰা হয়। উক্ত সভাত উপস্থিত থাকে বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, বিশ্বনাথ জিলাৰ আৰক্ষী অধীক্ষক নবীন সিং, বিশ্বনাথ জিলাৰ অতিৰিক্ত উপায়ুক্ত লিজা তালুকদাৰ, বিশ্বজিৎ শইকীয়া, ড° সূৰ্যকমল বৰা, আয়ুক্ত, উপ-আয়ুক্ত, বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়া, বিশ্বনাথ মহকুমা ৰাজহ চক্ৰ বিষয়া, বিশ্বনাথ উন্নয়ন ব্লকৰ ব্লক উন্নয়ন বিষয়া, সকলো থানা আৰু আউট পোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু আইচি আৰু সমগ্ৰ জিলাখনৰ দুৰ্গা পূজা পৰিচালনা সমিতিৰ অধ্যক্ষ-প্ৰতিনিধিসকল অংশগ্ৰহণ কৰে। এই সভাত সকলো দুৰ্গা পূজা সমিতিৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে দুৰ্গা পূজা সুচাৰুৰূপে উদ্‌যাপনৰ বাবে প্ৰয়োজনীয় আইন-শংখলা ব্যৱস্থা কৰাৰ বাবে সভাখন অনুষ্ঠিত কৰা হয়।



# মৰাণ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় বন্ধৰ ষড়যন্ত্ৰ

**■ মৰাণত শিক্ষানুষ্ঠানক লৈ ভয়ানক কাণ্ড ■ ছাত্ৰ-ছাত্ৰী কঢ়িওৱা বাছ বন্ধ কৰাত আছুৰ প্ৰতিবাদ**



*চিনামৰাত অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানক সম্বৰ্ধনা, বুধবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৪ ছেপ্টেম্বৰ ঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত মৰাণ নগৰৰ সমীপতে অৱস্থিত মৰাণ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ অৱস্থা দিনক দিনে শোচনীয় হ'বলৈ উপক্ৰম হৈছে। এফালে অইল ইণ্ডিয়া লিমিটেডে শিক্ষানুষ্ঠানৰ নামত কোটি-কোটি টকা খৰচ কৰিছে আনহাতে শিক্ষানুষ্ঠান বন্ধ কৰিবলৈ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি সচেতন নাগৰিক মহলে সন্দেহ প্ৰকাশ কৰিছে। ১৯৯০তে অইল ইণ্ডিয়া লিমিটেডে সামাজিক দায়বদ্ধতাৰ আঁচনিৰ অধীনত স্থাপন কৰা অঞ্চলটোৰ গুণগত শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান মৰাণ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ পৰা সমগ্ৰ মৰাণ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছিল। কিন্তু কিছু বছৰৰ পৰা বিদ্যালয়খনত অৰাজক পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। যাৰ কাৰণে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি অহাৰ লগতে শিক্ষাৰ মানও হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। যাৰ কাৰণে দৰিদ্ৰ ঘৰৰ সন্তানে বিনামূলীয়াকৈ বিজ্ঞান শিক্ষা লাভ কৰি উপকৃত হৈ অহাৰ পাছতো ২০০৪ত ষড়যন্ত্ৰমূলকভাৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা বিজ্ঞান শাখা বন্ধ কৰি অঞ্চলটোৰ সম্ভাৱনাপূৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যাপক ক্ষতি কৰিলে বুলি সচেতন মহলে অইল ইণ্ডিয়াৰ বিৰুদ্ধে অভিযোগ তুলিছে। বহু ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানে উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখা বন্ধ কৰাৰ বিৰুদ্ধে জনমত গঠন কৰে যদিও তিলমানো গুৰুত্ব প্ৰদান নকৰিলে অইল ইণ্ডিয়াই। পৰৱৰ্তী পৰ্যায়ত বিদ্যালয়খন কেন্দ্ৰীয় ব'ৰ্ডৰ অধীনলৈ নিয়া হ'ব বুলিও একাংশ দল-সংগঠনক সৈমান কৰাইছিল। কিন্তু অতি পৰিকল্পিতভাৱে পুনৰ পৰ্যায়ক্ৰমে বন্ধ কৰাৰ ষড়যন্ত্ৰ চলিছে বুলিও অভিযোগ উত্থাপন হৈছে। অভিভাৱক-অভিভাৱিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা জানিব পৰা মতে, যোৱা এক ছেপ্টেম্বৰৰ পৰা অইল ইণ্ডিয়াই ছাত্ৰ-ছাত্ৰী কঢ়িওৱা বাছ বন্ধ কৰি দিছে। ফলত দাঁতি কাষৰীয়া ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ আহিব পৰা নাই। একাংশ ছাত্ৰ-ছাত্ৰী চাইকেল বা আন বাহনত আহিছে যদিও জটিল সমস্যাৰ সন্মুখীন হৈছে। অভিযোগ অনুসৰি, বিদ্যালয়ৰ বাছ বন্ধ কৰিলে যাতায়াতৰ অসুবিধাৰ বাবে কোনো নতুন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানখনত নামভৰ্তি নকৰিব আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলো যাতায়াতৰ সমস্যাত পৰি বিদ্যালয় এৰিবলৈ বাধ্য বা সলনি কৰিবলৈ বাধ্য হ'ব। এনে ধৰণৰ ষড়যন্ত্ৰৰে পৰ্যায়ক্ৰমে ১৩ পৃষ্ঠাত চাওক

## দৈচপৰাত চাৰিদিনীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম মহোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৪ ছেপ্টেম্বৰ ঃ** ৰঙিয়া মহকুমাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত পঃবঃ দৈচপৰা শ্ৰীশ্ৰীশংকৰদেৱ সংঘৰ সৌজন্যত দৈচপৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অহা পাঁচৰ পৰা আঠ অক্টোবৰলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্ম মহোৎসৱৰ আয়োজন কৰিছে। তদুপলক্ষে পাঁচ অক্টোবৰত কীৰ্তনঘৰৰ দুৱাৰ মুকলি, বন্তি প্ৰজ্বলন, ভাগৱত স্থাপন আৰু পাঠপঃবঃ দৈচপৰা শ্ৰীশ্ৰীশংকৰদেৱ সংঘৰ পতাকা উত্তোলন, ধৰ্মধ্বজ্জা উত্তোলন, স্মৃতিতৰ্পণ আৰু ৰভাৰ দ্বাৰ উন্মোচন কৰা হয়। ভাগৱত লৈ শোভাযাত্ৰা উদ্বোধন কৰিব কিষাণ মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক নিবাৰণ লহকৰে। দুটা শাখাত ৰচনা প্ৰতিযোগিতা ক শাখা তৃতীয়াৰ পৰা সপ্তম শ্ৰেণীলৈ, ৰচনাৰ বিষয় শংকৰদেৱৰ জীৱনী আৰু খ শাখা অষ্টমৰ পৰা দ্বাদশ শ্ৰেণীলৈ, বিষয়-সমাজ সংগঠক হিচাপে মহাপুৰুষ শংকৰদেৱ; উদ্বোধন কৰিব পাত্ৰ পুখুৰীপাৰ হাইস্কুলৰ প্ৰধান শিক্ষক নৃপেন দাসে। ধাৰেশ্বৰ কলিতাৰ সোঁৱৰণত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব বাৰাংহাটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক নগেন্দ্ৰ নাথ শালৈয়ে। দুপৰীয়া মহাভোগ বিতৰণ। ছয় অক্টোবৰত কীৰ্তন ঘৰৰ বন্তি প্ৰজ্বলন, পৰিৱেশ শুদ্ধিকৰণ আৰু গছপুলি ৰোপণ, আয়তীসকলৰ নাম উদ্বোধন কৰিব কঞা বৰপুল্লা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য বৰ্ণালী তালুকদাৰে। সাত অক্টোবৰত কীৰ্তন ঘৰৰ বন্তি প্ৰজ্বলন, ভাগৱত পাঠ, আবেলি বৰগীত প্ৰতিযোগিতা উদ্বোধন কৰি পঃবঃ আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামদত্ত লহকৰে, সন্ধিয়া আমন্ত্ৰিত নাগাৰা নাম দলৰ নাম প্ৰদৰ্শন, উদ্বোধন কৰিব অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মাই, সন্ধিয়া বিশ্ব শান্তিৰ ১৩ পৃষ্ঠাত চাওক

## প্ৰাথমিক শিক্ষকসকলৰ সমস্যা সমাধানৰ দাবীত শিক্ষক সংঘৰ আন্দোলন ঘোষণা

**২০ ছেপ্টেম্বৰত গোৱালপাৰাত ধৰ্ণাত বহিব শিক্ষক সন্মিলনীয়ে**

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৪ ছেপ্টেম্বৰ ঃ** পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ লগতে শিক্ষকসকলৰ কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীৰে অহা ২০ ছেপ্টেম্বৰত গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত শিক্ষক সন্মিলনীয়ে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আনছাৰুল ইছলাম আৰু জিলা সম্পাদক তথা ৰাজ্যিক সভাপতি অখিল নাথে এক বিবৃতিযোগে জনোৱা মতে, নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰখা, সকলো ঠিকা ভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰা, নতুন শিক্ষা নীতিত শিক্ষক বিৰোধী দফাসমূহ বাতিল কৰা, সকলো ৰাজ্যতে সপ্তম দৰমহা আয়োগৰ দৰমহা প্ৰদান কৰা, শিক্ষাত ব্যক্তিগত ৰাজহুৱা অংশীদাৰিত্ব বন্ধ কৰাকে ধৰি প্ৰাথমিক শিক্ষাৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত সমগ্ৰ ভাৰত বৰ্ষজুৰি শিক্ষক সংঘই এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰে প্ৰথম লানি কাৰ্যসূচী অনুসৰি, যোৱা একৰ পৰ ৩১ আগষ্টলৈ ভাৰতৰ প্ৰায় ২৩ লাখ শিক্ষক-শিক্ষয়িত্ৰীয়ে স্বাক্ষৰ প্ৰদান কৰে আৰু পাঁচ ছেপ্টেম্বৰত অৰ্থাৎ শিক্ষক দিৱসৰ দিনাই ভাৰতৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰা হয়। ইপিনে, একেই দাবীৰে সুকীয়াকৈ অসমৰ মুখ্যমন্ত্ৰীকো স্মাৰকপত্ৰ প্ৰদান কৰা হৈছিল। কিন্তু কোনো ধৰণৰ সুফল নোপোৱাত অহা ১৫ৰ পৰা ২০ ছেপ্টেম্বৰলৈ সকলো ৰাজ্যৰ জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সমুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কাৰ্যসূচীৰ অংশ হিচাপে গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে অহা ২০ ছেপ্টেম্বৰত জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সমুখত দিনৰ ১২ বজাৰ পৰা দুপৰীয়া এক বজালৈ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব। ইয়াৰ পাছতো যদি চৰকাৰে সমস্যাসমূহ সমাধানৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে পৰৱৰ্তী সময়ত ১৫ নবেম্বৰত ৰাজ্যসমূহৰ শিক্ষা সঞ্চালকালয়ৰ সমুখত ধৰ্ণা কেন্দ্ৰীয় চৰকাৰৰ শীতকালীন অধিবেশনৰ সময়ত দিল্লীত সকলো ৰাজ্যৰে শিক্ষক একগোট হৈ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি বিবৃতিটোত উল্লেখ কৰিছে।

**সমষ্টিটোৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা**

## জামুগুৰিহাটত চতিয়া যুৱ পৰিষদৰ কাৰ্যনিৰ্বাহক সভা

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৪ ছেপ্টেম্বৰ ঃ** অগপৰ ভ্ৰাতৃ সংগঠন অসম যুৱ পৰিষদৰ চতিয়া সমষ্টি কমিটীৰ এখন কাৰ্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। জামুগুৰিহাটৰ খাদৈচুক নামঘৰ প্ৰাংগণত চতিয়া বিধান পৰিষদৰ সভাপতি ৰক্তিম জ্যোতি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অগপৰ সাধাৰণ পৰিষদৰ সদস্য হেমন্ত কুমাৰ নাথ, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক সুশান্ত ভট্টাচাৰ্য, জিলা পৰ্যবেক্ষক জয়ন্ত বৰা আৰু কাচেম আলী শইকীয়া, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ভাস্কৰজ্যোতি বৰা, প্ৰাক্তন জিলা পৰিষদৰ সদস্যা তথা জ্যেষ্ঠা নেত্ৰী পূৰ্ণিমা হাজৰিকাকে ধৰি কে'বাগৰাকীও দলীয় বিষয়ববীয়া উপস্থিত থাকে। কাৰ্যনিৰ্বাহক সভাত দলীয় কে'বাটাও বিষয় আলোচনা কৰাৰ লগতে কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি জানিব দিয়ে চতিয়া বিধান পৰিষদৰ যুটীয়া সম্পাদক সঞ্জীৱ নাথ আৰু ৰামদেৱ শইকীয়াই। আজিৰ এই কাৰ্যনিৰ্বাহক সভাতেই 'পাঞ্চজন্য' শীৰ্ষক নামকৰণৰে এক সম্বৰ্ধনা অনুষ্ঠানো আয়োজন কৰে চতিয়া বিধান পৰিষদে। সমাজৰ হিতাৰ্থে বিভিন্ন কৰ্মত নিজকে নিয়োজিত কৰি সমাজখনলৈ ১৩ পৃষ্ঠাত চাওক

## টংলা চাৰি নম্বৰ খণ্ডত ৰাইজক দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষাত ব্যৰ্থ

**বাট-পথ, পকী নলা নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিও আওকাণ জনপ্ৰতিনিধিৰ**



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৪ছেপ্টেম্বৰ ঃ** বিটিচিত ১৭ বছৰীয়া বিপিএফ চৰকাৰৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে কঠোৰ সমালোচনা কৰি দুৰ্নীতিমুক্ত আৰু সমউন্নয়নৰ লগতে কমিচনৰাজ বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দি ৰাইজৰ আগত ভোট ভিক্ষা কৰি ৰাইজৰ ভোটেৰে বিটিচিত চৰকাৰ গঠন কৰা বিজেপি, ইউপিপিলৰ ডেৰ বছৰীয়া শাসনত কালতে আমুৰাইছে ৰাইজৰ। কাৰণ নিৰ্বাচনৰ আগতে ৰাইজক দিয়া কোনো এটা প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ সক্ষম হোৱা নাই এইখন বিজেপি-ইউপিপিএলৰ মিত্ৰশক্তিৰ বিটিচি চৰকাৰ। ইয়াৰে ব্যতিক্ৰম নহয় বিটিআৰৰ ওদালগুৰি জিলাৰ মুদৈবঢ়ী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত টংলা চাৰি নম্বৰ খণ্ডৰ বৃহত্তৰ চিত্ৰনগৰ অঞ্চল। সৰ্বাধিক অসমীয়া ভাষীক শিক্ষিত লোকৰ বসতিস্থল এই টংলা চহৰৰ চাৰি নম্বৰ খণ্ডত অতি শেহতীয়াভাৱে হোৱা বানপানীৰ সময়ত ৰাইজে একঁকাল পানীত ডুবি থকাৰ পাছতো এবাৰো খবৰ নোলোৱা সমষ্টিটোৰ ১৩ পৃষ্ঠাত চাওক

## টেঙাখাতত গ্ৰন্থ উন্মোচন-সম্বৰ্ধনা সভা



**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ১৪ ছেপ্টেম্বৰ ঃ** টেঙাখাতত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি অৱসৰপ্ৰাপ্ত শিক্ষক তথা লেখক ভদ্ৰ গগৈয়ে সম্পদনা কৰি প্ৰকাশ কৰা শিক্ষকতাৰ অনুভৱ, আনন্দ আৰু অন্যান্য নামৰ প্ৰবন্ধ সংকলন গ্ৰন্থখন উন্মোচন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া দুৰ্লভ চেতিয়াৰ। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গ্ৰন্থখনৰ সম্পাদক ভদ্ৰ গগৈয়ে। সভাতে গ্ৰন্থখন উন্মোচন কৰে ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাপ্ৰাপক তথা সাহিত্যিক পেঞ্চনাৰ গন্ধেশ্বৰ শইকীয়াই। গ্ৰন্থখন উন্মোচ কৰি উন্মোচনীজনে কয় যে গ্ৰন্থখনত কে'বাজনো শিক্ষকে লেখা লেখনি সন্নিবিষ্ট কৰা হৈছে। শিক্ষকতাৰ অভিজ্ঞতাৰ পৰা লেখা গ্ৰন্থখন পঢ়ি ভাল পাব আৰু গ্ৰন্থখন পাঠক সমাজে আঁকোৱালি ল'ব। উন্মোচনী সভাতে ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপক তথা টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শিক্ষাবিদ লক্ষী নাথ শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি শিক্ষাবিদজনে চমু বক্তব্য ৰাখি কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত সাহিত্যিক পেঞ্চনাৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষক গুণেশ্বৰ সোণোৱাল, মোহন সোণোৱালকে ধৰি কে'বাজনো ১৩ পৃষ্ঠাত চাওক

## গৌৰীপুৰ ডুমৰদহত ৰেলৰ খুন্দাত মহিলাৰ মৃত্যু

**ধুবুৰী, ১৪ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত ডুমৰদহত ৰেলৰ খুন্দাত নিহত হয় এগৰাকী মহিলা। গোলকগঞ্জৰ পৰা উজনিমুৰা ৰেলৰ খুন্দাত থিতাতে নিহত হয় কাঞ্চন বালা ৰায় (৪০) নামৰ মহিলাগৰাকী। মহিলাগৰাকীৰ ঘৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত কুৰিৰপাৰ গাঁৱত। স্থানীয় ৰাইজে মহিলাগৰাকীৰ কটা মৃতদেহ প্ৰত্যক্ষ কৰাত গৌৰীপুৰ আৰক্ষীক খবৰ দিয়ে। পাছত ঘটনাস্থলীত গৌৰীপুৰ আৰক্ষী আৰু ৰেলৰে বিভাগৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি ঘটনাৰ বুজ লৈ তদন্ত অব্যাহত ৰাখিছে।

## গুণোৎসৱ-২২ত টিহুৰ তিনি মণ্ডল সমল কেন্দ্ৰৰ প্ৰথম, দ্বিতীয়, তৃতীয় স্থান দখলেৰে সফলতা

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৪ ছেপ্টেম্বৰ ঃ** বিগত বছৰবোৰৰ দৰে ২০২২ৰ এক, দুই, তিনি, চাৰি জুনত অনুষ্ঠিত গুণোৎসৱ-২২ ত টিহু অঞ্চলৰ প্ৰায়কেইটা মণ্ডল সমল কেন্দ্ৰই সুংফল দেখুওৱাৰ উপৰি তিনিটা সমলকেন্দ্ৰই পূব নলবাৰী শিক্ষা খণ্ডৰ ৪৬ টা মণ্ডল সমল কেন্দ্ৰৰ ভিতৰত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হৈ টিহুলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ ভিতৰত সমন্বয়ক তপন ঠাকুৰীয়াৰ দায়িত্বত থকা মাখিবাহা মণ্ডল সমল কেন্দ্ৰই প্ৰথম, সমন্বয়ক হেমন্ত দাসৰ দায়িত্বত থকা জলখানা ভথুৰাখানা মণ্ডল সমল কেন্দ্ৰ-১ আৰু পশ্চিম নামবৰভাগ মণ্ডল সমল কেন্দ্ৰ-২ ই ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। উল্লেখ্য যে গুণোৎসৱৰ প্ৰথম দিনা পহিলা জুনত ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা আৰু বিদ্যালয়ৰ মূল্যায়ন কৰা হয়। দুই, তিনি, চাৰি জুনত ক্ৰমে বিদ্যায়তনিক ৯০ শতাংশ, সহ বিদ্যায়তনিক পাঁচ শতাংশ আৰু ৰাইজৰ অংশগ্ৰহণ পাঁচ শতাংশৰ ওপৰত বহিঃমূল্যায়ন কৰা হয়। এই ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই মণ্ডল সমন্বয়ক সকলৰ তত্বাৱধানত শিক্ষাৰ্থী আৰু অভিভাৱকৰ তথ্য, সংৰক্ষণ আৰু সভা-সমিতিৰ ১৩ পৃষ্ঠাত চাওক

## ঢেকিয়াজুলিত শোণিতপুৰ জিলা যুৱ-ছাত্ৰ পৰিষদৰ বিংশতিতম অধিৱেশনৰ সামৰণি

**■ স্মৰণিকা 'ৰণুৱা' উন্মোচন**



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৪ ছেপ্টম্বৰ ঃ** 'অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ'ৰ শোণিতপুৰ জিলা সমিতিৰ বিংশতিতম অধিবেশনখন সম্পন্ন হৈছে। এই অধিবেশনতে ২০২২-২৪ৰ বাবে পূৰ্বৰ সাধাৰণ সম্পাদক নৃপেন চন্দ্ৰ নাথক সভাপতি আৰু জিতু তালুকদাৰক সাধাৰণ সম্পাদক হিচাপে লৈ শোণিতপুৰ যুৱ-ছাত্ৰ পৰিষদৰ এখন নতুন শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰি শপত বাক্য পাঠ কৰোৱা হয়। উল্লেখ্য যে ১১ ছেপ্টেম্বৰত যুৱ-ছাত্ৰ পৰিষদৰ ঢেকিয়াজুলি আঞ্চলিক সমিতিৰ আমন্ত্ৰণ আৰু আতিথ্যত ঢেকিয়াজুলিৰ ট্ৰাক ব্যৱসায়ী সন্থাৰ প্ৰেক্ষাগৃহত আয়োজিত অধিবেশনৰ দিনজোৰা কাৰ্যসূচী অনুসৰি পৰিষদৰ শোণিতপুৰ জিলা সমিতিৰ উপ-সভাপতি তথা ভাৰপ্ৰাপ্ত সভাপতি দিলীপ শৰ্মাই পুৱা ৯.৩০ বজাত সংগঠনৰ ১৩ পৃষ্ঠাত চাওক

# কোনো কাৰণতে অসমৰ মাটি এৰি দিয়া নহ'ব

**■ অসম-অৰুণাচলৰ সীমান্ত বমগড়াত বীৰ লাচিত সেনাৰ হুংকাৰ**

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ১৪ ছেপ্টেম্বৰ ঃ** অসম-অৰুণাচলৰ বিবদমান অঞ্চল বমগড়াত কালি বিয়লি বীৰ লাচিত সেনাৰ এক সঁজাতী দলে পৰিভ্ৰমণ কৰি পৰিস্থিতি সম্পৰ্কে বুজ লয়। লাচিত সেনাৰ কেন্দ্ৰীয় প্ৰশাসনিক সচিব শৃংখল চলিহাৰ নেতৃত্বত অহা প্ৰায় এশজনীয়া দলটোৱে বমগড়া, ফিনবিৰ, এক, ভিফনবিৰং দুই, ৰাংৰিংকান আদি অঞ্চল চৰজমিন অনুসন্ধান কৰি অতি কৌশলেৰে অৰুণাচলীয়ে অসমৰ ভূমি দখল কৰাৰ কথা জানিব পাৰি কোনো মূল্যতে অসমৰ মাটি এৰি নিদিয়াৰ হুংকাৰ প্ৰদান কৰে। শেহতীয়াকৈ অসম-অৰুণাচলৰ সীমা বিবাদ বিষয়টোৰ সম্পৰ্কত এক চৰজমিন তদন্তৰ বাবে মন্ত্ৰী অতুল বৰাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কি কাৰণে পঠাইছিল তাক স্পষ্ট কৰিবৰ বাবে দাবী উত্থাপন কৰিছে চলিহাই। যি সময়ত মুখ্যমন্ত্ৰী শৰ্মাই জাতি, মাটি, ভেটি ৰক্ষা কৰা বুলি দম্ভালি মাৰি আছে ঠিক তেনে সময়তে অৰুণাচলীয়ে ছখনকৈ গাঁৱৰ লগতে মহকুমাটোৰ আঠখনকৈ সংৰক্ষিত আঁঞ্চলৰ মুঠ ১১৬৭৮.১৫ হেক্টৰ ভূমি অৰ্থাৎ প্ৰায় ৮৭ হেজাৰ বিঘা অসমৰ ভূমি অৰুণাচলৰ বুলি দাবী কৰাটো অতিশয় দুখ, ১৩ পৃষ্ঠাত চাওক

## পানীত পৰি যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ১৪ ছেপ্টেম্বৰ ঃ** বোকাখাত আৰক্ষী থানাৰ অন্তৰ্গত সাপজুৰি বঙালী গাঁৱত আজি এজন যুৱক পুখুৰীত পৰি মৃত্যু হয়। তথ্য মতে, সুনীল ভূমিজ (৩৮) নামৰ যুৱকজনে পুখুৰী সিঁচা চাই থাকোতে পানীত পৰি মৃত্যু হয়। বোকাখাত থানাৰ আৰক্ষী আৰু এছডিআৰএফৰ লোকে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

## অসম মহিলা বিশ্ববিদ্যালয়ত প্ৰাচ্য বিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগৰ স্মৃতি দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৪ ছেপ্টেম্বৰ ঃ** অসম মহিলা বিশ্ববিদ্যালয়ত আজি অসম সাহিত্য সভাৰ বিদ্যায়তনিক শাখা প্ৰাচ্য বিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসম তত্ত্ব গৱেষণা সংস্থানৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত প্ৰাচ্য বিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগৰ স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত সঞ্চালকৰ আসন গ্ৰহণ কৰে অসম তত্ত্ব গৱেষণা সংস্থানৰ সঞ্চালক ড° অদিতি বেজবৰুৱাই। ইয়াৰ পাছতে অনুষ্ঠানৰ উদ্বোধন কৰে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা, বিশিষ্ট কবি, সাহিত্যিক ড° জ্যোতিৰেখা হাজৰিকাই। সভাৰ উদ্বোধনৰ পাছতে মহেশ্বৰ নেওগ ৰচিত এটি কবিতা আবৃত্তি কৰে অসমীয়া বিভাগৰ অধ্যাপক ড° গীতিমণি হাতীমূৰীয়াই। ইয়াৰ পাছতে মুখ্য বক্তা হিচাপে মহেশ্বৰ নেওগৰ জীৱন আৰু কৃতিৰ সামগ্ৰিক বিশ্লেষণ আগবঢ়াই ড° বসন্ত কুমাৰ গোস্বামীয়ে। ১৩ পৃষ্ঠাত চাওক

## ধুবুৰীত ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সাধাৰণ সভা



**ধুবুৰী, ১৪ ছেপ্টেম্বৰ ঃ** ধুবুৰীত ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত আৰ কে বোস ৰোডত ত্ৰিবাৰ্ষিক তৃতীয় সংখ্যক সাধাৰণ সভা অনুষ্ঠিত হয়। ধুবুৰীৰ বিভিন্ন হাট-ঘাট, বজাৰত থকা সন্থাৰ প্ৰায় শতাধিক ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ উপস্থিতিত বিজয় কুৰ্মীৰ সভাপতিত্বত সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাত ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ উন্নয়নৰ দিশত আলোচনা কৰা হয় আৰু হাট-ঘাট, বজাৰ অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ দিশতো সভাত আলোকপাত কৰে। সভাত ক্ষুদ্ৰ ব্যৱসায়ীসকলে বড়বজাৰ অঞ্চলৰ কৱৰস্থান ৰোডত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰাৰ লগতে উক্ত পথৰ জৰাজীৰ্ণ পথটো মেৰামতি কৰা, ছাগলী বজাৰ মেৰামতি কৰা, ধুবুৰীৰ বিভিন্ন বজাৰসমূহত নৈশ চকীদাৰৰ ব্যৱস্থা কৰা,। ডাঃ পান্নালাল ওচৱাল মেম'ৰিয়াল মাৰ্কেটৰ চাৰিওফালে থকা গেটসমূহৰ দুয়োফালে ষ্টলবোৰ অবৈধভাৱে বঢ়াই লৈ অহা-যোৱা কৰা পথটো ঠেক কৰি পেলোৱাৰ বাবে ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় সান্যালক সন্থাৰ তৰফৰ পৰা আবেদনৰ জৰিয়তে অৱগত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত পুৰণি কমিটিখন ভংগ কৰি নতুন কমিটীত ক্ষুদ্ৰ ব্যৱসায়ী উত্তম প্ৰসাদক সভাপতি, সমসেৰ উদ্দিনক কাৰ্যকৰী সভাপতি আৰু কলিম উদ্দিন শ্বেখক সাধাৰণ সম্পাদকৰূপে দায়িত্বভাৰ অৰ্পণ কৰে আৰু এখন ৫১ জনীয়া পূৰ্ণাংগ কমিটী গঠন কৰে বুলি সন্থাৰ নতুনকৈ দায়িত্বভাৰ পোৱা সাধাৰণ সম্পাদক কলিম উদ্দিন শ্বেখে জানিবলৈ দিয়ে।

# সৈনিক শিল্পী ব্ৰজনাথ শৰ্মাৰ নাট্য জীৱনৰ প্ৰকৃত মূল্যায়ন কৰাটো প্ৰয়োজন

**■ তীৰ্থনগৰী হাজোত সৈনিক শিল্পী ব্ৰজনাথ শৰ্মা সোঁৱৰণী সভা সম্পন্ন**

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৪ ছেপ্টেম্বৰ ঃ** অসম নাট্য সন্মিলনৰ হাজো শাখাই যোৱা ১২ ছেপ্টেম্বৰত সৈনিক শিল্পী ব্ৰজনাথ শৰ্মা সোঁৱৰণী অনুষ্ঠান এটি উদ্‌যাপন কৰে। এই উপলক্ষে পুৱা মুক্তি যুঁজাৰু মমত চন্দ্ৰ মজুমদাৰ স্মৃতি সংৰক্ষিত বাকৰিত পতাকা উত্তোলন কৰে অসম নাট্য সন্মিলনৰ হাজো শাখাৰ কাৰ্যকৰী সভাপতি শংকৰ দাসে। হাজোৰ চন্দ্ৰমা হোটেল এণ্ড ৰেষ্টুৰেণ্টত আয়োজিত অনুষ্ঠানত পুৱা ব্ৰজনাথ শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে এক নম্বৰ হাজো গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সভাপতি ৰণেন কুমাৰ দাসে। ইয়াৰ পাছত বন্তি প্ৰজ্বলন কৰে কামৰূপ জিলা পৰিষদৰ সভানেত্ৰী ৰীতা তালুকদাৰে। সৈনিক শিল্পী ব্ৰজনাথ শৰ্মা সোঁৱৰণী সভা অনুষ্ঠিত হয়। এই সভা পৌৰোহিত্য কৰে হাজো শাখাৰ কাৰ্যকৰী সভাপতি শংকৰ দাসে। সভা উদ্বোধন কৰি পঞ্চতীৰ্থ পৰিচালনা সমিতিৰ সভাপতি শিৱ প্ৰসাদ শৰ্মা দলৈয়ে কয় যে নাটক হৈছে পঞ্চম বেদ। আজি চিনেমা, টেলিভিছনৰ জনপ্ৰিয়তা বাঢ়িছে লগতে ইণ্টাৰনেট সেৱাৰ পৰিসৰ বৃদ্ধি পালেও নাটকৰ প্ৰতি মানুহৰ আনুগত্য সদায়েই থাকিব। হাজোৰ নাট্য ইতিহাসৰ এক সুকীয়া ধাৰা আজিও বৰ্তি আছে। এই সভাত বক্তাৰূপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ডাঃ জগদীশ পাটগিৰিয়ে কয় যে হাজো এখন ঐতিহাসিক সমলৰে ভৰপুৰ ঠাই। নাটকৰ এক বীজ ইয়াত জড়িত হৈ আছে। যাত্ৰা দলৰ এক সুকীয়া ইতিহাস বিজড়িত হৈ আছে। যাত্ৰা দলৰ সৈনিক আছিল ব্ৰজনাথ শৰ্মা। অসমৰ সাংস্কৃতিক জগতৰ এগৰাকী বৰেণ্য শিল্পী ব্ৰজনাথ শৰ্মা। কিন্তু ব্ৰজনাথ শৰ্মাৰ নাট্য জীৱনৰ প্ৰকৃত মূল্যায়ন আজিও হৈ নুঠাটো একপ্ৰকাৰ জাতীয় জীৱনৰ বাবেই ক্ষতি। নৱ প্ৰজন্মৰ মাজত ব্ৰজনাথ শৰ্মাৰ জীৱন পৰিক্ৰমা অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে ক্ৰমে ডিমৰীয়া মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ পংকজ নমঃশূদ্ৰ, অভিনেত্ৰী ডাঃ ৰূপা বৰকাকতিয়ে। সভাত অসম নাট্য সন্মিলন হাজো শাখাৰ সম্পাদক কিচিন দাস, প্ৰচাৰ সম্পাদক বিবেকানন্দ দাস, সংগীত শিল্পী গণেশ চন্দ্ৰ দাস, হিমাংশু শৰ্মা, সমাজকৰ্মী শম্ভুৰাম দাস, সোণাৰাম দাস, হৰকান্ত বৈশ্য আদি প্ৰায় সংখ্যক লোক উপস্থিত থাকে। সভাতেই কে'বাগৰাকী শিল্পী, সাংস্কৃতিক কৰ্মীক গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোৰ আঁত ধৰে অসন নাট্য সন্মিলন হাজো শাখাৰ সম্পাদক কিচিন দাসে।'

## শ্ৰদ্ধাঞ্জলি নিৰলা ভৰালী



ওৰেতো জীৱন শিক্ষাৰ লগত জড়িত থাকি সুদীৰ্ঘ দিন শিক্ষকতা কৰা মোৰ মা নিৰলা ভৰালীৰ যোৱা পাঁচ ছেপ্টেম্বৰৰ পৱিত্ৰ শিক্ষক দিৱসৰ দিনা আমাক সকলোকে নিঠৰুৱা কৰি পৰলোকপ্ৰাপ্তি হয়। ঐতিহ্যমণ্ডিত শিৱসাগৰৰ মেলাচ'কৰত ১৯৩৮ৰ পহিলা মাৰ্চত জন্মগ্ৰহণ কৰা মায়ে প্ৰথমে শ্বিলঙৰ জেইল ৰোড ছোৱালী হাইস্কুলত শিক্ষকতা আৰম্ভ কৰে আৰু ৰাজধানী স্থানান্তৰ হোৱাৰ পাছত গুৱাহাটীৰ দিছপুৰ বিদ্যালয়, গোপাল বড়ো হাইস্কুল আৰু শেষত তাৰিণী চৌধুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ জটিয়া মহিলা সমিতি, প্ৰাদেশিক মহিলা সমিতি, অসম ৰেডক্ৰছ ছ'চাইটি, অসম সাহিত্য সভা আদি অনুষ্ঠানৰ স'তে জড়িত আছিল। তেওঁ মহাত্মা ফুলে প্ৰতিষ্ঠান নান্দেক, চতুৰ্থ ফুলে-শাহু আম্বেদকাৰ ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনৰ তৰফৰ পৰা সম্বৰ্ধনা প্ৰাপ্তি লাভ কৰে।

শেষত যোৱা ১৫ আগষ্টৰ স্বাধীনতা দিৱসত কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা তেওঁক সম্বৰ্ধনা জনায়। তেওঁ প্ৰখ্যাত স্বাধীনতা সংগ্ৰামী প্ৰয়াত লোকনাথ ভৰালীৰ স'তে যুগ্ম জীৱনৰ পাতনি মেলিছিল।

আজি পৱিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা মাৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

**পাৰ্থপ্ৰতিম ভৰালী**
জটিয়া, দিছপুৰ






# চাওতাল আত্মপৰিচয়ৰ লগতে জনজাতিকৰণৰ দাবী



## কলিয়াবৰত চাওতাল জাতীয় সংগঠনৰ উমৈহতীয়া সভা

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৪ ছেপ্টেম্বৰ ঃ** কলিয়াবৰ মহকুমাৰ আমনিস্থিত বহুমুখী কেন্দ্ৰত আজি সদৌ অসম চাওতাল উন্নয়ন সস্থা, সদৌ অসম চাওতাল মাঝি মণ্ডল, সদৌ চাওতাল ছাত্ৰ সস্থা, অসম চাওতাল সাহিত্য পৰিষদকে ধৰি চাওতাল জনজাতীয় সংগঠনৰ এক উমৈহতীয়া বৈঠক অনুষ্ঠিত হয়। চাওতাল উন্নয়ন সস্থাৰ সভাপতি দেৱজিত মাঝিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কেউটা সংগঠনৰ প্ৰতিনিধিয়ে সৰ্বসন্মত আলোচনাৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰান্তত বাস কৰা চাওতালসকলৰ আত্ম পৰিচয় ঘূৰাই অনাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। চাওতালসকলক চাহ জনজাতি, আদিবাসী আদি পৰিচয়ৰ পৰিৱৰ্তে চাওতাল হিচাপে আত্ম পৰিচয় দিয়াৰ লগতে চাওতালসকলক জনজাতি হিচাপে মৰ্যাদা প্ৰদানৰো দাবী সভাত উত্থাপিত হয়। অষ্ট্ৰিক গোষ্ঠীৰ অন্তৰ্গত চাওতালসকলৰ পূৰ্বৰে পৰা অসমত নিজা পৰিচয় থকাৰ লগতে বৰ্তমান সময়ত এই পৰিচয় হেৰুওৱাৰ উপক্ৰম হোৱাৰ সন্দৰ্ভতো সভাত বিস্তৃত আলোচনা হয়। নিজস্ব ভাষা, লিপি, সংস্কৃতিৰে ভৰপূৰ চাওতালসকলক জাতিগতভাৱে আন জনগোষ্ঠীৰ লগত সাঙুৰি দিলে চাওতালসকলৰ অস্তিত্ব লাঘৱ হ'ব বুলিও সভাত মতপোষণ কৰে চাওতাল জাতীয় সংগঠনৰ প্ৰতিনিধি সকলে। সভাৰ সিদ্ধান্ত মৰ্মে চাওতালসকলৰ আত্ম পৰিচয় ৰক্ষা, জনজাতিকৰণ কৰাৰ লগতে চাওতাল জনগোষ্ঠীয় সংগঠনৰ যোগেদি জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ দাবীত কেউটা সংগঠনে উমৈহতীয়াভাৱে মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰও প্ৰেৰণ কৰে।

# হাউলীৰ ষ্টেট বেংকত দুই দালালক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ১৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যত বিভিন্ন অপৰাধমূলক কাৰ্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। আৰক্ষীৰ তৎপৰতাৰ পাছতো একাংশই বিভিন্ন ঠাইত দালালি কৰি সৰ্বসাধাৰণক লুণ্ঠনৰাজ চলাই আছে। ইয়াৰ মাজতে হাউলীৰ ষ্টেট বেংক অৱ ইণ্ডিয়াৰ শাখাত সাধাৰণ ৰাইজক লুণ্ঠন চলাই থকা দুই দালালক কালি আৰক্ষীয়ে আটক কৰে। হাউলী আৰক্ষীয়ে এক বিশেষ খবৰৰ ভিত্তিত অনুসন্ধান চলাই দালাল দুজনক আটক কৰে। হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক গোপাল বৰাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে হাউলীৰ ষ্টেট বেংক অৱ ইণ্ডিয়াৰ শাখাত অভিযান চলায়। অভিযানত বৰবালাৰ নজৰুল খান আৰু বৰবালাৰ কমলপুৰৰ জীয়াৰুল হকক আটক কৰে। আটকাধীন দুয়োজনকে প্ৰথমে হাউলী থানাত সোধ-পোছ কৰাত দুয়োজনে দীৰ্ঘদিন ধৰি বেংকত বিভিন্ন ৰাইজক সহায় কৰি দিয়াৰ চলনাৰে এক লুণ্ঠন চলাই থকা বুলি স্বীকাৰোক্তি দিয়ে। দুয়োজনৰ স্বীকাৰোক্তি আৰু ৰাইজৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে দালাল দুজনক গ্ৰেপ্তাৰ কৰে। দুয়োজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি)/১৮২/ ২১১/ ৩৮৪/৪২০/৪৬৮/ ৪৬৯ ধাৰাত হাউলী আৰক্ষী থানাত ১৩৩/২০২২ এটা গোচৰ পঞ্জীয়ন কৰা হৈছে।

# কৃষি আয়োগৰ প্ৰতিনিধিৰ নলবাৰীৰ কৃষকৰে মত বিনিময়



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৪ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ খানাপাৰাস্থিত কৃষি সঞ্চালকালয়ৰ অন্তৰ্গত কৃষি আয়োগৰ প্ৰতিনিধিয়ে আজি নলবাৰী জিলা পৰিদৰ্শন কৰে। অসম কৃষি আয়োগৰ সদস্য ড° নলিন কুমাৰ মোহন, উপকৃষি সঞ্চালক ড° অতুল চন্দ্ৰ শৰ্মা আৰু এম অ' ভি চি ডিৰ নডেল বিষয়া তথা মহকুমা কৃষি বিষয়া বকুল চন্দ্ৰ শইকীয়াই পাগলাদিয়া এগ্ৰ' অৰ্গেনিক এফ পি চিৰ অন্তৰ্গত শংকৰদেৱ জৈৱিক কৃষি পাম আৰু জ্যোতি কৃষক সংঘৰ খেতিসমূহ পৰিদৰ্শন কৰি কৃষি সম্পৰ্কে বহু গুৰুত্বপূৰ্ণ কথা আৰু ডাবুল ক্ৰপ সম্পৰ্কে কৃষকসকলৰ স'তে আলোচনা কৰে। লগতে অসম চৰকাৰে যে কৃষি ক্ষেত্ৰখন আৰু উন্নত কৰাৰ উদ্দেশ্যে কৃষি আয়োগ গঠন কৰিছে সেই সন্দৰ্ভত আলোচনা কৰে। কৃষকসকলৰ লাভালাভ আৰু সমস্যা সন্দৰ্ভত আলোচনা কৰাৰ লগতে সমাধানৰ আশ্বাস দিয়ে আৰু বিশেষকৈ আগন্তুক সৰিয়হ খেতি সন্দৰ্ভতো কৃষকৰে মত বিনিময় কৰে। প্ৰতিনিধিৰ দলটোক সংগ দিয়ে নলবাৰী জিলা কৃষি বিষয়া হবিবুল হক, সহকাৰী কৃষি সঞ্চালক যোগেশ্বৰ ৰাজমেধি, মহকুমা কৃষি বিষয়া কুমুদ হালৈ, কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যান শস্য বিশেষজ্ঞ হোমেশ্বৰ মজুমদাৰে।

# নগাঁৱৰ চিকিৎসক ডাঃ দিলীপ বৰুৱাৰ বিয়োগ



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ জগন্নাথ মন্দিৰ পথৰ নিবাসী, বিশিষ্ট চিকিৎসক ডাঃ দিলীপ বৰুৱা (৭৬)ৰ যোৱা নিশা নিজা বাসভৱনত হৃদযন্ত্ৰ বন্ধ হৈ পৰলোকপ্ৰাপ্তি ঘটে। এগৰাকী এনাছথেচিয়া চিকিৎসক হিচাপে তেওঁ সুদীৰ্ঘ দিন নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসা সেৱা আগবঢ়াইছিল। অৱসৰৰ পাছতো তেওঁ চিকিৎসা সেৱা অব্যাহত ৰাখিছিল। যোৱা নিশা আহাৰ গ্ৰহণ কৰাৰ পাছত তেওঁ হঠাৎ অসুস্থ হৈ পৰে। লগে লগে তেওঁক স্থানীয় এখন চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে স্বাস্থ্য পৰীক্ষা কৰি তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু একমাত্ৰ জীয়ৰীক ইহসংসাৰত এৰি যায়। বিশিষ্ট চিকিৎসক ডাঃ বৰুৱাৰ বিয়োগত নগাঁও চহৰত শোকৰ ছাঁ পৰিছে।

# প্ৰাক্তন বিধায়কৰ পত্নীৰ মৃত্যুত শোক দলগাঁৱত



**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ১৪ ছেপ্টেম্বৰ ঃ** দৰঙৰ দলগাঁও বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক ইলিয়াছ আলীৰ পত্নীয়ে ইহলীলা সম্বৰণ কৰাত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। প্ৰাক্তন বিধায়কৰ পত্নী হালিমা বেগমে যোৱা নিশা উশাহ-নিশাহ লোৱাত কষ্ট অনুভৱ কৰে। লগে লগে নিজৰ গাড়ীৰে বুঢ়ীগাঁৱস্থিত ডিউ কেয়াৰ হাস্পতাললৈ নিয়া হয় যদিও আদবাটতে ১০ বজাত মৃত্যুক সাবটি লয়। এই খবৰ পোৱাৰ মাত্ৰকে পৰিয়ালৰ মাজত হাহাকাৰ লাগে। আজি পুৱা তেওঁৰ নশ্বৰদেহ নিজ বৰুৱাঝাৰৰ পুৰণি গৃহলৈ লৈ আহে আৰু তাতেই স্থানীয় কৱৰস্থানত পুৱা ন বজাত হেজাৰ হেজাৰ লোকৰ উপস্থিতিত জানাজা সমাজ সম্পন্ন কৰি কবৰ দিয়া হয়। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি স্থানীয় বিধায়ক মজিবৰ ৰহমান, বিধায়ক বসন্ত দাস, কংগ্ৰেছ, এআইইউডিএফৰ স্থানীয় কমিটী স্থানীয় আমছুৰ লগতে বিভিন্ন দল-সংগঠনে।

# চতিয়াৰ মিৰিহোলা প্ৰাথমিক বিদ্যালয়ত শিক্ষকৰ অভাৱ

## পৰ্যাপ্ত শ্ৰেণীকোঠাৰ অভাৱত গছৰ তলতেই দিবলগীয়া হৈছে পাঠদান



**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ১৪ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰে ৰাজ্যৰ শিক্ষা বিভাগত পৰ্যায় ক্ৰমে শিক্ষক নিযুক্তি দি আৰু আন্তঃগাঁথনি উন্নত কৰি ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত আগুৱাই নিয়াৰ প্ৰয়াস কৰিছে যদিও শিক্ষা বিভাগৰ উন্নয়নৰ আন এক ফোঁপোলাস্বৰূপে ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৭৬ নম্বৰ বিশ্বনাথ সমষ্টিৰ নদুৱাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত চতিয়াৰ দক্ষিণ অঞ্চলৰ মিৰিহোলা প্ৰাথমিক বিদ্যালয়ত শিক্ষকৰ অভাৱৰ বাবে সুচাৰুৰূপে পাঠদান ব্যাহত হোৱা কাৰ্যই। প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে বিদ্যালয়খনত চৰকাৰী শিক্ষক মাত্ৰ দুজন। দক্ষিণ চতিয়াৰ চাপৰি অঞ্চলত অৱস্থিত এই বিদ্যালয়খনত মাত্ৰ দুগৰাকী শিক্ষকে পাঠদান কৰাবলগীয়া হৈছে। নাই উপযুক্ত শ্ৰেণী কোঠা। কেতিয়াবা গছৰ তলত কেতিয়াবা বাৰাণ্ডাতে কোনো মতে কৰাবলগীয়া হৈছে পাঠদান। শিক্ষকৰ নিযুক্তিৰ বাবে স্থানীয় ৰাইজে আবেদন জনাইছিল যদিও শিক্ষা বিভাগে গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে। বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ভাষ্য অনুসৰি ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীক পাঠদান কৰোঁৱাত বৰ্তমানে অসুবিধাৰ সন্মুখীন হৈছে দুগৰাকী শিক্ষকে। বিদ্যালয়খন চলাবলৈ পৰিচালনা সমিতিয়ে শিক্ষাদানৰ বাবে নিজাববীয়াকৈ নিযুক্তি দিছে স্থানীয় শিক্ষিত যুৱকক। শিক্ষক ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ লগতে সংখ্যালঘু সংগ্ৰাম পৰিষদ আৰু নেমছুৱে শীঘ্ৰেই প্ৰয়োজনীয় চৰকাৰী শিক্ষক নিযুক্তি দিবলৈ অসম চৰকাৰ তথা শিক্ষা বিভাগক দাবী জনাইছে। ২০০৪ তেই স্থাপন হোৱা বিদ্যালয়খনৰ গৃহ বুলিবলৈ আছে মাত্ৰ এটাই শ্ৰেণী কোঠা। এটা কোঠাতেই পাঁচটাকৈ শ্ৰেণীৰ পাঠদান চলাই আছে দুগৰাকী শিক্ষকে। উপযুক্ত শ্ৰেণীকোঠাৰ অভাৱতেই বহু কণ কণ শিক্ষাৰ্থী বঞ্চিত হৈছে শিক্ষা গ্ৰহণৰ পৰা। মিৰিহোলা প্ৰাথমিক বিদ্যালয়ৰ দৰেই এতিয়া চতিয়াৰ দক্ষিণ অঞ্চলত আন বহুতো বিদ্যালয় চলি আছে। শিক্ষক আৰু শ্ৰেণী কোঠা অবিহনে। জীৱনৰ আদি পাঠ গ্ৰহণ কৰিবলৈ অহা কণ কণ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱন গঢ় দিবলৈ শিক্ষা বিভাগক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক নাজিৰ আহমেদ আৰু দক্ষিণ চতিয়া আঞ্চলিক নেমছুৰ সাধাৰণ সম্পাদক ছাহিদুল ইছলামে।

# প্ৰথমবাৰলৈ তেজপুৰৰ কৃষি পথাৰত ড্ৰোণৰ সহায়ত নেন' ইউৰিয়া প্ৰয়োগ



**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ ভিতৰতে প্ৰথমবাৰলৈ কালি তেজপুৰত দিনৰ তিনিবজাত ড্ৰোণৰ সহায়ত কৃষিপথাৰত সাৰ প্ৰয়োগ কৰা হয়। প্ৰৱল খৰাং আৰু বহু কৃষিপ্ৰধান অঞ্চলত উপযুক্ত জলসিঞ্চন ব্যৱস্থাৰ অভাৱৰ অভিযোগ উত্থাপিত হৈ অহাৰ সময়তে শোণিতপুৰৰ বিন্দুকুৰি কৃষি চক্ৰৰ অন্তৰ্গত পক্ষীয়াঝাৰ গাঁৱত পৰীক্ষামূলকভাৱে ড্ৰোণৰ সহায়ত কৃষি পথাৰত নেন' ইউৰিয়া সাৰ প্ৰয়োগ কৰাৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে ৰাজ্যত প্ৰথমবাৰৰ বাবে তেজপুৰ পক্ষীয়াঝাৰ মাঝিয়া ফাৰ্মাৰ প্ৰডিউডাৰ কোম্পানীৰ পথাৰত পৰীক্ষামূলকভাৱে এনেদৰে সাৰ প্ৰয়োগ কৰা হয়। এই পদ্ধতিৰ মুকলি কৰে শোণিতপুৰ জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প চমুকৈ এপাৰ্ট, কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ উত্তৰ-পূব আঞ্চলিক কৃষি যন্ত্ৰ প্ৰশিক্ষণ আৰু পৰীক্ষণ প্ৰতিষ্ঠান, আইএফএফচিঅ' আৰু বিচিএছৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসন, জিলা কৃষি বিভাগ, আইচিচিঅ'এ আৰু বিন্দুকুৰিৰ মাঝিয়া কৃষি উৎপাদক গোটৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানত উপায়ুক্ত মিশ্ৰৰ লগতে উত্তৰ-পূব আঞ্চলিক কৃষি যন্ত্ৰ প্ৰশিক্ষণ আৰু পৰীক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ড° পিপি ৰাও, জিলা উন্নয়ন আয়ুক্ত উৎপল বৰা, ইফক'ৰ উপ-মহাপ্ৰবন্ধক বেদ পাল আৰু বেয়েৰ কোম্পানীৰ খাদ্য শৃংখল প্ৰৱন্ধক নন্দিনী মণ্ডল, জিলা কৃষি বিষয়া পংকজ শইকীয়া, আইক'আৰ জিলা বিষয়া কিশোৰ বৰুৱা, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী অংগনা শৰ্মা, মহকুমা কৃষি বিষয়া (উদ্যান শস্য) প্ৰাঞ্জল শৰ্মা, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ড° খনীন্দ্ৰ বৰ্মন, প্ৰণৱ বৰাৰ লগতে উপস্থিত থাকে বহুকেইজন বিশিষ্ট ব্যক্তি। ড্ৰোণৰ যোগেদি কৃষি পথাৰত পৰীক্ষামূলকভাৱে নেন' ইউৰিয়া প্ৰয়োগৰ পাছতে কৃষকসকলক এই পদ্ধতিৰ বিষয়ে এক প্ৰশিক্ষণো প্ৰদান কৰা হয়। উল্লেখ্য যে ১০ লিটাৰ নেন' ইউৰিয়া কঢ়িয়াই লৈ যাব পৰা ড্ৰোণখনে ছয়ৰ পৰা আঠ মিনিটৰ ভিতৰত তিনি বিঘা কৃষি পথাৰত নেন' ইউৰিয়া প্ৰয়োগ কৰিব পাৰে। উত্তৰ-পূব আঞ্চলিক কৃষি যন্ত্ৰ প্ৰশিক্ষণ আৰু পৰীক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ড° ৰাৱে সদৰী কৰা অনুসৰি এই অত্যাধুনিক ড্ৰোণখন ২০২৩ৰ জানুৱাৰীৰ পৰা উপলব্ধ হোৱাৰ লগতে কৃষি বিজ্ঞান কেন্দ্ৰসমূহে এই ড্ৰোণখন বিনামূলীয়াকৈ আৰু কৃষি উৎপাদক গোটসমূহে ৮০ শতাংশ ৰেহাই মূল্যত লাভ কৰিব।

# ৰঙাপৰা নগৰৰ মাজমজিয়াত নটাকৈ চৰকাৰী কোঠালি পৰিত্যক্ত অৱস্থাত

**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ১৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত নিবনুৱা সমস্যাই ভয়াভহ ৰূপ ধাৰণ কৰাৰ সময়তে ৰঙাপৰা সমষ্টিতো নিবনুৱা সমস্যাই গা গঢ়ি উঠিছে। উল্লেখ্য যে ৰঙাপৰা উৰণীয়া সেতু নিৰ্মাণৰ সময়ত প্ৰায় ৮০ৰো অধিক দোকান গৃহ উচ্ছেদ কৰাৰ পাছত শেহতীয়াকৈ ৰেলৱে বিভাগে ৰেলৱে আস্থানৰ সমীপৰ ৰেলৱে ভূমিত থকা ৪০ ৰ অধিক দোকান গৃহ বিভাগে উচ্ছেদ কৰে। এইসমূহ ব্যৱসায়ীসকলে কিছু সংখ্যক লোকে পৰৱৰ্তী সময়ত বিভিন্ন কামত নিজকে নিয়োজিত কৰিছে যদিও কিছু লোকে আজিও নিজৰ পুৰণি ব্যৱসায়ীৰ বাবে নগৰখনত এটি কোঠালি বিচাৰি হাবাথুৰি খাব লগা হৈছে। এনে প্ৰেক্ষাপটৰ সময়ত নগৰখনৰ মাজ মজিয়াত বিগত বহু বছৰ পূৰ্বে অসম ৰাজ্যিক বাছ আস্থানৰ সমীপত অসম চৰকাৰৰ পুঁজিৰে নটাকৈ কোঠালি নিৰ্মাণ কৰিছিল আৰু বৰ্তমান সেই কোঠালিসমূহ পৰিত্যক্ত অৱস্থাত পেলাই থোৱা কাৰ্যই ৰঙাপৰাবাসীৰ সচেতন মহলৰ চকু কপালত তুলিছে। বাছ আস্থানটোৰ সমীপত এনেদৰে কদৰ্যময় পৰিৱেশত কোঠালিসমূহ বিগত বহু বছৰ ধৰি বিভাগীয় কৰ্তৃপক্ষই কি কাৰণত এনে ধৰণে পেলাই থৈছে তাৰ আঁৰৰ ৰহস্য কি ৰাইজৰ বাবে আজিও এক নুবুজা সাঁথৰ হৈছে। ইপিনে, উক্ত স্থান পৰিষ্কাৰ-পৰিছন্ন কৰি ৰঙাপৰা নগৰৰ সমূহ বাছ আস্থান আৰু অন্যান্য আস্থানসমূহ উক্ত স্থানত পৰ্যাপ্ত ঠাই থকা এই আবৰ্জনাময় পৰিৱেশৰ পৰা এক সুন্দৰ পৰিৱেশ গঢ় দিয়াৰ ব্যৱস্থা কৰিবলৈ ৰঙাপৰাৰ সচেতন ৰাইজে চৰকাৰক আহ্বান জনাইছে।

## দোকান গৃহ বিচাৰি হাবাথুৰি খাইছে



# কামপুৰত মিনি ট্ৰাকসহ চেগুণৰ কুণ্ডা জব্দ বন বিভাগৰ

**অগ্ৰদূত বাৰ্তা**
**কামপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** কামপুৰ বন বিভাগে আজি এক অভিযান চলাই কামপুৰ পতিয়াপামত এখন মিনি ট্ৰাকসহ বহু পৰিমাণৰ চেগুণৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, এখন মিনি ট্ৰাকত যমুনামুখৰ পৰা কামপুৰ অভিমুখে লৈ আহিছিল চেগুণৰ কুণ্ডাখিনি। উপযুক্ত চালান দেখুৱাব নোৱৰাত বন বিভাগে জব্দ কৰে কাঠৰ কুণ্ডাৰ স'তে মিনি ট্ৰাকখন। বৰ্তমানে কামপুৰ বন বিভাগৰ কাৰ্যালয়ত ৰখা হৈছে কুণ্ডাসহ গাড়ীখন।

# জামুগুৰিহাটৰ চৰাঞ্চলত গঁড়ৰ মুক্ত বিচৰণ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৪ ছেপ্টেম্বৰ ঃ** জামুগুৰিহাটৰ দক্ষিণ পশ্চিম প্ৰান্তৰ চৰাঞ্চলত এটা গঁড়ৰ মুক্ত বিচৰণে ৰাইজক শংকিত কৰি তুলিছে। অঞ্চলটোৰ গটাইমাৰী, মকুৱাচাপৰিকে ধৰি অঞ্চলটোৰ মৰাপাটৰ বাৰীৰ মাজত আশ্ৰয় গ্ৰহণ কৰি খেতিবাতি নষ্ট কৰা কাজিৰঙাৰ গঁড়টোক অৱশেষত আজি বন বিভাগে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজন অঞ্চললৈ খেদি পঠিয়াবলৈ সক্ষম হয়। গঁড়টোৱে অঞ্চলটোৰ ৰাইজৰ খেতিবাতি নষ্ট কৰাৰ বিষয়ে স্থানীয় ৰাইজে বন বিভাগক খবৰ দিয়াৰ পাছত আজি ডিপলোঙা বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীৰ এটি দল চৰাঞ্চলত উপস্থিত হৈ গঁড়টোক বনাঞ্চললৈ খেদি পঠিয়াবলৈ সক্ষম হয়।

# পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাপূৰ্ণ পাঘালিৰ চোটমনিপুৰ বিল উন্নয়নৰ দাবী



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১৪ ছেপ্টেম্বৰ ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া দলংঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত পাঘালি গাঁও পঞ্চায়তৰ অধীনত অৱস্থিত ছোটমনিপুৰ বিলখন সম্প্ৰতি বিভিন্ন প্ৰজাতিৰ বনৰীয়া চৰাইৰ আৱাসস্থলীত পৰিণত হৈছে। বটদ্ৰৱা বিধানসভা সমষ্টিৰ শিলপুখুৰী মৌজাৰ অন্তৰ্গত ৬০ বিঘা ভূমি সামৰি থকা এই বিলখন (জলাশয়)লৈ শীতকালত পৰিভ্ৰমী চৰাই অহাৰ ফলত এক দৃষ্টিনন্দন পৰিৱেশৰ সূচনা হয়। ইয়াৰ উপৰি ডিচেম্বৰ-জানুৱাৰীৰ সময়ত বিলখনৰ পাৰলৈ নৈসৰ্গিক দৃশ্য উপভোগৰ লগতে বনভোজৰ বাবে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ অগণন লোকৰ আগমন ঘটা দেখা যায়। এই পৰ্যন্ত কিন্তু পৰ্যটনৰ কেন্দ্ৰস্থলীৰূপে গঢ় লৈ উঠাৰ প্ৰচুৰ সম্ভাৱনা থকা বিলখনৰ উন্নয়নৰ দিশত চৰকাৰে বিশেষ মনোযোগ দিয়া পৰিলক্ষিত হোৱা নাই যদিও বিলখনৰ কাষৰীয়া ৰাইজে ঐকান্তিক প্ৰচেষ্টাৰে বিলখন সংৰক্ষণ কৰা দেখা গৈছে। পৰ্যটন বিভাগেও বিশেষ গুৰুত্ব দিয়া নাই। বিলখনৰ উন্নয়ন সাধনৰে মীন পালন আৰু নৌকাবিহাৰ কৰিবৰো যথেষ্ট থল আছে। সেয়ে ৰাইজে পৰ্যটন বিভাগ আৰু মীন বিভাগৰ লগতে স্থানীয় বিধায়িকাগৰাকীক ছোটমনিপুৰ বিলখনৰ উন্নয়ন সাধনৰ বাবে শীঘ্ৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।





# সকলো ধৰণৰ ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা ৰবীন উথাপ্পাৰ



**নতুন দিল্লী, ১৪ ছেপ্টেম্বৰ ঃ** ২০০৭ ৰ টি-২০ বিশ্বকাপ বিজয়ী ভাৰতীয় দলৰ অন্যতম নায়ক টীম ইণ্ডিয়াৰ প্ৰাক্তন অ'পেনাৰ ৰবিন উথাপ্পাই সকলো ধৰণৰ ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা আজি ঘোষণা কৰিছে। উল্লেখ্য যে ২০১৫ ৰ শেষবাৰৰ বাবে ভাৰতৰ হৈ খেলা ৩৬ বছৰীয়া উথাপ্পাই ছ'চিয়েল মিডিয়াৰ যোগেদি এই কথা প্ৰকাশ কৰে। উথাপ্পাই কয়, 'মোৰ দেশ আৰু মোৰ ৰাজ্য কৰ্ণাটকক প্ৰতিনিধিত্ব কৰাটো মোৰ বাবে সৰ্বশ্ৰেষ্ঠ সন্মানৰ কথা। অৱশ্যে সকলো ভাল কথাৰ অন্ত পৰিবই লাগিব। সকলোকে হৃদয়েৰে কৃতজ্ঞতা জনাই মই ভাৰতীয় ক্ৰিকেটৰ সকলো ধৰণৰ পৰা অৱসৰ লোৱাৰ সিদ্ধান্ত লৈছো। পেছাদাৰী ক্ৰিকেট খেলিবলৈ আৰম্ভ কৰাৰ ২০ বছৰ হ'ল। মোৰ দেশ আৰু কৰ্ণাটক ৰাজ্যৰ উত্থান-পতনৰ যাত্ৰাক প্ৰতিনিধিত্ব কৰাটো আটাইতকৈ ডাঙৰ সন্মান।' উল্লেখ্য যে উথাপ্পাই আন দেশৰ লীগত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। ২০০৪ ত দেশৰ ১৯ বছৰ অনুৰ্ধ বিশ্বকাপ দলৰ অংশ আছিল। দুবছৰৰ পাছত তেওঁ টীম ইণ্ডিয়াৰ হৈ অভিষেক ঘটাই ভাৰতৰ হৈ ৪৬ খন এদিনীয়া আৰু ১৩ খন টি-২০ খেলত অংশ লৈছিল। এদিনীয়া আৰু টি-২০ত তেওঁ ৯৩৪ আৰু ২৪৯ ৰান সংগ্ৰহ কৰিছে।

### পূৰ্ব মণ্ডল জুনিয়ৰ ছোৱালী-যুৱ মহিলাৰ মুকলি প্ৰতিযোগিতাত নখন ৰাজ্যৰ অংশগ্ৰহণ

# গুৱাহাটীত খেলো ইণ্ডিয়া বক্সিং

**গুৱাহাটী, ১৪ ছেপ্টেম্বৰ ঃ** এম চি মেৰীকম (লণ্ডন, ২০১২) আৰু অসম কন্যা লাভলীনা বৰগোঁহাই ((টকিঅ', ২০২০) ৰ অলিম্পিক পদকৰ লগতে বিশ্ব চেম্পিয়নশ্বিপ, কমনৱেলথ গেমছ আৰু এছিয়ান গেমছত ভাৰতীয় মহিলা বক্সাৰৰ গৌৰৱময় সফলতাই স্বৰূপাৰ্থত প্ৰতিপন্ন কৰিছে দেশত মহিলা বক্সিং জগতৰ দক্ষতা, শক্তি আৰু সম্ভাৱনাক। সেয়েহে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াই চমুকৈ বি এফ আয়ে কেন্দ্ৰীয় ক্ৰীড়া বিভাগৰ সহযোগত সমগ্ৰ দেশৰ পৰাই নৱাগত মহিলা বক্সাৰ পদ্ধতিগত প্ৰক্ৰিয়াৰে উলিয়াই অনাৰ এক অভিলাসী আঁচনি হাতত লৈছে। আজি এই সম্পৰ্কে অৱগত কৰি বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই অৱগত কৰে যে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত পোন প্ৰথমবাৰৰ বাবে দেশৰ চাৰিটা মণ্ডলত আয়োজন কৰা হৈছে ছোৱালীৰ জুনিয়ৰ আৰু যুৱ শাখাৰ এখন প্ৰতিভা সন্ধানী ৰাষ্ট্ৰীয় প্ৰতিযোগিতা। সেই অনুসৰি কাইলৈৰ পৰা গুৱাহাটীৰ ছাই কেন্দ্ৰত আৰম্ভ হ'ব খেলো ইণ্ডিয়া পূৰ মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২। গুৱাহাটীৰ এই প্ৰতিযোগিতাৰ পাছতে ভূপাল, উত্তৰাখণ্ড আৰু কৰ্ণাটকতো মাণ্ডলিক পৰ্যায়ৰ একেই চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰিব ছাই আৰু বি এফ আয়ে। উল্লেখ্য যে দেশৰ সম্ভাৱনাময় ছোৱালী বক্সাৰৰ প্ৰতিভাৰ সন্ধানৰ লক্ষ্যৰে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াই এই আঁচনি প্ৰস্তুত কৰিছে। সেয়ে কোনো ধৰণৰ বাধা নাৰাখি প্ৰতিযোগিতাত খেলুৱৈ অংশ লোৱাটো বিচাৰিছে ছাই আৰু বি এফ আয়ে। ভাৰতৰ প্ৰতিখন ৰাজ্যৰ সকলো নতুন বক্সাৰে যাতে এই চেম্পিয়নশ্বিপত অংশ লৈ নিজৰ প্ৰতিভা প্ৰতিপন্ন কৰিব পাৰে সেই লক্ষ্যৰে দেশজুৰি নতুন প্ৰতিভাৰ সন্ধানত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ সহযোগত চাৰিটা স্থানত মুকলি মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰা হৈছে বুলিও কয় কলিতাই। গুৱাহাটীৰ প্ৰতিযোগিতাখনত অংশ লৈছে অসমৰ লগতে অৰুণাচল প্ৰদেশ, বংগ, মণিপুৰ, মেঘালয়, মিজোৰাম নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাই। একেদৰে পৰৱৰ্তী মাণ্ডলিক প্ৰতিযোগিতাতো উত্তৰ, পশ্চিম আৰু দক্ষিণ মণ্ডলৰ সকলো ৰাজ্যই অংশ ল'ব। জুনিয়ৰ ছোৱালীৰ ওজন শাখা থাকিব ১৩ টা। আনহাতে, যুৱ মহিলাৰ ওজন শাখা থাকিব ১২ টা। গুৱাহাটীৰ প্ৰতিযোগিতাখনত উত্তৰ পূৰ্বাঞ্চলৰ নখন ৰাজ্যৰ প্ৰায় ২০০ বক্সাৰ ১০০ প্ৰশিক্ষক আৰু ৭০ গৰাকী কৰ্মকৰ্তাই অংশগ্ৰহণ কৰিব। থকা-খোৱাৰ ব্যৱস্থা আয়োজকেই কৰিছে। অসমৰ প্ৰায় ৭০ গৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত খেলিব। ইফালে, চাৰিটা মণ্ডলত প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত হোৱাৰ পিছত এখন ৰাষ্ট্ৰীয় ফাইনেল খেল আয়োজন কৰিব ছাই আৰু বি এফ আয়ে। ডিচেম্বৰত গুৱাহাটীতে অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। মাণ্ডলিক প্ৰতিযোগিতাৰ প্ৰতিটো ওজন শাখাৰ ছেমিফাইনেলিষ্ট চাৰিগৰাকী বক্সাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব বুলি আজি গুৱাহাটী ছাইত অনুষ্ঠিত এখন সংবাদমেলত কয় বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই। 'আমাৰ মুল লক্ষ্য হ'ল জুনিয়ৰ আৰু যুথ পৰ্যায়ত নতুন প্ৰতিভাৰ সন্ধান কৰা । এনেধৰণৰ মুকলি প্ৰতিযোগিতাই প্ৰতিভাৱান খেলুৱৈক এখন মঞ্চ দিয়াই কেৱল নহয় তেওঁলোকে পোনে পোনে ৰাষ্ট্ৰীয় শিবিৰলৈ নিৰ্বাচিত হৈ ভাৰতক প্ৰতিনিধিত্ব কৰিব পাৰিব।' কলিতাই ব্যক্ত কৰে। সংবাদমেলত ছাইৰ কাৰ্যবাহী সঞ্চালক সতীশ কুমাৰ ছাৰহাদীও উপস্থিত থাকে। প্ৰতিযোগিতাখন সামৰণি পৰিব অহা ২২ ছেপ্টেম্বৰত।






কাউণ্টি ক্ৰিকেটত মহম্মদ চিৰাজ

### স্বাধীনতা দিৱস কাপ ফুটবল

# কেৰালাৰ লুকা চ'কাৰৰ বিৰুদ্ধে সঞ্জীৱনৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১৪ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল লীগৰ আজিৰ খেলত নগাঁৱৰ লীগ চেম্পিয়ন সঞ্জীৱন সমাজে কেৰালাৰ লুকা চ'কাৰ ক্লাবক চমকপদ প্ৰদৰ্শনৰে ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। দিবা-নৈশ খেলখনৰ ২১ মিনিটতে সঞ্জীৱন সমাজৰ হৈ লক্ষ্যজ্যোতি দাসে বিজয়সূচক গলটো দিয়ে। লুকা ক্লাবৰ গ'লৰক্ষকে সতীৰ্থলৈ দিয়া বল সঞ্জীৱন সমাজৰ সুযোগসন্ধানী খেলুৱৈ লক্ষ্যজ্যোতিয়ে লেফট ফ্লেংকত ক্ষিপ্ৰতাৰে নিজৰ আয়ত্তলৈ আনি আগুৱাই আহি বিপক্ষৰ গ'লৰক্ষকক শলঠেকত পেলাই গ'লটো দিয়ে। আজি সঞ্জীৱন সমাজৰ গলৰক্ষক ৰোহিত ৰয়ে দৃষ্টিনন্দন ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰে। খেলখন পৰিচালনা কৰাত ৰেফাৰী নিৰ্মল ভটাচাৰ্যীক সহায় কৰে পবিত্ৰ বৰা, বাজু টিছ আৰু ঘনশ্যাম দাসে। এই প্ৰতিযোগিতাৰ কাইলৈ কোৱাৰ্টাৰ ফাইনেল লীগৰ খেলত অসম ৰাইফলছে দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

### বড়োলেণ্ড গেলেন্টছ গ'ল্ডকাপ ফুটবল

# ডিমাকুছি উশ্বু ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা, টংলা, ১৪ ছেপ্টেম্বৰ ঃ** ডিমাকুছি আঞ্চলিক এবছু আৰু ডিমাকুছি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ৰূপালী জয়ন্তী বৰ্ষ গৰকা বড়োলেণ্ড গেলেন্টছ গ'ল্ডকাপ ফুটবল টুৰ্ণামেন্টৰ আজি অনুষ্ঠিত হোৱা দ্বিতীয়দিনৰ খেলত শ্বিলং লাবান এছ চিয়ে ডিমাকুছি উশ্বু ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হয়। দুয়োটা দলে খেল সমাপ্তিলৈকে ১-১ গ'লত ড্ৰ খেলাৰ পাছত টাইব্ৰেকাৰৰ সহায়ত ডিমাকুছি উশ্বু ক্লাবে ৫ -৩ ব্যৱধানত শ্বিলং লাবান এছ চিক পৰাস্ত কৰে। খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে ডিমাকুছি উশ্বু ক্লাবৰ নৱজ্যোতি আয়নে। কাইলৈ ডিমাকুছি অৰ্গেন ক্লাবে ছিকিম এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# প্ৰাইজমানি ফুটবলত এ জে চামতা ফাইনেলত

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ, ১৪ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বড়িদতৰাৰ বিষ্ণু ৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত নৱজ্যোতি সংঘৰ উদ্যোগত চলি থকা মেঘালী বৰ্মন, ডাঃ চিৰাজ উদ্দিন আহমেদ আৰু তাহেৰ আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি এ জে এলিভেন ক্লাৱ চামতা আৰু বান্স ক্লাৱ মৰিগাঁওৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বঞ্জিতা মূলক প্ৰথমখন ছেমিফাইনেল খেল অনুষ্ঠিত হয়। খেলখনত বান্স ক্লাৱ মৰিগাঁওক এ জে এলিভেন ক্লাৱ চামতাই ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেল খেলৰ যোগ্যতা অৰ্জন কৰে। খেলখন পৰিচালনা কৰে জিতু আলীয়ে । তেওঁক লাইনত সহায় কৰে ভূপেন তালুকদাৰ আৰু মইদুল ইছলামে । চতুৰ্থ ৰেফাৰীৰ আসনত থাকে গৌতম কলিতা। দ্বিতীয়খন ছেমিফাইনেল খেল অহা ১৭ ছেপ্টেম্বৰত ওদালগুৰি অংশ্ৰেমা ক্লাৱ আৰু মাধাপুৰ ক্ৰীড়া সন্থাৰ মাজত হ'ব।



### ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ

# মহমেদানক হৰুৱাই ফাইনেলত মুম্বাই চিটী

**কলকাতা, ১৪ ছেপ্টেম্বৰ ঃ** মুম্বাই চিটী এফ চিয়ে প্ৰথমটো দলৰূপে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি কলকাতাৰ বিবেকানন্দ ক্ৰীড়া ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত দলে ১-০ গ'লত পৰাস্ত কৰে মহমেদান স্প'ৰ্টিং ক্লাবক। ইঞ্জুৰী টাইমত গ'ল কৰি খিতাপ জয়ৰ যুঁজলৈ অগ্ৰসৰ হয় মুম্বাই চিটী এফ চি। স্থানীয় দৰ্শকৰ একক সমৰ্থন লাভ কৰাৰ পাছতো খেলৰ প্ৰথমাৰ্ধত মহমেদান স্প'ৰ্টিং দলে পূৰ্বৰ মেচৰ দৰেই আজি আক্ৰমণৰ ৰণনীতি লোৱা নাছিল। বিপৰীতে সাৱধানে খেলি বল নিজৰ মাজত ৰখাৰ চেষ্টা কৰে। ইয়াৰ অন্যতম কাৰণ হ'ল মুম্বাইৰ ৰক্ষণ বিভাগৰ সুৰুঙা নৰখা দুৰ্গ ৰক্ষাৰ ৰণনীতি। উল্লেখ্য যে মহমেদানৰ খেলক বুজি লৈ মুম্বাই চিটীয়ে প্ৰথমাৰ্ধত নিজকে সংযত কৰি ৰাখে। যাৰবাবে খেলৰ প্ৰথম ৪৫ মিনিট গ'লশূণ্যভাবে সমাপ্ত হয়। কিন্তু দ্বিতীয়াৰ্ধৰ খেলত মুম্বাই দলে আৰম্ভণিৰ পৰাই চাপ বৃদ্ধি কৰে বিপক্ষৰ ৰক্ষণ বিভাগত। খেলৰ ৬০ মিনিটত মুম্বাইৰ হৈ ষ্ট্ৰাইকাৰ গ্ৰেগ ষ্টেৱাৰ্টে তীব্ৰ শ্বট মাৰি গ'ল কৰাৰ প্ৰয়াস কৰিছিল যদিও দৰ্শনীয়ৰূপত মহমেদানৰ গ'লৰক্ষক মাৰিয়াই সেয়া প্ৰতিহত কৰি দলক ৰক্ষা কৰে। কিন্তু মুম্বাইৰ সংঘবদ্ধ আক্ৰমণ চলি থাকিল। বিপৰীতে মহমেদানৰ শক্তি হ্ৰাস পাবলৈ লয়। খেলৰ ৯০ মিনিটত প্ৰত্যাশিত সফলতা লাভ কৰে মুম্বাই চিটীয়ে। দলৰ হৈ বিপিন সিঙে নিৰ্ণায়ক গ'ল কৰি মুম্বাই দলক ফাইনেলত প্ৰৱেশ কৰোৱায়। অহা ১৮ ছেপ্টেম্বৰত হ'বলগা ফাইনেলত মুম্বাই চিটী মুখামুখি হ'ব কাইলৈ হ'বলগা প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলৰ বেংগালুৰু এফ চি আৰু হায়দৰাবাদ এফ চিৰ বিজয়ীৰ বিৰুদ্ধে।

# আজি দ্বিতীয় ছেমিফাইনেলত আই এছ এলৰ দুই চেম্পিয়ন বাংগালুৰু-হায়দৰাবাদ

**কলকাতা, ১৪ ছেপ্টেম্বৰ ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত কাইলৈ আই এছ এলৰ প্ৰাক্তন চেম্পিয়নছ বেংগালুৰু এফ চি মুখামুখি হ'ব বৰ্তমানৰ চেম্পিয়ন হায়দৰাবাদ এফ চিৰ। উল্লেখ্য যে উভয় দলে সঠিক ৰণনীতি আৰু দলীয় শক্তি প্ৰয়োগ কৰি ছেমিফাইনেললৈ উত্তৰণ কৰিছে। যাৰবাবে কাইলৈৰ মেচত দুয়োটা দলৰ সম্ভাৱনা ৫০-৫০ঙ্গ দুয়োটা দলেও এতিয়ালৈকে হোৱা পাঁচখন খেলত একেধৰণৰ ১১ টা গ'ল দিছে। হায়দৰাবাদ দলত এতিয়ালৈকে সাতজন স্ক'ৰাৰ থকাৰ লগতে অগবেচে পাঁচটা গ'ল কৰি সুন্দৰ ফৰ্মত আছে।




আনহাতে, বাংগালুৰুৰ শক্তি হ'ল ভাৰতীয় তাৰকা সুনীল চেত্ৰী, ৰয় কৃষ্ণা আৰু নৱতাৰকা শিৱশক্তি। সেয়ে দলক ভাৰসাম্য থকা বুলি ক'ব পাৰি। হায়দৰাবাদ দলৰ প্ৰশিক্ষক মানোলো মাৰ্কেজে আজি সংবাদমেলত কাইলৈৰ মেচ সম্পৰ্কত কয়, 'মই ভাবো যদি আমি বিপক্ষ বাংগালুৰুৰ বিষয়ে কিবা ক'বলগীয়া হয় তেন্তে সেয়া হ'ল তেওঁলোকে এই বছৰ আক্ৰমণত ভাল খেলুৱৈক চুক্তিবদ্ধ কৰিলে। তেওঁলোকৰ একাডেমীৰ পৰাও বহুত ভাল খেলুৱৈ দললৈ আহিছে। তেওঁলোক শাৰীৰিকভাৱে অতি শক্তিশালী দল। আমাৰ খেলৰ লগত বহুতখিনি মিলো আছিল। এই প্ৰতিযোগিতাত আমি আমাৰ ষ্টাইলেৰে প্ৰথমাৰ্ধত তেওঁলোকতকৈ ভাল খেলিছিলো আৰু দ্বিতীয়াৰ্ধত তেওঁলোকে নিজৰ ষ্টাইলেৰে আমাতকৈ ভাল খেলিছিল। কাইলৈ আমি আমাৰ ষ্টাইলৰ সৈতে খেলিবলৈ চেষ্টা কৰিব লাগিব।' ইফালে, বেংগালুৰুৰ প্ৰশিক্ষক চাইমন গ্ৰেছনেও কাইলৈৰ খেলখন সম্পৰ্কত কয়, 'এইখন কঠিন খেল হ'ব। আমি ভালদৰে ডিফেণ্ড কৰিব লাগিব লগতে গ'ল স্ক'ৰ কৰিব লাগিব। আমি ইয়াৰ বাবে সাজু। মই ভাবো আমাৰ বেছিভাগ খেলুৱৈয়েই বিপক্ষৰ দুৰ্বলতা আৰু শক্তিশালী দিশবোৰ জানে। গতিকে আমি মেচৰ ৯০ মিনিটত কি কৰিব লাগিব সেয়া জানো। অৱশ্যে বিৰোধীক আমি সন্মান কৰো।'

### আন্তঃক্লাব বি ডিভিজন ফুটবল লীগ সমাপ্ত

# জোৱান লাহান্তি ক্লাব বিজয়ী

**অগ্ৰদূতবাৰ্তা , শ্ৰীৰামপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা বি ডিভিজন ফুটবল লীগৰ চুড়ান্ত খেলখন আজি দামৰাপাৰা চান্তাল জোৱান লাহান্তি ক্লাব আৰু পখীহাগা নোৱা ছাগেল ছাকাম ক্লাবৰ মাজত অনুষ্ঠিত হয় । গোসাঁইগাঁৱৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খেলখনত পখীহাগা নোৱা ছাগেল ছাকাম ক্লাৱক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি দামৰাপাৰা চান্তাল জোৱান লাহান্তি ক্লাৱে বি ডিভিজন লীগৰ চুড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে । তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত দ্বিতীয়াৰ্ধত ৫২ মিনিটত দামৰাপাৰা চান্তাল জোৱান লাহান্তি ক্লাবৰ হৈ একমাত্ৰ বিজয় সূচক গ'লটো দিয়ে পিউপিল হাছদাই । চান্তাল জোৱান লাহান্তি ক্লাৱৰ খেলুৱৈ দিলীপ বসুমতাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয় । আজিৰ বি ডিভিজনৰ চুড়ান্ত খেলখন উদ্বোধন কৰে অসম ফুটবল সন্থাৰ সভাপতি হেমেন্দ্ৰনাথ ব্ৰহ্মই । উদ্বোধনী অনুষ্ঠানত উক্ত লীগ খেলৰ মুখ্য পৰিচালক তথা গোসাঁইগাঁও জিলা ক্ৰীড়া সন্থাৰ সম্পাদক ৰহিন্দ্ৰ কুমাৰ ব্ৰহ্মৰ লগতে গোসাঁইগাঁৱৰ প্ৰাক্তন পৌৰপতি ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰী ,অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক প্ৰদীপ ব্ৰহ্মকে ধৰি কেইবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# গোসাঁইগাঁৱৰ আৰ বি ইউনাইটেড এফ চিৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, হাউলী, ১৪ ছেপ্টেম্বৰ ঃ** হাউলী ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা হাউলীৰ চণ্ডীবৰুৱা ষ্টেডিয়াম প্ৰাংগণত ড ভূপেন দাস সোঁৱৰণী প্ৰথম বাৰ্ষিক ট্ৰফী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি অনুষ্ঠিত খেলত আৰ বি ইউনাইটেড এফ চিয়ে জয়লাভ কৰে। উল্লেখ্য যে কুমুল্লীপাৰাৰ হ'লী চেভেন ষ্টাৰ ক্লাৱক গোসাইগাৱৰ আৰ বি ইউনাইটেড এফ চিয়ে ২-০ গ'লত পৰাজিত কৰে । গোসাইগাৱৰ আৰ বি ইউনাইটেড এফ চিৰ হৈ বিপুল বসুমতাৰীয়ে আৰু বিকি ৰাভাই গ'ল দুটা দিয়ে । কাইলৈ শালবাৰী আৰু নপৰা হাফছাৰ মাজত প্ৰথম ৰাউণ্ডৰ খেল অনুষ্ঠিত হ'ব।



বিশ্ব মল্লযুঁজত ব্ৰঞ্জৰ পদক লাভ কৰাৰ পাছত ভিনেছ ফ'গাত

# ৰঞ্জনৰ আঠ গ'ল,স্প'ৰ্টিঙৰ জয়

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও,১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাৱ এ ডিভিজন ফুটবলত আজিৰ অনুষ্ঠিত হোৱা স্পৰ্টিং ক্লাৱ আৰু বৰিগাঁও ইয়ং স্পৰ্টিং ক্লাৱৰ মাজৰ খেলখনত স্পৰ্টিং ক্লাৱ ৯-২ গ'লৰ বৃহৎ ব্যৱধানত জয়ী হৈ সম্পুৰ্ণ পইন্ট অৰ্জন কৰে। খেলখনত স্প'ৰ্টিং ক্লাৱৰ হৈ ৰঞ্জন নাৰ্জাৰিৰে হেট্ৰিক সহ সৰ্বাধিক আঠটা গ'ল দিবলৈ সক্ষম হয়। আন এটা গ'ল প্লাৱন পাতৰে দিয়ে। ইফালে বৰিগাঁও ইয়ং স্পৰ্টিং ক্লাৱৰ হৈ খেলৰ দ্বিতীয়াৰ্ধত জিম্পি মাৰ্জি আৰু মাছুম আহমেদে এটাকৈ গ'ল দিবলৈ সক্ষম হয়।



পুৰুষ-মহিলাৰ ছিনিয়ৰ পূৰ মণ্ডল বক্সিঙৰ চেম্পিয়ন অসম দলটো। উল্লেখ্য যে ছিকিমত হোৱা প্ৰতিযোগিতাখনত অসমৰ পুৰুষ-মহিলাৰ দলে ১২ টা সোণসহ ১৭ টা পদক লাভ কৰিবলৈ সক্ষম হয়।

### অতুল-মনাই গগৈ ফুটবল

# খুমটাই বিপ্ৰাঘাট এফ চি কোৱাৰ্টাৰ ফাইনেলত

**অগ্ৰদূত বাৰ্তা, চেপন, ১৪ ছেপ্টেম্বৰ ঃ** চৰাইদেউ জিলাৰ খুমটাই বিপ্ৰাঘাট ফুটবল ক্লাৱে টিফুক ৰাজহুৱা খেলপথাৰত চলি থকা চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ অন্তিম আঠত স্থান নিশ্চিত কৰিছে। চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত অনুষ্ঠিত হৈ থকা প্ৰতিযোগিতাৰ গ্ৰুপ 'বি' ৰ আজি চতুৰ্থ তথা অন্তিমখন প্ৰি-কোৱাৰ্টাৰত বিপ্ৰাঘাট এফ.চিয়ে ঘৰুৱা দল টিফুক নৱজ্যোতি যুৱ সংঘক ৪-১ গলৰ ব্যৱধানত পৰাজিত কৰে। বিজয়ী দলটোৰ হৈ জিৎ ওৰাং আৰু বিবেক কিষাণে দুটাকৈ গ'ল স্ক'ৰ কৰাৰ বিপৰীতে টিফুক নৱজ্যোতি যুৱ সংঘৰ একমাত্ৰ গ'লটো পৰিশোধ কৰে বিতুপন গগৈয়ে। খেলখন পৰিচালনা কৰে ঘন বড়াই। লাইনত সহায় কৰে ৰাহুল মল্লিক আৰু মনোজ বড়াই। চতুৰ্থ ডম্বৰু চাংমাই। আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে বিপ্ৰাঘাট এফ.চিৰ লেফট উইংগাৰ জিৎ ওৰাঙে । খেলুৱৈগৰাকীক পুৰস্কাৰ প্ৰদান কৰে প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ অনিল বৰগোহাঁই, টিফুক গাঁৱৰ গাওঁপ্ৰধান মনেশ্বৰ খান্দাধৰা আৰু খেল পৰিচালনা সমিতিৰ সভাপতি ভবানী গগৈয়ে। কাইলৈ গ্ৰুপ 'এ' ৰঅন্তিমখন প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। খেলখনত শিৱসাগৰৰ নিতাইপুখুৰী ফুটবল ক্লাৱে চেপন ইউনাইটেড এফ.চিৰ মুখামুখি হ'ব।

# ছানৰাইজ-জেৰামাছাৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ১৪ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ৰাজাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সৌজন্যত ৰাজাপাৰা প্ৰাথমিক বিদ্যালয় খেল পথাৰত আয়োজিত ষষ্ঠ বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা দুখনকৈ খেলত ক্ৰমে খাদাৰজান চানৰাইজ ফুটবল ক্লাবে ১-০ গ'লৰ ব্যবধানত হাৰিমুৰা ফুটবল ক্লাৱক আৰু জেৰামাছা ফুটবল ক্লাৱে ৫-১ গ'লৰ ব্যবধানত হাদলাপাৰা ফুটবল ক্লাৱক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। **কুৰুৱাভাষা জয়ী ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত কুৰুৱাভাষা ফুটবল ক্লাবে ৬-০ গ'লৰ ব্যবধানত গোপালপুৰ ফুটবল ক্লাবক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

**৬৩ বছৰৰ পাছতহে খোল খাব সেই গোপন পত্ৰৰ লেফাফা**

# ছিডনীৰ সুৰক্ষিত স্থানৰ কাচৰ বাকচত আছে ৰাণী দ্বিতীয় এলিজাবেথৰ পত্ৰ



১৯৮৬ৰ নৱেম্বৰত ৰাণীয়ে সেই চিঠিখন লিখিছিল। ছিডনীৰ সাধাৰণ নাগৰিকৰ উদ্দেশ্যে লিখা হৈছিল চিঠিখন। সংবাদ মাধ্যমৰ প্ৰতিবেদনত দাবী কৰা হৈছে যে চিঠিখনত কি লিখা হৈছে সেয়া সদ্য প্ৰয়াত ৰাণী দ্বিতীয় এলিজাবেথৰ বাহিৰে আন কোনেও নাজানে। আনকি ৰাণীৰ ব্যক্তিগত সহায়কসকলেও চিঠিখনৰ বিষয়ে একো নাজানে। এক নিৰাপদ স্থানত এটা কাচৰ বাকচত চিঠিখন লুকুৱাই ৰখা হৈছে।

**নিউজ ব্যুৰ'**
**ছিডনী, ১৪ ছেপ্টেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ ছিডনীত এটা ভল্টৰ ভিতৰত তলাবন্ধ হৈ আছে ব্ৰিটেইনৰ সদ্য প্ৰয়াত ৰাণী দ্বিতীয় এলিজাবেথে লিখা এখন গোপন পত্ৰ। যদিও পৰৱৰ্তী ৬৩ বছৰ পৰ্যন্ত ৰাণীয়ে সেই চিঠিত কি লিখি গৈছে, য়ো কোনেও জানিব নোৱাৰিব। কিয়নো পৰৱৰ্তী ৬৩ বছৰলৈ খোলা নহ'ব সেই ভল্ট।

অষ্ট্ৰেলিয়াৰ এক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, উক্ত পত্ৰখন ছিডনীৰ এটা ঐতিহাসিক ভৱনৰ ভল্টত ৰখা হৈছে। ১৯৮৬ৰ নৱেম্বৰত ৰাণীয়ে সেই চিঠিখন লিখিছিল। ছিডনীৰ সাধাৰণ নাগৰিকৰ উদ্দেশ্যে লিখা হৈছিল চিঠিখন। সংবাদ মাধ্যমৰ প্ৰতিবেদনত দাবী কৰা হৈছে যে চিঠিখনত কি লিখা হৈছে সেয়া সদ্য প্ৰয়াত ৰাণী দ্বিতীয় এলিজাবেথৰ বাহিৰে আন কোনেও নাজানে। আনকি ৰাণীৰ ব্যক্তিগত সহায়কসকলেও চিঠিখনৰ বিষয়ে একো নাজানে। এক নিৰাপদ স্থানত এটা কাচৰ বাকচত চিঠিখন লুকুৱাই ৰখা হৈছে। কেৱল এটা বিষয়তে সকলো নিশ্চিত যে ২০৮৫ পৰ্যন্ত সেই কাচৰ বাকচ খোলা নহয়। ২০৮৫ৰ পূৰ্বে কিয় চিঠিখন খুলি পঢ়াটো সম্ভৱ নহয়, সেই প্ৰশ্নৰ উত্তৰ সদৰী কৰিছে ছিডনীৰ লৰ্ড মেয়ৰ ক্ল'ভাৰ মূৰে। তেওঁ জনায় যে চিঠিখন লিখাৰ সময়তে ২০৮৫ত প্ৰশাসনে স্থিৰ কৰা কোনো এটা নিৰ্দিষ্ট দিনতহে চিঠিখন খুলিব পাৰিব বুলি ৰাণীয়ে নিৰ্দেশ দিছিল। লগতে নিৰ্দেশ দিছিল যাতে সেই দিনাই তেওঁৰ বাৰ্তা ছিডনীৰ জনতাৰ কাষলৈ লৈ যোৱা হয়। লৰ্ড মেয়ৰ মূৰে লগতে জনাইছে যে পত্ৰখনৰ ওপৰত ৰাণীৰ এটা সাধাৰণ স্বাক্ষৰ আছে।

উল্লেখ্য যে এতিয়াও অষ্ট্ৰেলিয়াৰ ৰাষ্ট্ৰপ্ৰধান ব্ৰিটেইনৰ ৰজা বা ৰাণী। সেই মৰ্মে মৃত্যু পৰ্যন্ত দ্বিতীয় এলিজাবেথ অষ্ট্ৰেলিয়াৰ ৰাষ্ট্ৰপ্ৰধান হৈ আছিল। ১৯৯৯ত ৰাণীক ৰাষ্ট্ৰপ্ৰধানৰ পদৰ পৰা আঁতৰ কৰাৰ বাবে অষ্ট্ৰেলিয়াত গণভোটৰ আয়োজন কৰা হৈছিল। যদিও সেই গণভোটত ৰাণীক ৰাষ্ট্ৰপ্ৰধান ৰখাৰ পক্ষে ৫৫ শতাংশই ভোটদান কৰিছিল। ৰাণীৰ মৃত্যুৰ পাছত ব্ৰিটেইনৰ ৰাজ সিংহাসনত বহা তেওঁৰ জ্যেষ্ঠ পুত্ৰ চাৰ্লছ তৃতীয়ক অষ্ট্ৰেলিয়া চৰকাৰৰ তৰফৰ পৰা নতুন ৰাষ্ট্ৰপ্ৰধানৰূপে ঘোষণা কৰা হয়। উল্লেখ্য যে ব্ৰিটেইনৰ বাহিৰত অষ্ট্ৰেলিয়াৰ উপৰি নিউজিলেণ্ড, জামাইকাসহ আন ১৩খন দেশৰে ৰাষ্ট্ৰপ্ৰধান আছিল প্ৰয়াত ৰাণী। যদিও অষ্ট্ৰেলিয়াসহ একাধিক দেশে সম্প্ৰতি ব্ৰিটেইনৰ শাসনৰ পৰা স্বাধীন হোৱাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। ৰাষ্ট্ৰপ্ৰধান হৈ থকা সময়ছোৱাত দ্বিতীয় এলিজাবেথে মুঠ ১৬বাৰ অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিছিল। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনী এলবানিজে ৰাণীৰ মৃত্যুৰ পাছত কয়, 'ৰাণীৰ প্ৰথম অষ্ট্ৰেলিয়া ভ্ৰমণ বিখ্যাত আছিল। প্ৰথম ভ্ৰমণৰ পাছতো তেওঁ আৰু ১৫ বাৰ অষ্ট্ৰেলিয়াৰ বিভিন্ন স্থান ভ্ৰমণ কৰিছে। তেৱেঁই একমাত্ৰ শাসক, যি ইমানবাৰ অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিছে। ইয়াৰ পৰাই এটা কথা স্পষ্ট হয় যে অষ্ট্ৰেলিয়াৰ বাবে তেওঁৰ হৃদয়ত বিশেষ স্থান আছিল।'

# জৰাজীৰ্ণ হৈ পৰি ৰৈছে ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ বাসগৃহ

**কলকাতাৰ টালিগঞ্জত থকা বাসগৃহ অসম সাহিত্য সভাৰ উদ্বেগ প্ৰকাশ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** পৰিত্যক্ত অৱস্থাত জৰাজীৰ্ণ হৈ পৰিছে কলকতাৰ টালিগঞ্জত থকা ডঃ ভূপেন হাজৰিকাৰ বাসগৃহটো। ভাৰতৰত্নৰ এই বাসগৃহটো শেহতীয়াকৈ অসম সাহিত্য সভাৰ এটা প্ৰতিনিধি দলে পৰ্যবেক্ষণ কৰাত বাসগৃহৰ দূৰৱস্থাৰ স্বৰূপ উন্মোচিত হৈছে আৰু ইয়াকে লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে অসম সাহিত্য সভাই। উল্লেখ্য যে ওড়িছাৰ সম্বলপুৰত থকা সাহিত্যৰথী থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বাসগৃহতো অসম চৰকাৰে ওড়িছা চৰকাৰৰ সহযোগত সহযোগত বিশেষভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰিলে যদিও অসম আৰু অসমীয়াৰ প্ৰাণৰ আপোন, বিশ্ব বৰেণ্য শিল্পী, সুধাকণ্ঠ, ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ কলকাতাৰ টালিগঞ্জত থকা সেই ঐতিহাসিক বাসগৃহতো সংৰক্ষণ কৰাটো দূৰৰে কথা সুধাকণ্ঠগৰাকীৰ বহু কালজয়ী সৃষ্টিৰ অন্যতম সাক্ষী, ৰাজ্যখনৰ আৰু দেশৰ বহু ক্ষণজন্মা ব্যক্তিৰ পদধূলাৰ স্মৃতিৰে বিজড়িত বাসগৃহতো সম্প্ৰতি জহী-খহি যোৱাৰ উপক্ৰম হৈছে। যোৱা আঠ ছেপ্টেম্বৰত সুধাকণ্ঠ তথা ভাৰতৰত্নগৰাকীৰ ওপজা দিনৰ লগত সংগতি ৰাখি অসম সাহিত্য সভাই কলিকতা বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজন কৰা এক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ যোৱা অসম সাহিত্য সভাৰ বিষয়ববীয়াৰ দলটোৱে অসমীয়া জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰোধা তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীৰ সেই ইতিহাস বিজড়িত বাসগৃহতো প্ৰত্যক্ষ কৰিবলৈ উপস্থিত হোৱাৰ পাছত বাসগৃহটোৰ বৰ্তমানৰ অৱস্থাই সকলোকে মৰ্মাহত কৰে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মাৰ নেতৃত্বত ধনভড়ালী প্ৰেম নাৰায়ণ নাথ, প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক ডঃ অৱনী মোহন চহৰীয়াৰ লগতে অসম সাহিত্য সভাৰ ছগৰাকী বিষয়ববীয়া টালিগঞ্জৰ সেই বাসগৃহত উপস্থিত হৈ পৰ্যবেক্ষণ কৰাৰ সময়ত বাসগৃহটোৰ অৱস্থা দেখি সকলোৰে চকু যেন সেমেকি উঠে। এই বাসগৃহৰ অৱস্থাক লৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ অৰ্থে প্ৰধান সম্পাদক শৰ্মাই ইয়াৰ তথৈবচ অৱস্থাৰ ওপৰত কেনেদৰে দৃশ্যসমূহ আৱদ্ধ কৰি মন্তব্য কৰিছে যে বাসগৃহটো বৰ্তমানে অতি পৰিত্যক্ত অৱস্থাত থকাই নহয়, চিলিং, বেৰ আদি খহি তলত পৰি থকা দৃশ্যই সকলোকে ব্যথিত কৰিব। স্থানীয় তথা কাষৰে কিছু লোকক বাসগৃহটোৰ এনে অৱস্থাৰ বিষয়ে জানিব বিচৰাত ইতিমধ্যে সেই গৃহটো কোনো এগৰাকী ভদ্ৰ মহিলাক বিক্ৰী কৰা হৈছে বুলি অসম সাহিত্য সভাৰ দলটোক জনায় যদিও সেই মহিলাগৰাকীৰ



ঠিকনাৰ সন্ধান কৰা হৈছিল যদিও কাষৰ কোনো লোকেই সন্ধান দিব নোৱাৰাত অসম সাহিত্য সভাৰ দলটো হতাশ হৈ পৰে বুলি প্ৰধান সম্পাদক শৰ্মাই জানিবলৈ দিয়ে। প্ৰধান সম্পাদকজনে অচিৰেই সেই ইতিহাস বিজড়িত বাসগৃহটো যিকোনো প্ৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰৰ প্ৰতি আহ্বান জনায়। সঁচাকৈয়ে এই ঐতিহাসিক বাসগৃহটো কাৰোবাক বিক্ৰী কৰা হ'ল নেকি? কিয় অসম চৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰিব নোৱাৰিলে, এতিয়াও অসম চৰকাৰে এই ঐতিহাসিক বাসগৃহটো বিশেষভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰি 'ভূপেন্দ্ৰ ভৱন' হিচাপে গঢ়ি তুলিব নোৱাৰেনে বুলি প্ৰশ্ন উত্থাপিত হৈছে।



# নন্দনশ্ৰী ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক কৃতী শিক্ষয়িত্ৰী নয়নী মহন্ত

**সময়ৰ সদ্ব্যৱহাৰেই যাৰ গতি**

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** যি গৰাকীয়ে সময়ৰ প্ৰতিটো পল অনুপলক অত্যন্ত যত্নৰে সু-ব্যৱহাৰ কৰি কৰ্মত নিয়োজিত হৈ নিজৰ লগতে আন দহজনৰ প্ৰেৰণাৰ উৎস হৈ আহিছে সেই গৰাকী হৈছে নন্দনশ্ৰী ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী নয়নী মহন্ত। লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংগীত শিক্ষয়িত্ৰীৰূপে কৰ্মৰত নয়নী মহন্তই সংগীতৰ ক্ষেত্ৰখনৰ উপৰি চিত্ৰকলা, ক্ৰীড়া আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰিক উত্তৰণৰ দিশত প্ৰতিনিয়ত কাম কৰি আহিছে। ১৯৯৩ত লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী সংগীত শিক্ষয়িত্ৰীৰূপে যোগদান কৰি বিদ্যালয়ৰ সংগীত শিক্ষয়িত্ৰীৰ গুৰু দায়িত্ব পালন কৰাৰ লগতে মণিপুৰী নৃত্য বিশাৰদ মহন্তই দিল্লী দূৰদৰ্শন কেন্দ্ৰত মণিপুৰী নৃত্য প্ৰদৰ্শন কৰি জনপ্ৰিয়তা অৰ্জন কৰে। সংগীতৰ ক্ষেত্ৰখনক আগবঢ়াই নিয়া অৱদানৰ বাবে ২০২১ত সুৰ নন্দন ভাৰতীয়ৰ পৰা নন্দনশ্ৰী বঁটা লাভ কৰে। তদুপৰি লক্ষ্ণৌ, কানাডাৰ টৰেণ্ট, তেজপুৰ আদিত শাস্ত্ৰীয় সংগীত নৃত্য-গীত পৰিবেশন কৰি ভূয়সী প্ৰশংসা লাভ কৰে। বহু গুণৰ সমাৰেৰে বিভূষিত মহন্তই ২০১৭ত গুৱাহাটীত অনুষ্ঠিত হোৱা ৰাজ্যিক টেবুল টেনিছত অংশ গ্ৰহণ কৰি ক্ৰীড়া ক্ষেত্ৰৰ দক্ষতাৰো পৰিচয় দাঙি ধৰে। উল্লেখ্য যে লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত ৬১ সংখ্যক শিক্ষক দিৱসত ২০২২বৰ্ষৰ কৃতী শিক্ষয়িত্ৰী বঁটা মহন্তই লাভ কৰে। তেওঁৰ কৰ্ম আৰু কৃতিত্ব সম্পৰ্কে সুধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয়, 'মই সদায় সময়ৰ সদ্ব্যৱহাৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰি আহিছো, সদায় নিজৰ লগতে আন দহজনৰ উন্নতিৰ কথা চিন্তা কৰিয়ে কামত অগ্ৰসৰ হৈছো।' উল্লেখ্য যে কলা সাধনাৰে ছাত্ৰ-ছাত্ৰী তথা সমাজক প্ৰভাৱান্বিত কৰা নয়নী মহন্তই চলিত বৰ্ষত 'সাৰ্বভৌমক ভাষা, মণিপুৰী নৃত্য আৰু চিত্ৰকলা বিষয় সন্নিৱিষ্ট কলা সাধনা' শীৰ্ষক এখন গ্ৰন্থও প্ৰকাশ কৰে। তদুপৰি বিভিন্ন কাকত আলোচনীত সংগীত, চিত্ৰকলা বিষয়ৰ প্ৰবন্ধ পাতিও প্ৰকাশ কৰি আহিছে। তেওঁৰ এই যাত্ৰাত তেওঁৰ স্বামী নৱজ্যোতি দত্তই পূৰ্ণ সহযোগিতা আগবঢ়াই এই ক্ষেত্ৰত পত্নীক অনুপ্ৰাণিত কৰি আহিছে। তেজপুৰৰ জীয়ৰী লখিমপুৰৰ বোৱাৰী মহন্তৰ মতে সকলোৰে বাবে প্ৰতিটো দিনেই নতুন নিজৰ লগতে আনৰো।




**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# বৰালিমাৰী গাঁও পঞ্চায়তত এগৰাকী ৬৫ বছৰীয়া বৃদ্ধাই গ্ৰামোন্নয়নৰ আল্লাক বিচাৰি হাবাথুৰি খাইছে

**প্ৰধানমন্ত্ৰী আৱাস গৃহ, বৃদ্ধ পেঞ্চন, অৰুণোদয়কে ধৰি সকলো আঁচনিৰ সুবিধা আল্লাৰ দয়াতহে পায় বৰালিমাৰীত**

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও ১৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰে সীমা অতিক্ৰম কৰিছে। জিলাখনৰ লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত অন্যান্য পঞ্চায়তৰ দৰে বৰালিমাৰী গাঁও পঞ্চায়ততো বিয়াগোম দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈছে। 'দৈনিক অগ্ৰদূত'ৰ তৰফৰ পৰা এই সন্দৰ্ভত ক্ষেত্ৰভিত্তিক তদন্ত কালত বৰালিমাৰী গাঁও পঞ্চায়ত



কাৰ্যালয়ৰ সন্মুখত ৰবিয়া খাতুন নামৰ এগৰাকী ৬৫ বছৰীয়া আইতাক পঞ্চায়তলৈ কিয় আহিছিল বুলি প্ৰতিবেদকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, 'আমি ঘৰ নাপাও, বৃদ্ধ পেঞ্চন নাপাও, একোকে নাপাও তাকে খবৰ ল'বলৈ আহিছিলো। কিন্তু একো লাভ নহ'ল।' আইতাগৰাকীয়ে ক্ষোভ উজাৰি কয়, 'টেক্স কালেক্টৰ, প্ৰতিনিধি, জিপিচিহঁতে আমি খবৰ ল'বলৈ আহিলে কি কয় জানে? 'আমাৰ বোলে কপালত আল্লাই সেইবোৰ একোকে লিখা নাই। চৰকাৰৰ সাহায্য লাভ কৰিবলৈ হ'লে বোলে আল্লাই কপালত লেখিব লাগিব।' বৰ্তমান চৰকাৰে আগবঢ়োৱা সুবিধাসমূহ দৰিদ্ৰ লোকসকলে পাবলৈ সক্ষম হৈছেনে নাই বুলি সোধা প্ৰশ্নৰ উত্তৰত আইতাগৰাকীয়ে ক্ষোভেৰে কয়, 'আমি দুখীয়া মানুহবোৰে একো পোৱা নাই পঞ্চায়তৰ পৰা। আমাৰ বোলে আল্লাই চৰকাৰী ঘৰ কপালত লিখা নাই। আল্লাই আমাৰ কপালত লেখিব লাগিব। তেতিয়াহে আমি চৰকাৰী ঘৰ পাম। আমি বুঢ়া-বুঢ়ী দুটা বেমাৰী। মোৰ ৬৫ বছৰ মতা মানুহৰ ৭০ বছৰ। এটা ভগা ঘৰতে দুটাই বাস কৰো। দুটাৰ ভিতৰত এটা মানকে যদি বৃদ্ধ পেঞ্চনটোকে দিলেহেঁতেন। আল্লাই কপালত তাকেই লেখিছে। আল্লাই কপালত নিলিখাৰ বাবেই আমি বুঢ়া-বুঢ়ী দুটাই ৬৫-৭০ বছৰ বয়সতো নাপালো বৃদ্ধ পেঞ্চন। ৪৫-৫০ বছৰীয়া লোকক বৃদ্ধ পেঞ্চন দিছে। সিহঁতক আল্লাই দিছে। ভুতটোৰ সময়ত সিহঁত যায়। সুবিধাবোৰ আকৌ আল্লাই কপালত লেখিব লাগে। অৰুণোদয় আঁচনিও আল্লাই আমাৰ কপালত নিলিখিলে। গোটেই বৰালিমাৰী পঞ্চায়তটো আল্লাই চলাইছে বুজিছে। দালালবোৰেই ইয়াত আল্লা।' এনেদৰে ক্ষোভ উজাৰি হুক হুকাই কান্দে আইতাগৰাকীয়ে। মৰিগাঁও জিলাৰ লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰালিমাৰী পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাকে ধৰি বৃদ্ধ পেঞ্চন, অৰুণোদয় আদি আঁচনিৰ সুবিধা প্ৰদানৰ নামত ভয়ংকৰ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ সময়তে আজি ৰবিয়া খাতুন নামৰ আইতাগৰাকীয়ে বিষয়টোৰ ক্ষেত্ৰভিত্তিক তদন্ত কালতে প্ৰতিবেদকৰ আগত পঞ্চায়তটোৰ প্ৰতিনিধি-কৰ্মচাৰীসকলৰ এনে আচৰিত মন্তব্যৰ কথা কৈ মুকলিকৈ ক্ষোভ উজৰাৰ পাছত বহুসংখ্যক দৰিদ্ৰ হিতাধিকাৰী পঞ্চায়তটোৰ সাত নম্বৰ ৱাৰ্ডত সমবেত হৈ অনুৰূপ অভিযোগ কৰে। তেওঁলোকে কৰা অভিযোগ মতে, খহনীয়া বিধ্বস্ত বৰালিমাৰী পঞ্চায়তৰ সাত নম্বৰ ৱাৰ্ডত একাংশ পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা অতি জৰ্জৰিত যদিও তেনে বহু পৰিয়ালৰ নাম এই বৰ্ষতো প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাবে তালিকাভুক্ত নহ'ল পঞ্চায়তটোৰ সমন্বয়ক (জিপিচি), টেক্স কালেক্টৰ প্ৰমুখ্যে একাংশ দালালৰ বাবে। অভিযোগ মতে, ২০১১ৰ অৰ্থনৈতিক লোকপিয়ল অনুসৰি প্ৰধানমন্ত্ৰী আৱাস গৃহৰ বাবে নাম তালিকাভুক্ত হোৱাৰ পাছতো সমন্বয়ক (জিপিচি), টেক্স কালেক্টৰ আদিক আগতীয়া উৎকোচ প্ৰদান নকৰা বাবে জিঅ'টেক নকৰিলে বহু দৰিদ্ৰ হিতাধিকাৰীৰ। গৃহৰ বাবে পঞ্জীয়ন নহ'ল বহু দৰিদ্ৰ লোকৰ নাম। তাৰ পৰিৱৰ্তে আঢ্যৱন্ত পৰিয়ালৰ তিনি-চাৰিজন সদস্যৰ জিঅ'টেক সম্পন্ন কৰি প্ৰধানমন্ত্ৰী আৱাস গৃহ পোৱাৰ পথ প্ৰশস্ত কৰিলে। পঞ্চায়তটোৰ সাত নম্বৰ ৱাৰ্ডৰ আব্দুল ছাত্তাৰে কৰা অভিযোগ মতে, ২০১১ৰ অৰ্থনৈতিক লোকপিয়ল মতে বৰালিমাৰী পঞ্চায়তৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাবে ৩০৩ নম্বৰত তেওঁৰ নাম তালিকাভুক্ত হৈছিল। সেই অনুসৰি তেওঁৰ আই ডি নম্বৰ ১১৩১১৯২। তালিকাত নাম অহা বাবে তেওঁ পঞ্চায়ত কৰ্তৃপক্ষৰে যোগাযোগ কৰে যদিও তেওঁক পঞ্চায়তৰ এজন কৰ্মচাৰীয়ে উৎকোচ বিচাৰে। দাবী কৰা ধন দিবলৈ অমান্তি হোৱা বাবেই টেক্স কালেক্টৰজনে ক্ষেত্ৰত ফটো সংগ্ৰহ কৰি জিঅ'টেক নকৰিলে। যাৰ বাবে তেওঁৰ নাম গৃহ পঞ্জীয়ন তালিকাত অন্তৰ্ভুক্ত নহ'ল। ইফালে, একেটা ৱাৰ্ডৰ ৰাজু আহমেদ নামৰ অতিকৈ দৰিদ্ৰ পৰিয়ালটোৱে প্ৰধানমন্ত্ৰী আৱাস গৃহ পাবলৈ সক্ষম নহ'ল। পৰিয়ালটোৰ বৰ্তমান থাকিবলৈ এটি কোঠাও নাই। জহি-খহি গৈছে ঘৰৰ চালি। আনহাতে, একেটা ৱাৰ্ডৰ সৰু মাই, নাজমিন, ৰজমাই, মবিয়া, হামিদা, মৰ্জিনা, সৰুমইনা, মাফিয়া খাতুন, তছলিমা খাতুন, ইয়াছমিন, আজমিন, জুনমণি প্ৰমুখ্যে সাত নম্বৰ ৱাৰ্ডৰ বহু হিতাধিকাৰীয়ে অভিযোগ কৰি একেমুখে কয়, 'বৰালিমাৰী পঞ্চায়তত চলা দালালৰাজৰ বাবে আমি কেৱল প্ৰধানমন্ত্ৰী আৱাস যোজনাই নহয়, বৃদ্ধ পেঞ্চন, শৌচালয়, অৰুণোদয় আদি কোনো আঁচনিৰে সুবিধা পাবলৈ সক্ষম হোৱা নাই। বিভিন্ন আঁচনিৰ সুবিধাৰ বাবে পঞ্চায়ত কৰ্তৃপক্ষৰ স'তে যোগাযোগ কৰিছিল নে বুলি 'দৈনিক অগ্ৰদূত'ৰ তৰফৰ পৰা সাত নম্বৰ ৱাৰ্ডৰ এইসকল সদস্যক সোধাত তেওঁলোকে কয়, 'পঞ্চায়ত কাৰ্যালয়লৈ গ'লে আমাক লেই লেই ছেই ছেই কৰে। আমাৰ সাত নম্বৰ ৱাৰ্ডৰ এইসকল লোকে বহু যোগাযোগ কৰিছো। কিন্তু ফলাফল একো নাই।' ৰবিয়া খাতুনে কয়, 'বৃদ্ধ পেঞ্চনৰ বাবে মই আৰু মোৰ স্বামীয়ে ১০-১২ মান আবেদন কৰিলো। ছবছৰৰ আগত যি এটা



শৌচাগাৰ পালো তাৰো এটা টেংকী বেয়াকৈ বনোৱাত এতিয়া ব্যৱহাৰৰ অনুপযোগী। বৰালিমাৰীত দালালবোৰেই এতিয়া সিহঁতৰ মতে আল্লা। সমান্তৰালকৈ জুনমণি বেগমে কয় যে বৰালিমাৰী পঞ্চায়তত ধনী গাড়ী-মটৰ থকা লোকৰ পৰিয়ালত তিনি-চাৰিজন সদস্যই ঘৰ পাইছে। আন একাংশই পঞ্চায়তটোৰ দুৰ্নীতিৰ সন্দৰ্ভত অভিযোগ কৰি কয়, 'বৰালিমাৰী পঞ্চায়তত পূৰ্বে ঘৰ পোৱা বহু লোকেই আকৌ ঘৰ পাবলৈ সক্ষম হৈছে। একেটা পৰিয়ালৰ সদস্যই তিনি-চাৰিটা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ পাইছে। কিন্তু একাংশ মধ্যভোগীৰ চক্ৰান্তৰ বাবেই পঞ্চায়তটোৰ বহু দৰিদ্ৰ লোকৰে আইডি নোহোৱাৰ ফলত ঘৰ পাবলৈ সক্ষম হোৱা নাই।' লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৪টা পঞ্চায়তৰ এয়া এটা পঞ্চায়তৰ এটি ৱাৰ্ডৰহে ছবি। এই ধূসৰ ছবিখনেই প্ৰমাণ কৰে লাহৰীঘাট উন্নয়ন খণ্ডৰ ২৪টা পঞ্চায়তত কেনে দুৰ্নীতি সংঘটিত হ'ব পাৰে। সকলো স্তৰতে সংঘটিত এনে দুৰ্নীতি-অনিয়মৰ সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰিছে বঞ্চিত হিতাধিকাৰীসকলে। এই ক্ষেত্ৰত মৰিগাঁও জিলা উপায়ুক্তৰ হস্তক্ষেপে মৰিগাঁও জিলা গ্ৰামোন্নয়ন বিভাগৰ বহু দুৰ্নীতি পোহৰলৈ অহাত সহায়ক হ'ব যদিও আগন্তুক দিনত উপায়ুক্তৰ পদক্ষেপ লক্ষ্যণীয় হ'ব।




অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com